# যোৰহাট কলেজ
# ৰূপালী জয়ন্তী
# ১৯৯২

1992



# JORHAT COLLEGE
## SILVER JUBILEE
## 1992

JORHAT COLLEGE * JORHAT *

# যোৰহাট কলেজ

( একত্ৰিত )

যোৰহাট

স্থাপিত ঃ ১৯৬২

# ৰূপালী জয়ন্তী উৎসৱ

২১, ২২ আৰু ২৩ ফেব্ৰুৱাৰী

১৯৯২

সম্পাদক

ডঃ প্ৰভাত চন্দ্ৰ সভাপণ্ডিত

**Souvenir :** A collection of memoirs and articles edited by Dr. Prabhat Ch. Sabhapandit, and published by Shri Arun Ch. Pujari, General Secretary Jorhat College Silver Jubilee Celebration Committee, Jorhat.

**Editorial Board :**

Dr. Prabhat Ch. Sabhapandit ( Editor )
Shri Rameswar Saikia
Shri Pabitra Pran Goswami
Shri Prafulla Rajguru
Shri Arun Dutta
Shri Prasanta Kr. Saikia

**Price :** Rs. 10 00

Printed at Aparup Printers, Assam.

JORHAT COLLEGE

RAJ BHAVAN
GUWAHATI

GOVERNOR OF ASSAM

February 15, 1992

# MESSAGE

I am indeed very glad to learn that Jorhat College is going to bring out a Souvenir on the occasion of Silver Jubilee Celebration of the College to commemorate the occasion,

I wish it a great success.

Sd/-

( Loknath Misra )

যোৰহাট কলেজৰ ৰূপালী জয়ন্তী উপলক্ষে মোৰ শুভ-কামনা জনালোঁ। আশাকৰো জয়ন্তী উৎসৱৰ আয়োজন সুকলমে চলিছে আৰু এই উৎসৱ যথাযোগ্যভাৱে অনুষ্ঠিত হ'ব।

যোৰহাট অসমৰ অন্যতম শিক্ষাৰ প্ৰধান স্থান। এই নগৰতে দ্বিতীয় স্নাতক বিদ্যালয় ১৯৩০ চনত প্ৰতিষ্ঠিত হয়। কটন কলেজৰ পাছতে অসমৰ দ্বিতীয় মহাবিদ্যালয় ৰূপে ইয়াৰ নাম এতিয়াও সুপ্ৰতিষ্ঠিত হৈ আছে। শিক্ষাৰ কেন্দ্ৰ স্বৰূপে যোৰহাটৰ স্থান দ্বিতীয় বুলিব পাৰি, কাৰণ ইয়াত কেৱল কলেজ চাৰিখনেই নহয়, ইঞ্জিনিয়াৰিং, এগ্ৰিকালচাৰ, স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় আৰু অসমৰ প্ৰাচীনতম কাৰিকৰী বিদ্যাৰ বিদ্যালয় প্ৰতিষ্ঠিত হয়। এই বিদ্যালয় যোৰহাট নগৰৰ বোধকৰো দ্বিতীয় সুপ্ৰতিষ্ঠিত বিদ্যালয়। স্বাভাৱিকতে এনে এখন বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱে সকলোৰে শুভকামনা পোৱা উচিত।

ৰাইজ আৰু শিক্ষাবিদসকলৰ লগতে এই শুভ-অনুষ্ঠানৰ ৰূপালী জয়ন্তী উৎসৱৰ শুভ কামনা কৰিলোঁ। আশাকৰো আয়োজনকৰ্ত্তাসকলে প্ৰতিষ্ঠানটোৰ মৰ্য্যাদা ৰক্ষা কৰি যথাযোগ্য ভাৱে উৎসৱটো সফল কৰি তুলিব — এয়ে ভগৱানৰ ওচৰত মোৰ কামনা।

*শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা*
অৱসৰপ্ৰাপ্ত ৰবীন্দ্ৰ অধ্যাপক,
গুৱাহাটী বিশ্ববিদ্যালয়।
৫/২/৯২

JORHAT COLLEGE JORHAT

অসম সাহিত্য সভাৰ সভাপতি ঃ শ্ৰীলক্ষ্যধৰ চৌধুৰী

যোৰহাট কলেজৰ ৰূপালী জয়ন্তী উৎসৱ এই ফেব্ৰুৱাৰী মাহতে অনুষ্ঠিত হ'ব বুলি শুনি বৰ আনন্দ পালো। তাতোকৈ আনন্দ পালো উৎসৱৰ লগতে এখনি স্মৃতিগ্ৰন্থও প্ৰকাশ হ'ব বুলি বাতৰি পাই। কিয়নো এই 'স্মৃতিগ্ৰন্থ'ই শেষত পুৰণি হয় মানে আৰু সোৱাদলগা হৈ পৰিব। শেষত হয়তো ই এক বুৰঞ্জীতো পৰিণত হ'ব। এই স্মৃতিগ্ৰন্থত ন-ন লেখক লেখিকাৰ লিখা পঢ়িবলৈ আগ্ৰহেৰে বাট চাই ৰ'লো।

এই স্মৃতিগ্ৰন্থৰ সকলো দিশতে সাফল্য কামনা কৰিলো।

আমবাৰী
গুৱাহাটী—১

**লক্ষ্যধৰ চৌধুৰী**
৫/২/৯২

# শ্ৰদ্ধাঞ্জলি

JORHAT ★ JORHAT COLLEGE



জেহিৰুদ্দিন আহমেদ
প্ৰথম সভাপতি, "যোৰহাট কলেজ" পৰিচালনা সমিতি



বিদ্যাকান্ত বৰুৱা
প্ৰথম অধ্যক্ষ, যোৰহাট কলেজ আৰু
একত্ৰিত যোৰহাট কলেজ

বিঃ দ্ৰঃ ডাঃ জীৱকান্ত শইকীয়া, প্ৰথম সভাপতি, "নিউ যোৰহাট কলেজ" পৰিচালনা সমিতি (ফটো প্ৰকাশ কৰিব নোৱাৰি দুঃখিত)

# শ্ৰদ্ধাঞ্জলি



তৰুণ মোহন গোস্বামী,
প্ৰাক্তন উপাধ্যক্ষ, যোৰহাট কলেজ, (একত্ৰিত)



মাধৱ চন্দ্ৰ চক্ৰৱৰ্ত্তী
প্ৰতিষ্ঠাপক অধ্যক্ষ, নিউযোৰহাট কলেজ
দাতা সদস্য যোৰহাট কলেজ (একত্ৰিত)



সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰ
প্ৰতিষ্ঠাপক অধ্যাপক, প্ৰাক্তন অধ্যক্ষ,
যোৰহাট কলেজ (একত্ৰিত)

আমি সুঁৱৰিছো– প্ৰতিষ্ঠাপক অধ্যাপক সুৰেন্দ্ৰ কুমাৰ গোস্বামী, কাৰ্য্যালয় সহায়ক দেৱেশ্বৰ কটকী, **যজ্ঞেশ্বৰ গোহাঁই, গঙ্গাৰাম দত্ত আৰু ভূৱন কলিতাক ।**



ডাঃ নীল কমল বেজবৰুৱা, দাতা সদস্য ।



শ্ৰীদুলাল চন্দ্ৰ বৰুৱা,
সভাপতি ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি ।



শ্ৰীযুক্তা সাৰদা বেজবৰুৱা । প্ৰাক্তন অধ্যক্ষা, যোৰহাট কলেজ (একত্ৰিত)



ডঃ অমূল্য চন্দ্ৰ শৰ্মা, বৰ্তমান অধ্যক্ষ আৰু কাৰ্য্যকৰী সভাপতি ৰূপালীজয়ন্তী উদ্‌যাপন সমিতি ।



শ্ৰীমহেশ চন্দ্ৰ দত্ত
বৰ্তমান উপাধ্যক্ষ ।



বৰ্তমান ছাত্ৰ একতা সভা ।



যোৰহাট কলেজ ভৱনৰ একাংশ ।



বৰ্তমানৰ শিক্ষকসকল – ১৯৯২।



অধ্যক্ষ আৰু স্মৃতিগ্ৰন্থৰ সম্পাদকৰ সৈতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল – ১৯৯২।



ৰূপালী জয়ন্তীৰ উৎসৱ সমিতি ।

সম্পাদকীয়
স্বাধীনোত্তৰ
খেল-ধেমা
যোৰহাট
"সুৰদেৱীৰ
ইতিহাসৰ
স্ত্ৰী শিক্ষা
অধ্যক্ষ
জেহিৰুদ্দি
স্মৃতি বো
মৃদুভাষী,
তৰুণমোহ
স্মৃতিৰ
যোৰহাট
জেহিৰুদ্দি
আমাৰ
আধুনিক
অতীতক
স্মৃতি
ৰূপালী
যোৰহা
Shake
Trade

Devel
India
What
Natio
and
Yoga

# সূচীপত্ৰ


সম্পাদকীয়

| | | |
|---|---|---|
| স্বাধীনোত্তৰ কালত যোৰহাটত উচ্চশিক্ষাৰ বিকাশ | ড° অমূল্য চন্দ্ৰ শৰ্ম্মা | ১ |
| খেল-ধেমালি — অতীত আৰু বৰ্তমান | তৰুণ সভাপণ্ডিত | ৯ |
| যোৰহাট কলেজ ঃ অতীত আৰু বৰ্তমান | — | ১৩ |
| "সুৰদেৱীৰ পৰা জেহিৰুদ্দিন আহমদ স্মৃতি ভৱনলৈ ঃ ইতিহাসৰ এখিলা পাত" | অৰুণ চন্দ্ৰ পূজাৰী | ১৮ |
| স্ত্ৰী শিক্ষা বিস্তাৰত যোৰহাট কলেজৰ ভূমিকা | ৰামেশ্বৰ শইকীয়া | ২২ |
| অধ্যক্ষ ৺সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰৰ সোঁৱৰণত | প্ৰবীৰ কুমাৰ বৰা | ২৪ |
| জেহিৰুদ্দিন আহমদ স্মৃতি ৰঙ্গমঞ্চ | — | ২৬ |
| স্মৃতি ৰোমন্থণ | ছায়াৰাণী শৰ্ম্মা | ২৬ |
| মৃদুভাষী, সংস্কৃতিবান সহকৰ্মী প্ৰয়াত তৰুণমোহন গোস্বামী | অৰুণ পূজাৰী | ২৭ |
| স্মৃতিৰ এলবামত যোৰহাট কলেজ | অশোক কুমাৰ বৰুৱা | ৩১ |
| যোৰহাট মহাবিদ্যালয় নিৰ্ম্মাতা খান বাহাদুৰ জেহিৰুদ্দিন আহমদ | হেমকান্ত নেওগ | ৩৩ |
| আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃজনীশীল কৰ্ম | — | ৩৫ |
| আধুনিক যুগত বিদ্যালয়ৰ অনুশাসন | ঈশান বৰুৱা | ৩৬ |
| অতীতক যোৱা নাই পাহৰি | বুদ্ধীন্দ্ৰ নাথ বৰঠাকুৰ | ৩৭ |
| স্মৃতি ৰোমন্থন | ইন্দু প্ৰভা বৰপূজাৰী | ৪০ |
| ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদকীয় প্ৰতিবেদন | — | |
| যোৰহাট কলেজ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি | — | |
| Shakespeare in the Class Room | Mrs Sarada Bezbaruah | 1 |
| Trade and Commerce in Jorhat District | Hemanta Kumar Dutta<br>Pulak Jyoti Sarmah | 3 |
| Development of the North Eastern India – A Geographical Overview | Dr Jogen Baruah | 8 |
| What have the Arts Colleges been doing ? | Ananda Barmudoi | 13 |
| National Service Scheme ( NSS ) and Jorhat College | Provash Kumar Borah | 16 |
| Yoga for health and happiness | Sri Apurba Kr. Borpuzari | |

# প্ৰস্তাৱিত মহাবিদ্যালয় সংগীত

কথা ঃ { *পৱিত্ৰ প্ৰাণ গোস্বামী*
*প্ৰভাস কুমাৰ বৰা*

সুৰ ঃ *পৱিত্ৰ প্ৰাণ গোস্বামী*

মহা মিলনৰ তীৰ্থ ইযে
সাধনাৰ মহা ক্ষেত্ৰ।
জ্ঞানৰ আলোকেৰে আলোকিত
যেন উজ্জ্বল নক্ষত্ৰ ॥

শত সুকৃযৰ শক্তিৰে য'ত
যৌৱন দীপ্তমান।
মানুহ গঢ়াৰ ব্ৰতেৰে ইযে
চিৰ মহীয়ান ॥

কত প্ৰতিভা কত সপোনৰ
অংকুৰণৰ থলি।
ধন্য হওঁ সাৰটি ইয়াকে
পুণ্য তীৰ্থ বুলি ॥

# নীলা আকাশতে

নীলা আকাশতে, বগাকৈ কাপোৰখনৰ মাজত এইবেলি নতুন প্ৰতীক আঁকি উৰোৱা হৈছে আৰু সকলোৱে সন্মানেৰে আদৰিছে। যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজক একেডাল সূতাৰে বান্ধি, এখন কলেজ হৈ যোৱাত এটি নতুন প্ৰতীক অঙ্কনৰ দায়িত্ব মোৰ ওপৰত পৰিল। আগৰ যোৰহাট কলেজৰ পৰা চাকি আৰু কিতাপ আনি আৰু নিউ যোৰহাট কলেজৰ পৰা চাৰিসীমা আনি, তাকে সজাই আৰু অলপ অৰ্থপূৰ্ণ চিন দি প্ৰতীকটো মই আঁকিলো। অধ্যক্ষা শ্ৰীযুক্তা সাৰদা বেজবৰুৱা বাইদেউৱে বাণীটো সংগ্ৰহ কৰি দিলে। এই প্ৰতীক মোৰ প্ৰতীক নহয়, ই হ'ল আমাৰ সকলোৰে সন্মানীয় একত্ৰিত যোৰহাট কলেজৰ নৱনিৰ্ম্মিত প্ৰতীক। *

অৰুণ দত্ত
সম্পাদক
অসমীয়া বিভাগ
যোৰহাট কলেজ আলোচনী
প্ৰথম বছৰ, প্ৰথম সংখ্যা
১৯৭০-৭১ চন

* যোৰহাট কলেজ আলোচনীৰ (১৯৭০-৭১ চন) পৰা পুনৰ মুদ্ৰিত।

# সম্পাদকীয়

**ৰাজহুৱা উদ্যোগ বনাম চৰকাৰী শিক্ষা নীতি ঃ**

১৯৬২ চনত স্থাপন হোৱা যোৰহাট কলেজে এতিয়া ত্রিশ বছৰত ভৰি দিলে। কিন্তু যোৰহাট কলেজৰ চৌহদটো দেখিলে ত্রিশ বছৰ হ'ল বুলি ভাবিবলৈ টান লাগে। ই যেন এতিয়াও তেনেই শিশু অৱস্থাতে আছে। ইয়াৰ কাৰণ অৱশ্যে নোহোৱা নহয়। অসমত উচ্চ শিক্ষাৰ প্রসাৰৰ মূলতে হ'ল ৰাজহুৱা উদ্যোগ। চৰকাৰে শিক্ষানুষ্ঠান এটা গঢ় লৈ উঠাৰ পিচতহে মঞ্জুৰী দিবলৈ আগবাঢ়ি আহে। তেনেস্থলত কলেজ এখন স্থাপন কৰি তাক গঢ়ি তুলিবলৈ উদ্যোক্তা সকলৰ অশেষ উৎসাহ আৰু পৰিশ্রমৰ আৱশ্যক হয়। এনে উৎসাহী উদ্যোক্তাৰ অভাৱ গাওঁ অঞ্চলত অৱশ্যে নাই। কিন্তু যোৰহাটৰ নিচিনা এখন নগৰত, য'ত এখন অসমৰ ভিতৰতে পুৰণি কলেজ আছে, স্বাভাৱিকতেই নতুন কলেজ গঢ়িবৰ কাৰণে এনে উদ্যোক্তাৰ অভাৱ পৰিলক্ষিত হয়। কলেজৰ কর্ণধাৰসকল পদেন কর্ণধাৰত পৰিণত হোৱাত তেখেতসকলৰ মাজত প্রকৃত উদ্যোক্তাৰ উৎসাহৰ অভাৱ হয়। উদাসীনতাই গা কৰি উঠে। তেনেস্থলত যোৰহাট কলেজৰ ত্রিশ বছৰ পিচতো এনে পঁয়ালগা শিশুৰ অবস্থা একো আচৰিত কথা নহয়। যিখিনি কাম এতিয়ালৈকে হৈছে সেইখিনি কাম কেৱল শিক্ষকসকলৰ উৎসাহ আৰু ত্যাগৰ কাৰণেহে হৈছে।

**কলা শিক্ষাৰ প্রয়োজনীয়তা ঃ**

যোৰহাট কলেজ এখন কলা বিষয়ৰ শিক্ষা দিয়া কলেজ বা আৰ্টছ কলেজ। আজিৰ বিজ্ঞান আৰু কাৰিকৰী যুগত কলা বিষয়ৰ শিক্ষা দিয়া এখন কলেজৰ গুৰুত্ব হয়তো বহুতেই বুজিবলৈ অপাৰগ হয়। প্রশ্ন হ'ব পাৰে শিক্ষা যদি উৎপাদনমুখী হ'ব লাগে বুলি কোৱা হয় তেন্তে কলা শিক্ষাৰ প্রয়োজন ক'ত? কিন্তু আমি পাহৰিলে নহ'ব যে উৎপাদনমুখী কাৰ্য্য প্রত্যক্ষ বা পৰোক্ষ দুয়োটা হ'ব পাৰে। আজি আমাৰ দেশৰ প্রশাসনীয় মানদণ্ড পৰি অহাৰ মূলতে হ'ল বেছিভাগ মেধাবী ছাত্রই ডাক্তৰী, ইঞ্জিনিয়াৰিং পঢ়িবলৈ গৈ কলা বিভাগৰ শিক্ষালৈ পিঠি দিয়া। তদুপৰি দেশত গভীৰ চিন্তা আৰু সুস্থ সংস্কৃতি গঢ় লৈ উঠিলেহে সকলো সৃষ্টিশীল আৰু উৎপাদনমুখী কাৰ্য্য আগবাঢ়ি যাব পাৰে। কলা বিভাগৰ শিক্ষাই মানুহৰ মনক বহল পৰিসৰলৈ নিব

পাৰে। চাকৰিৰ লগত সম্বন্ধ নথকা ইয়াৰ এটা নিজস্ব মূল্য আছে। এই শিক্ষাই শিক্ষাৰ মূল উদ্দেশ্য সাধনত সকলো প্ৰকাৰে অৰিহণা যোগাব পাৰে। শিক্ষিত লোকসকলৰ মনত গণতান্ত্ৰিক মূল্যবোধ, ৰাজনৈতিক সচেতনতা আৰু সামাজিক দায়িত্ববোধ জগাই তুলি শিক্ষিত মানুহক নিজৰ পৰিশ্ৰমৰ দ্বাৰা এটা উৎপাদনক্ষম জীৱন-যাপন কৰাৰ উপযোগী কৰি গঢ়ি তোলাত কলা শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা কোনেও নুই কৰিব নোৱাৰে।

**ছাত্ৰৰ আদৰ্শ পুৰুষজন ঃ**

যেতিয়া ছাত্ৰসকল হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দেওনা পাৰ হৈ কলেজলৈ আহে তেতিয়া তেওঁলোকৰ বয়স সাধাৰণতে ষোল-সোতৰ বছৰমানত থাকে। এই বয়স অতি গুৰুত্বপূৰ্ণ আৰু লগতে বিপদজনকো। এই বয়সত তেওঁলোকে শ্বেইকচ্‌পিয়েৰৰ হেমলেটৰ দৰে অনুভব কৰে যে, "There is something wrong with the state of Denmark" তেওঁলোকে পিতৃ-মাতৃৰ ওপৰত, শিক্ষকৰ ওপৰত আৰু সৰ্ব্বশেষত নিজৰ ওপৰত আস্থা হেৰুৱাই পেলায়। সকলোকে দোষী যেন দেখে। অৱশেষত তেওঁলোকে মানসিক দ্বন্দ্বত ভুগি অসুখী হৈ পৰে। এনে অসুখী মনেৰে তেওঁলোকে জীৱনত সুস্থ পথেৰে আগবাঢ়িব নোৱাৰে। এইখিনিতে আহি পৰে ছাত্ৰসকলৰ জীৱনত লক্ষ্য আৰু উদ্দেশ্য দিয়াৰ শিক্ষকৰ গুৰু দায়িত্ব। বৃত্তিমুখী শিক্ষাত ছাত্ৰসকলক জীৱনত লক্ষ্য আৰু উদ্দেশ্য দিয়াৰ দায়িত্ব কিছু কম। কিন্তু এজন কলা বিষয়ৰ শিক্ষকৰ এই দায়িত্ব অতি বেছি। ছাত্ৰই এই বয়সত তেওঁৰ আদৰ্শ পুৰুষজন বা Hero জন বিচাৰে। শিক্ষকেই ছাত্ৰৰ কাৰণে আদৰ্শ পুৰুষজন হৈ থিয় দিব পৰাতেই শিক্ষাৰ সফলতা বহুতোখিনি নিৰ্ভৰ কৰে।

**উচ্চ শিক্ষাৰ পৰিকল্পনা ঃ**

উচ্চ শিক্ষাৰ পৰিকল্পনা আৰু বাতাবৰণত এক বিশৃংখল অৱস্থা বিৰাজ কৰা পৰিলক্ষিত হৈছে। এফালে ৰাষ্ট্ৰই উচ্চশিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দি বৃহৎ পৰিমাণৰ টকা খৰছ কৰিছে আৰু আনহাতে উচ্চ শিক্ষাৰ উচ্চতম মহলৰ দায়িত্বশীল ব্যক্তিয়েও গোটেই শিক্ষা ব্যৱস্থা বা System টোকেই ত্ৰুটীপূৰ্ণ আৰু শিক্ষক-ছাত্ৰৰ শিক্ষা-সাধনা অৰ্থহীন বুলি সভাই সমিতিয়ে কৈ ফুৰিছে। ফলত শিক্ষক আৰু ছাত্ৰই শিক্ষাদান আৰু শিক্ষা লাভৰ প্ৰতি প্ৰেৰণা হেৰুৱাই পেলাইছে। তেওঁলোকে ভাবিবলৈ বাধ্য হৈছে যে তেওঁলোকে অদৰকাৰী কামতহে সময় নষ্ট কৰিছে। গতিকে এনে এটা অৱস্থা হৈছে যে শিক্ষকসকল কলেজ-বিশ্ববিদ্যালয়লৈ যায় কেৱল দৰ্মহাৰ কাৰণে আৰু ছাত্ৰ যায় কৰ্মজীৱনৰ গতি নলগালৈকে ছাত্ৰ হিচাবে সোমাই থাকিবলৈ। কিছুমান বিশ্ববিদ্যালয়ত শৈক্ষিক বছৰ শেষ হোৱাৰ এবছৰমান পিচতহে পৰীক্ষা পতা হয়।

উচ্চশিক্ষাৰ পৰিকল্পনা আৰু প্ৰশাসন বহুতো ক্ষেত্ৰত ত্ৰুটীপূৰ্ণ যে সেই কথা সঁচা! কিন্তু তাৰ কাৰণে আমি গোটেই শিক্ষা ব্যৱস্থাটোকেই নাকচ কৰি দিব নোৱাৰো। সমাজে শিক্ষা

সদায় সামাজিক লক্ষ্যৰ লগত সঙ্গতি ৰাখি গঢ় দিবলৈ যত্ন কৰি আহিছে। সমাজৰ নৈতিক আৰু সাংস্কৃতিক মূল্যবোধৰ ভিত্তিত গঢ় লৈ উঠা শিক্ষা ব্যৱস্থাই সমাজৰ অৰ্থনৈতিক প্ৰয়োজনত সময়ে সময়ে নতুন কথা সামৰি লৈছে। সেই কাৰণে সমাজৰ অৰ্থনৈতিক প্ৰয়োজন আৰু শিক্ষা ব্যৱস্থাৰ মাজত বিৰাট ব্যৱধান থাকিব পাৰে বুলি ভবাটো ভুল কথা।

গোটেই শিক্ষা ব্যৱস্থাটোৱেই অভাৰতীয়, মেকলে চাহাবে কেৰাণী বনাবলৈ প্ৰবৰ্ত্তন কৰা বুলি কৈ শিক্ষক-ছাত্ৰক বিপাণ্ডত পেলোৱাৰ পৰিৱৰ্ত্তে শিক্ষাৰ ক্ষেত্ৰত কিছুমান স্থায়ী প্ৰমূল্য, স্থায়ী নীতি নিৰ্দ্ধাৰণ কৰাটোৱেই উচ্চ শিক্ষাৰ নেতৃত্বত থকা লোক সকলৰ প্ৰধান কৰ্ত্তব্য হোৱা উচিত। ভাৰতত বৰ্ত্তমান যি ব্ৰিটিছ আৰ্হিৰ ব্যৱস্থা গঢ় লৈ উঠিছে সেই শিক্ষা ব্যৱস্থা ইতিহাস, সময় আৰু সমাজৰ তাগিদাতেই গঢ় লৈ উঠিছে।

**ৰূপালী জয়ন্তী উৎসৱ:**

১৯৮৯ চনতে ৰূপালী জয়ন্তী উৎসৱ পালনৰ যাৱতীয় দিহা কৰা হৈছিল। ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক ডাঙৰীয়াই তেখেতৰ প্ৰতিবেদনত এই সম্পৰ্কে বিশদভাবে লিখিছে। সেই সময়ৰ যোৰহাট কলেজ পৰিচালনা সমিতিৰ সভাপতি হিচাবে শ্ৰীযুত প্ৰফুল্ল ঠাকুৰ দেৱে ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনত বিশেষ উৎসাহ যোগাইছিল। এই খিনিতে আমি তেখেতলৈ ধন্যবাদ জনালো। ৰূপালী জয়ন্তী উৎসৱ পালন কৰিবলৈ লওঁতে আমাৰ মনত পৰিছে অকালতে আমাৰ মাজৰ পৰা আঁতৰি যোৱা প্ৰয়াত তৰুণ মোহন গোস্বামী আৰু সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰলৈ। তদুপৰি আমি অনুভৱ কৰিছো দুজন লোকৰ অনুপস্থিতি। সেয়া হ'ল আমাৰ মাজৰ পৰা অৱসৰ লৈ আঁতৰি যোৱা দৰ্শনৰ শিক্ষক বদিউজ্ জামান্ আৰু একাউন্টেট শ্ৰীকৃষ্ণৰাম ভট্টাচাৰ্য্য। আমাৰ মনত পৰিছে এই কলেজ গঢ়ি তোলাত অৱদান যোগোৱা আন বহুতো লোকলৈ। সেই সকলৰ নাম আমি যথাস্থানত সুঁৱৰিছো। কিন্তু প্ৰয়োজনীয় তথ্যপাতিৰ অভাৱত বহুতৰে নাম হয়তো বাদ পৰি গৈছে। সেই সকলৰ ওচৰত আমি নতশিৰে ক্ষমা প্ৰাৰ্থনা কৰিছো।

**স্মৃতিগ্ৰন্থত প্ৰকাশিত প্ৰবন্ধসমূহ:**

যোৰহাট কলেজৰ ৰূপালী জয়ন্তী উৎসৱ পালনৰ শেহতীয়া সিদ্ধান্ত বৰ কম দিনৰ ভিতৰত লোৱা হয়। প্ৰবন্ধ আৰু যাবতীয় তথ্যপাতি বিচৰাৰ কাৰণে সময় পাওঁ মাথো এমাহ। এই কম দিনৰ ভিতৰত সংশ্লিষ্ট সকলোৰে লগত যোগাযোগ কৰি ফটো, প্ৰবন্ধপাতি আৰু আন তথ্যপাতি যোগাৰ কৰা যথেষ্ট টান কাম। গতিকে ঠাইতে লগ পাব পৰা লোকৰ লগত যোগাযোগ কৰি প্ৰবন্ধপাতি প্ৰস্তুত কৰা হৈছে। কেইবাজনো মাননীয় ব্যক্তিৰ ফটো আৰু বিভিন্ন দিশত প্ৰতিভাৰ পৰিচয় দিয়া প্ৰাক্তন ছাত্ৰসকলৰ ফটো প্ৰকাশ কৰিব নোৱাৰি আমি দুঃখিত। আমাৰ হাতত প্ৰাক্তন ছাত্ৰৰ মাথো দুখন ফটো পৰিছিল। কিন্তু অলেখ প্ৰাক্তন ছাত্ৰৰ মাজৰ পৰা মাথো দুজনৰ

ফটো ছপা কৰাৰ পৰা বিৰত থাকিবলৈ বাধ্য হ'লো। স্মৃতিগ্ৰন্থখনিত যোৰহাট কলেজৰ এটি বুৰঞ্জী দিবৰ যত্ন কৰা হৈছে। লগতে যোৰহাট আৰু শিক্ষাৰ লগত সঙ্গতি ৰাখি কেইটামান প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

সম্পাদনা সমিতিৰ আটাইকেইগৰাকী সদস্যই আমাক সকলো সময়তে দিহা-পৰামৰ্শ দি অনুগৃহীত কৰিছে। তদুপৰি অধ্যক্ষ ডঃ অমূল্য চন্দ্ৰ শৰ্মা, অধ্যাপক অৰুণ চন্দ্ৰ পূজাৰী, অধ্যাপক ঘনশ্যাম নেওঁগ, পঞ্চানন বৰঠাকুৰ; অধ্যাপক প্ৰভাস বৰা; পুলকজ্যোতি শৰ্মা, গ্ৰন্থাগাৰিক মুকুল কন্দলী আদি সহকৰ্মী সকলৰ সহযোগিতা পাহৰিব নোৱাৰি। যিসকলে কামৰ মাজতো আমাৰ অনুৰোধ ৰক্ষা কৰি প্ৰবন্ধ-পাতিৰে সহায় কৰিলে সেই সকললৈ কৃতজ্ঞতা জনালো। স্মৃতিগ্ৰন্থখনি অতি কমদিনৰ ভিতৰতে ছপা কৰি উলিয়াই আমাৰ চিন্তা দূৰ কৰা বাবে আমাৰ কলেজৰে প্ৰাক্তন ছাত্ৰ অপৰূপ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী অৰুণ দত্তৰ শলাগ ল'লো। তদুপৰি বিজ্ঞাপনৰ আলমত যি সকলে অৰ্থেৰে আমাক সহায় কৰিলে সেই সকলক ধন্যবাদ জনালো।

**—প্ৰভাত চন্দ্ৰ সভাপণ্ডিত**

যোৰহাট
২১/২/৯২

# স্বাধীনোত্তৰ কালত যোৰহাটত উচ্চশিক্ষাৰ বিকাশ

ড° অমূল্য চন্দ্ৰ শৰ্মা

উজনি অসমৰ ভিতৰতে যোৰহাট নগৰ উচ্চ-শিক্ষাৰ কেন্দ্ৰ হিচাবে দেশৰ স্বাধীনতাৰ বহুত পূৰ্ব্বৰে পৰা স্বীকৃত হৈ আহিছে। ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপন হোৱাৰ পাছৰে পৰা চৰকাৰী বা বেচৰকাৰী কোনো খণ্ডতে মহাবিদ্যালয় স্থাপনৰ উদ্যোগ লোৱা দেখা নাযায়। যোৰহাট নগৰত শিক্ষিত চাম মানুহৰ মাজতহে প্ৰথমে এনে এটা চিন্তা জাগি উঠে। সেই চিন্তাৰ ফল স্বৰূপে 'যোৰহাট কলেজ' ( বৰ্ত্তমানৰ জগন্নাথ বৰুৱা কলেজ ) ১৯৩০ চনত যোৰহাট নগৰৰ মাজ মজিয়াত স্থাপন কৰা হয়। ১৯14 চনৰ পৰা ১৯৩৫ চনৰ ভিতৰত প্ৰাপ্ত তথ্য মতে, সমগ্ৰ অসমতে মাথোন কেইটামান কলেজৰ নামহে পোৱা যায়। সেইকিটা হল, আৰ্ল ল (১৯১৪) কলেজ, হবিগঞ্জৰ বৃন্দাবন কলেজ, (১৯৩১), গুৰুচৰণ কলেজ ( চিলচৰ ১৯৩৫ ), লেডিকিন কলেজ, (চিলং ১৯৩৫) [ Ref. Das—Education in Assam ] ১৯৩৫ চন পৰ্য্যন্ত যোৰহাটৰ কলেজখনৰ বিশেষ উন্নতি হোৱা নাছিল। স্বৰ্গীয় মুৰুলিধৰ বৰুৱাৰ পৰা, 'বি এ জগন্নাথ'ৰ 'বৰপাত্ৰ কুটীৰ'টো পোৱাৰ পাছত, কলেজখনৰ নাম জগন্নাথ বৰুৱা ৰখা হল। দ্বিতীয় মহা-যুদ্ধৰ ভয়াবহ অৱস্থাৰ পৰিপ্ৰেক্ষিতত জগন্নাথ বৰুৱা কলেজৰ ঘৰবাৰী আমেৰিকান সেনাবাহিনীয়ে লোৱাত কলেজখন যোৰহাট থিয়েটাৰ হল আৰু বৰদাফুকন ৰোডৰ ভাড়া ঘৰত চলাব লগা হয়। এই কালছোৱাত যোৰহাট নগৰত উচ্চশিক্ষাৰ ক্ষেত্ৰত স্থবিৰতা আহি পৰে। অসমৰ পূবসীমাত জাপানী আক্ৰমণৰ পটভূমিত এক নতুন ৰণাঙ্গনৰ সৃষ্টি হয়। এনে অৱস্থাত শিক্ষাৰ কথা চিন্তা কৰিবলৈ ৰজা প্ৰজা কাৰোৰেই অৱকাশ নাছিল। সেই কালত যোৰহাটৰ জে, বি কলেজখনৰ সকলো পাঠ্যক্ৰম আৰু শিক্ষা কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰাহে নিয়ন্ত্ৰিত হৈছিল। শিক্ষক সকলৰ দৰ্মহা কলেজ কৰ্তৃপক্ষইহে থিক কৰি দিছিল। দৰ্মহাৰ আকৰ্ষণ নথকা সত্ত্বেও প্ৰতিভাশালী দুই চাৰিজন শিক্ষকে ত্যাগৰ মনোভাৱেৰে কাম কৰাত জগন্নাথ বৰুৱা কলেজৰ উন্নয়নত যতি নপৰিল।

যোৰহাটত বিজ্ঞান শিক্ষা কেৱল স্বাধীনোত্তৰ কালতহে সম্ভৱ হয়। কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অসমৰ সকলো কলেজতে মাধ্যমিক কলাৰ ( Intermediate Arts ) দুবছৰীয়া পাঠ্যক্ৰমহে আছিল। ১৯৪৮ চনৰ জানুৱাৰী মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শুভাৰম্ভ হোৱাত, এই বিশ্ববিদ্যালয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু আৰ্হি লোৱাত যোৰহাটতো সেইদৰে শিক্ষাদান কৰা হৈছিল। উজনি অসমৰ সকলো শ্ৰেণীৰ মানুহৰ লবাই আহি

এই কলেজত শিক্ষা লবলৈ সুযোগ পাইছিল। অৱশ্যে, যিসকল ছাত্ৰৰ বিজ্ঞান পঢ়িবলৈ ইচ্ছা আছিল, তেওঁ বিলাক গুৱাহাটী বা কলিকতালৈ যাব লগা হৈছিল। ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰাৰ পাছৰ পৰাহে স্বাধীন চৰকাৰে উচ্চ শিক্ষাৰ কাৰণে মনোযোগ দিবলৈ আৰম্ভ কৰে। এটা জাতীয় শিক্ষা নীতি উদ্ভাৱনৰ চিন্তা চৰকাৰে এই সময়ৰ পৰাহে কৰিবলৈ লয়। তেতিয়া, সমগ্ৰ ভাৰতত উচ্চ শিক্ষাৰ মাধ্যম ইংৰাজী ভাষাহে আছিল। ইংৰাজী মাধ্যমত শিক্ষা লাভ কৰা সত্ত্বেও যোৰহাটৰ কলেজখন বিশ্ববিদ্যালয়ৰ পৰীক্ষাত পাছ পৰি থকা নাছিল। সৌভাগ্যৰ বিষয় যে, যোৰহাট জগন্নাথ বৰুৱা কলেজৰ প্ৰথম অধ্যক্ষ গৰাকীয়েই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্য হয়। এখেত আছিল প্ৰাচ্যতত্ত্ববিদ্ কৃষ্ণকান্ত সন্দিকৈ। সন্দিকৈয়ে উপাচাৰ্য্যৰ দায়িত্ব লোৱাত, সেই কলেজৰে অসমীয়া আৰু সংস্কৃতৰ দুয়ো বিষয়তে এম. এ উপাধি থকা পণ্ডিত ৺তুলসী নাৰায়ণ শৰ্ম্মা অধ্যক্ষ হয়। সেই সময়ৰ কৃতী শিক্ষক শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা, ৺ফণীধৰ দত্ত, ৺প্ৰফুল্ল প্ৰাণ চাংকাকতি আৰু ৺গুণগোবিন্দ দত্তৰ নাম এই প্ৰসঙ্গত মনলৈ আহে। ১৯৪৭ চনত সমগ্ৰ অসমতে কলেজ আছিল ১৮ খন। এই বছৰৰ পাছৰ পৰা কলেজৰ সংখ্যা বাঢ়িবলৈ ধৰে। অৱশ্যে, শিক্ষাৰ গুণগত মানদণ্ড কলেজ অনুপাতে বঢ়া বুলি কব নোৱাৰি। ডিব্ৰুগড়ত অসমৰ দ্বিতীয় খন বিশ্ববিদ্যালয় হোৱাৰ আগলৈকে, ১৯৬২ চন পৰ্য্যন্ত গোটেই অসমতে ৬৩ খন কলেজ চলি আছিল। বিজ্ঞান শিক্ষাৰ কাৰণে ১৯৪৯ চনত যোৰহাটৰ জে. বি, কলেজত বিজ্ঞানৰ মাধ্যমিক শ্ৰেণী (I. A) আৰম্ভ কৰা হয়। দক্ষিণপাটীয়া পূজ্যপাদ হৰিদেৱ গোস্বামী আৰু ৺কৃষ্ণকান্ত সন্দিকৈদেৱৰ দান-বৰঙণিৰে বিজ্ঞান মন্দিৰটি নিৰ্ম্মাণ কৰা হৈছিল। গড়মূৰীয় পীতাম্বৰ গোস্বামীদেৱে 'হৰিদেৱ বিজ্ঞান মন্দিৰ'টি ১৯৫০ চনত উদ্বোধন কৰি উজনি অসমত বিজ্ঞান শিক্ষাৰ পথ সুগম কৰি দিয়ে। সেই সময়ত বৰ্দ্ধিষ্ণু ছাত্ৰ-ছাত্ৰীৰ হেচা কমাবলৈ লগতে কৰ্তৃপক্ষ সহ-শিক্ষাৰ সমৰ্থক নোহোৱা কাৰণে ছাত্ৰীসকলৰ বাবে পূৰাভাগত এটা সুকীয়া শ্ৰেণী খোলা হৈছিল। ছাত্ৰসকলে এই শ্ৰেণীটো তুলি দিবলৈ আন্দোলন কৰি থকাত পাছলৈ এই শাখাটো উঠাই দিব লগা হয়।

যোৰহাট নগৰত, স্ত্ৰীশিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাই অহাত এচাম শিক্ষিত নাগৰিকে এই অভাৱ পূৰণৰ কাৰণে এখন সুকীয়া ছোৱালী কলেজ স্থাপন কৰিবলৈ আগবাঢ়ি আহিল। এইখনেই উজনি অসমৰ প্ৰথম ছোৱালী কলেজ। ১৯৫৫ চনত দেবীচৰণ বৰুৱাৰ পুত্ৰসকলৰ দান বৰঙণিৰে ছোৱালী কলেজ আৰম্ভ কৰা হল। স্বৰ্গীয় দেবীচৰণ বৰুৱা আছিল ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত যোৰহাট নগৰত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ নেতৃত্ব লোৱা ব্যক্তি। ভাৰতৰ জাতীয় কংগ্ৰেছৰ লগত ১৮৮৬ চনৰে পৰা বৰুৱা জড়িত আছিল আৰু তেওঁ কলিকতা কংগ্ৰেছত জুৰি প্ৰথাৰ অপকাৰিতা সৰ্ব্বভাৰতীয় সমাজত দাঙি ধৰে। এখেতৰ প্ৰচেষ্টাতে ১৯১৬ চনত যোৰহাট তৰাজানত এখন প্ৰাথমিক বালিকা বিদ্যালয় স্থাপন কৰা হয়। সেই স্কুল আজিও আছে। ১৯৫৫ চনত, দেবীচৰণ বৰুৱা ছোৱালী কলেজত প্ৰথম অধ্যক্ষ হয় জোচেফ মিনাটু। এই কলেজত বৰ্ত্তমান বিজ্ঞান আৰু কলা উভয় বিষয়তে শিক্ষা

দিয়া শিক্ষয়িত্ৰী আছে। তথাপি, কলেজৰ নিজা ৰবীয়া খেল পথাৰ নাই। এই বিষয়ত যোৰহাটৰ পুৰণাখন কলেজৰো অৱস্থা একেই। স্বাধীনতাৰ পাছত, ১৯৪৮ চনত ভাৰত চৰকাৰে উচ্চ শিক্ষাৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ কাৰণে প্ৰথম বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰে। (University Education Commission) এই আয়োগৰ সুপাৰিশ আছিল— গাওঁ অঞ্চলৈকো বিশ্ববিদ্যালয়ৰ শিক্ষা সম্প্ৰসাৰণ কৰা। শিক্ষা আয়োগে এটা অনুদান আয়োগ ( University Grant Commission ) গঠনৰো পৰামৰ্শ দিয়ে। এই পৰামৰ্শ অনুযায়ী চৰকাৰে অনুদান আয়োগ গঠন কৰে। অনুদান আয়োগে কলেজ সমূহৰ গৃহ নিৰ্ম্মাণ আৰু দৰ্ম্মহাৰ হাৰ বান্ধি দিয়ে। ইয়াৰ পাছৰে পৰা যোৰহাট নগৰৰ উচ্চ শিক্ষানুষ্ঠান বিলাকতো প্ৰতিভাশালী আৰু বুদ্ধিদীপ্ত শিক্ষকৰ আকৰ্ষণ বাঢ়িবলৈ ধৰে। শিক্ষকৰ পদ মৰ্য্যাদাও বৃদ্ধি পায়। এটা বৰ আক্ষেপৰ কথা যে, অনুদান আয়োগে মনোনীত কৰা সকলো সা-সুবিধাৰ পৰা অসমৰ কলেজ শিক্ষক সকল আজিও বঞ্চিত হৈ আছে। ইয়াৰ ঘাই কাৰণ হল, অসম চৰকাৰৰ অনীহা আৰু আমোলাতন্ত্ৰৰ প্ৰতিবন্ধকতা। সি যি নহওক, যোৰহাটত কলেজীয়া শিক্ষাই এটা নতুন পৰিবেশ পালে বুলি কব লাগিব। জগন্নাথ বৰুৱা কলেজে ইতিমধ্যে ( ১৯৮২ চন পৰ্য্যন্ত ) অসমৰ সকলো ক্ষেত্ৰতে উপযোগীকৈ কলা, বাণিজ্য, বিজ্ঞান বিষয়ত ৮৩৬৭ জন স্নাতকৰ জন্ম দিছে। যোৱা দশকত এই সংখ্যা আৰু বহুতো বৃদ্ধি পাইছে। ১৯৪৪ চনত, স্বৰ্গীয় মাধৱ চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ উদ্যোগত এটা বাণিজ্য শাখা জগন্নাথ বৰুৱা কলেজত আৰম্ভ কৰা হয়। তেতিয়া পাঠ্যক্ৰমক আই এ ( কম ), বি এ ( কম ), এনে নামেৰে জনা গৈছিল। স্বাধীনোত্তৰ কালত সম্পূৰ্ণ বাণিজ্য শাখালৈ পৰিবৰ্ত্তন হোৱাত অসম চৰকাৰে মাটি ঘৰ আদি দান কৰি এই শাখাটোৰ মৰ্য্যাদা বঢ়াই তোলে।

১৯৪৯ চনৰ ২৬ ফ্ৰেব্ৰুৱাৰীৰ দিনা নগাওঁ নগৰত অসম কলেজ শিক্ষক সংস্থাৰ প্ৰথম অধিবেশন অধ্যাপক আৰ, আৰ, থমাচৰ সভাপতিত্বত বহে। তেতিয়াৰে পৰা এই সংস্থাই বেচৰকাৰী কলেজৰ ঘৰবাৰী, শিক্ষা আৰু শিক্ষকৰ পদমৰ্য্যাদা লৈ অসম চৰকাৰৰ লগত যোগাযোগ কৰি আহিছে। এই সংস্থাৰ হেচাত, পৰিয়ে চৰকাৰে কলেজ শিক্ষকৰ দৰমহা ১০০ টকাৰ পৰা ১৭৫ টকালৈ বৃদ্ধি কৰে। এটা সমীক্ষাৰ পৰা দেখা যায়, দ্বিতীয় মহাসমৰৰ ভয়াবহ অৱস্থাৰ কালছোৱাত যোৰহাটত কলেজ শিক্ষকে ৭৫ টকাৰ বেছি দৰ্ম্মহা পোৱা নাছিল। অৱশ্যে, সেইসকল শিক্ষকৰ প্ৰতিভা অম্লান হৈ আছে।

১৯৫৫ চনত আৰম্ভ কৰা যোৰহাটৰ ছোৱালী কলেজখন প্ৰাথমিক অৱস্থাত কিছু বিপৰ্য্যয়ৰ মাজেদি যাব লগা হোৱা সত্ত্বেও ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে বৃদ্ধি পোৱাত সুহৃদয় ৰাইজৰ দান-বৰঙণিৰে কলেজৰ সৌষ্ঠৱ বৃদ্ধি পায়। লগে লগে পৰীক্ষাৰ ফলাফল আকৰ্ষণীয় হৈ উঠে। ১৯৬০ চনৰ পাছৰ দশকত যোৰহাট আৰু ইয়াৰ আশে-পাশে কাঠফুলাৰ দৰে কলেজ বাঢ়িবলৈ ধৰে। ইয়াৰ ঘাই কাৰণ হল, ১৯৬৫ চনত ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয়ৰ জন্ম। ১৯৫৫ চনৰ পাছত অসমৰ কলেজ শিক্ষকে বিশ্ববিদ্যালয় অনুদান আয়োগৰ দৰ্ম্মহা ( অধ্যক্ষ,-৬০০-৮০০ অধ্যাপক, ২০০-৬০০ ) আৰু

গৃহ নিৰ্ম্মাণ মজুৰী আদিও পাবলৈ ধৰে। ১৯৬২ চনত যোৰহাটত আৰু দুখন কলা শ্ৰেণীৰ কলেজ আৰম্ভ কৰা হয়। এই কলেজ দুখন হল, দি যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজ। দি যোৰহাট কলেজখনত প্ৰথমে অকল নৈশ শাখাহে ৰখা হৈছিল। প্ৰাক্তন মন্ত্ৰী দুলাল চন্দ্ৰ বৰুৱা, ৺বিদ্যাকান্ত বৰুৱা ৺জেহিৰুদ্দিন আহমদ্ প্ৰভৃতি আছিল, এই কলেজ প্ৰতিষ্ঠাৰ গুৰি ধৰোতা। ১৯৭২ চন পৰ্য্যন্ত এটা দশকত সমগ্ৰ অসমতে শতাধিক কলেজৰ জন্ম হয়। একে সময়তে আৰু একে ঠাইতে দুখন কলেজ স্থাপন হোৱাৰ কাৰণ বিচাৰিলে দেখা যায়, গোষ্ঠীগত ৰুচি আৰু দৃষ্টিভঙ্গীৰ পাৰ্থক্য। আন ঠাইত অৱশ্যে, ৰাজনৈতিক হেচা আৰু অঞ্চল বিশেষৰ জনসাধাৰণক সন্তোষ লগাবলৈকে এনে প্ৰচেষ্টা হাতত লোৱা হৈছিল। বৰপেটা মহকুমাত এই সময় ছোৱাত ৭ মাইলৰ ভিতৰতে চাৰিখন কলেজ স্থাপন কৰা হয়। দেশৰ অৰ্থনৈতিক ভেটিৰ সুস্থিৰতা নাথাকিলে এনেদৰে গজি উঠা কলেজ জীয়াই ৰখা টান হয়। আনহাতে, উল্লিখিত কাল ছোৱাত শিক্ষানীতিৰ পৰিবৰ্ত্তন সূচনা কৰিবলৈ নানা পৰীক্ষা নিৰীক্ষাও চলি থাকে। আগৰ দ্বি বাৰ্ষিক পাঠ্যক্ৰমৰ ঠাইত যোৰহাটৰ সকলো কলেজতে তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু এবছৰীয়া প্ৰাক্ বিশ্ববিদ্যালয় পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হল। এনে ব্যৱস্থাৰ পৰা শিক্ষাৰ গুণগত উৎকৰ্ষ সাধন হোৱা দেখা নগল। সমগ্ৰ অসমতে দহ শতাংশ ছাত্ৰই প্ৰথম বিভাগ আৰু ৯০ শতাংশই নিম্ন দ্বিতীয় আৰু তৃতীয় বিভাগ পোৱা দেখা গল।

ওপৰত আমি 'নিউ যোৰহাট কলেজ'ৰ কথা কৈ আহিছো। এইখন কলেজ প্ৰতিষ্ঠাৰ গুৰিতে আছিল 'যোৰহাট এডুকেশ্যন চোচাইটি'। ১৯৬২ চনৰ ১৩ জুলাইৰ দিনা যোৰহাট নগৰৰ গণমান্য কিছু ব্যক্তি লগলাগি এই অনুষ্ঠান আৰম্ভ কৰে। ইয়াত সভাপতি আছিল ডাঃ জীৱকান্ত শইকীয়া, সহকাৰী সভাপতি, এডভোকেট ৺সুৰেন্দ্ৰ নাথ ভৰালী আৰু ডাঃ নীলকমল বেজবৰুৱা আছিল ধন ভৰালী। উচ্চ শিক্ষা দিবৰ কাৰণে যোৰহাট নগৰত এই অনুষ্ঠানে 'নিউ যোৰহাট কলেজ' নাম দি এখন কলেজ স্থাপন কৰিবলৈ সিদ্ধান্ত লয়। এই কলেজৰ শুভাৰম্ভ হয়, ১৯৬২ চনৰ ১৭/১৮ আগষ্টৰ দিনা যোৰহাট তৰাজানৰ 'সুৰেন্দ্ৰ ভৱন' নামৰ দুমহলা ঘৰত। উপযুক্ত শিক্ষক বাছনি কৰি দিনৰ ভাগতে কলা বিভাগত শিক্ষা দানৰ সিদ্ধান্ত লোৱা হয়। সেইমতে, ছাত্ৰ ভৰ্ত্তি কৰি শিক্ষা দিয়া হৈছিল। স্বৰ্গীয় মাধৱ চন্দ্ৰ চক্ৰৱৰ্ত্তীয়ে এই কলেজৰ প্ৰথম অধ্যক্ষ হৈ কলেজখনৰ গুৰি ধৰে। প্ৰয়াত চক্ৰৱৰ্ত্তী আছিল বিদ্যানুৰাগী ব্যক্তি। নিজে বাণিজ্যৰ অধ্যাপক হৈয়ো সংস্কৃত ভাষা বিস্তাৰত গুৰুত্ব দিয়া দেখা গৈছিল। এখেতে ছাত্ৰক সংস্কৃত পঢ়িবলৈ উৎসাহ দি বিনামূলীয়াকৈ পাঠ্যপুথিও বিতৰণ কৰিছিল। উদ্যোক্তাসকলৰ আদৰ্শ বহু পৰিমানে আধুনিক যুগত আমেৰিকাত গজগজীয়া হৈ পৰা 'কমিউনিটি কলেজ'ৰ নিচিনা যেন পৰিলক্ষিত হয়। 'কমিউনিটি কলেজ' (Community College) সমূহ চৰকাৰী নিয়ন্ত্ৰণৰ বা ৰাজনীতিৰ পৰা মুক্ত আৰু প্ৰকৃত শিক্ষাদানত অবিহনা যোগাই আহিছে। এই অনুষ্ঠানবিলাক প্ৰকৃতাৰ্থত বিশ্ববিদ্যালয় বা কলেজ এটাও নহয়। হাইস্কুল আৰু বিশ্ববিদ্যালয়ৰ মাজত বৈ যোৱা শূন্যতাহে এই কলেজ সমূহে

পূৰণ কৰে। বিশেষ জনসমষ্টি বা সম্প্ৰদায় কেন্দ্ৰ কৰি সৃষ্টি হোৱা কাৰণে ইয়াৰ নাম তেনে ৰখা হৈছে। নিৰ্দ্দিষ্ট জনসমষ্টিৰ প্ৰয়োজন পূৰণৰ কাৰণে এই কলেজ বিলাকে সেৱা আগবঢ়ায়। সময়ে সময়ে নিৰ্দ্দিষ্ট বিষয়ত প্ৰশিক্ষণ দি উপযুক্ত নাগৰিক গঢ়ি তোলাৰ ক্ষেত্ৰতো এনে কলেজৰ অৰিহনা আছে। চৰকাৰৰ বিভাগ, শিল্প উদ্যোগ বা বৈজ্ঞানিক ক্ষেত্ৰতো প্ৰয়োজন সাপেক্ষে এই কলেজ বিলাকে সেৱা আগবঢ়ায়। মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰতো ইবিলাকৰ অৱদান কম নহয়। মানৱ সম্পদৰ বিকাশ আৰু অভিজ্ঞতা সমূহ উপযুক্ত পথেদি পৰিচালিত কৰাতো এই কলেজৰ দায়বদ্ধতা নুই কৰিব পৰা নাযায়। (Fortnight, Vol IV, No 14) নিউ যোৰহাট কলেজৰ উদ্যোক্তাসকলেও কলেজখন ৰাজনীতি আৰু চৰকাৰী নিয়ন্ত্ৰণৰ পৰা বাহিৰত ৰখাৰ পৰিকল্পনা কৰিছিল। আমেৰিকাৰ নিচিনা ধনী দেশত এনে কথা সম্ভৱ হলেও, অসমৰ দৰে দুখীয়া দেশত এনে আদৰ্শ প্ৰশংসনীয় হলেও বাস্তৱ ৰূপায়ন সম্ভৱ নহয়। সেয়েহে, কলেজৰ স্বকীয়তা ৰক্ষা কৰিব পৰা নগল। স্বৰ্গীয় জেহিৰুদ্দিন আহমদ আৰু বিদ্যাকান্ত বৰুৱাই আনহাতে এটা সুকীয়া আদৰ্শ লৈ 'দি যোৰহাট কলেজ' খন আৰম্ভ কৰিছিল। সেই আদৰ্শ আছিল, উচ্চ শিক্ষা লবলৈ অৰ্থযোগান ধৰিব নোৱাৰা অথচ বুদ্ধিমান তৰুণ তৰুণী সকলক দিনৰ ভাগত চাকৰি কৰি ৰাতি কলেজত পঢ়াৰ সুযোগ দিয়া। কিন্তু কলেজ কৰ্তৃপক্ষই বুজা নাছিল যে, এখন দেশত কেৱল ৰাতিৰ বেলা পঢ়াই কলেজ ৰাখিব নোৱাৰি। সুশিক্ষাৰ পথত কলেজত প্ৰয়োজন হয়, পাঠাগাৰ, খেল পথাৰ, কিতাপ গৱেষণাগাৰ আদি অনেক। চৰকাৰী সাহায্যৰ অবিহনে এই সকলোবোৰ সম্ভৱ নহয়। সংগঠনত নিষ্ঠা, পৰিকল্পনা আৰু বাস্তৱ জ্ঞান থাকিলেও অৰ্থসাহায্য অবিহনে সুশিক্ষা হব নোৱাৰে। আৰ্থ-সামাজিক বিকাশৰ অঙ্গ হিচাবে লব নোৱাৰিলে যিকোনো শিক্ষাই ফল নিদিয়ে। শিক্ষক সকলো সমাজৰ বিচ্ছিন্ন অংশ নহয়, তেওঁলোকেও উপযুক্ত বেতন নাপালে বা আৰ্থিক স্বচ্ছলতা নাথাকিলে সু-শিক্ষা দিয়াত ব্যৰ্থ হয়।

এই প্ৰসঙ্গত কোৱা উচিত হব যে, ১৯৮৬ চনত ভাৰত চৰকাৰে প্ৰৱৰ্ত্তন কৰিব খোজা নতুন শিক্ষা নীতিও অৰ্থ সাহায্য নাপালে বিফল হব। ১৯৮৬ চনৰ নতুন শিক্ষা নীতিৰ ক্ষেত্ৰত কোৱা হৈছে (শিক্ষাৰ প্ৰত্যাহ্বান) ভাৰতত ৰাষ্ট্ৰীয় উৎপাদনৰ অনুপাতে শিক্ষাত খৰছ কৰা হোৱা নাই। এই ব্যয় তিনি শতাংশতকৈ সামান্যহে বেছি। নতুন আঁচনিত যি উচ্চ শিক্ষাৰ সঙ্কোচন, চাকৰিৰ লগত ডিগ্ৰীৰ সম্পৰ্ক ছেদ, নবোদয় বিদ্যালয় আৰু স্বায়ত্ত শাসিত কলেজ স্থাপনৰ নতুন নীতি উদ্ভাৱন কৰা হৈছে, অৰ্থ সাহায্য দিয়াৰ ক্ষেত্ৰত অনীহা বা ৰাজনীতি আহি পৰিলে, সেই পৰিকল্পনা যে চুৰমাৰ হৈ যাব সি নিশ্চিত। কোনো কোনোৰ মতে শিক্ষা নীতি বিফল হোৱাৰ মূল কাৰণ হল জনবিস্ফোৰণ। হাজাৰ বিজাৰ ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহী যেন দেখা গলেও শিক্ষাৰ গুণগত উৎকৰ্ষ সাধন হব নোৱাৰে। বৰ্দ্ধিষ্ণু জনসমষ্টি ৰোধ কৰাৰ প্ৰচেষ্টা নচলালে এই দিশত সু-ফল আশা কৰিব নোৱাৰি।

যোৰহাট নগৰত বাণিজ্য শিক্ষাৰ কথা আগতে কোৱা হৈছে। স্বৰ্গীয় মাধৱ চক্ৰৱৰ্ত্তীৰ

ত্যাগ আৰু অৱদান আমোল হৈ আছে। ১৯৬৫ চনত তৎকালীন শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱাই যোৰহটীয়া ৰাইজক এখন চৰকাৰী বাণিজ্য মহাবিদ্যালয় দিব বুলি দিয়া ঘোষণাৰ প্ৰতি আদৰণি জনাই প্ৰথমতে যোৰহাটত এই মহাবিদ্যালয়ৰ পাতনি মেলা হৈছিল। কথা চহকী মন্ত্ৰীৰ ঘোষণা বাস্তৱায়িত নোহোৱাত চাহ খেতিয়ক নীলকমল বেজবৰুৱাই নিজ পিতৃ চন্দ্ৰ কমল বেজবৰুৱাৰ নামত বৃজন পৰিমাণৰ পুঁজি এটা আগবঢ়োৱাত, চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয় নামৰ কলেজ প্ৰতিষ্ঠা হয়। বাণিজ্য শিক্ষাৰ দিশত এই খন কলেজে যথেষ্ট অগ্ৰগতি লাভ কৰিলেও, প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী জন্ম দিব পাৰিছে বুলি কব নোৱাৰি। ৺মাধৱ চক্ৰৱৰ্ত্তী এই-খন কলেজৰো প্ৰতিষ্ঠাপক অধ্যক্ষ।

১৯৬৬ চনত, যোৰহাট নগৰৰ সমীপত বাহনা নামৰ ইতিহাস প্ৰসিদ্ধ ঠাইত শ্ৰীতুলাল চন্দ্ৰ বৰুৱা প্ৰমুখ্যে শিক্ষানুৰাগী ব্যক্তি জন দিয়েক লগ লাগি উদীয়মান ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষালৈ লক্ষ্য ৰাখি এই কলেজ স্থাপন কৰে। প্ৰতিষ্ঠাৰ দ্বিতীয় দশকৰ ভিতৰত এই কলেজত শিক্ষকৰ সংখ্যা ৫৮ জনলৈ বৃদ্ধি পায়। অৱশ্যে, সেই অনুপাতে বুদ্ধিদীপ্ত আৰু প্ৰতিভাশালী ছাত্ৰ দেখা নাযায়। ১৯৭৪ চনত এই কলেজত বিজ্ঞান শাখাও খোলা হয়। শ্ৰীৰাম কুমাৰ বৰুৱা এই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ।

১৯৮৫ চনৰ পাছত, উচ্চ শিক্ষা সঙ্কোচন নীতি গ্ৰহণ কৰা সত্ত্বেও, যোৰহাট নগৰৰ সমীপস্থ গ্ৰামাঞ্চলত পাঁচখন কলেজ স্থাপিত হয়। এই প্ৰসঙ্গত স্মৰণীয় যে, ১৯৪৮ চনত ৰাধাকৃষ্ণন আয়োগে (University Education Commission, 1948) অৱশ্যে, গ্ৰামাঞ্চললৈ উচ্চশিক্ষা সম্প্ৰসাৰণৰ অনু-মোদন দিয়া দেখা যায়। এই অনুমোদনৰ লক্ষ্য ১৯৬৪ চনৰ কোঠাৰি আয়োগে কিছু স্পষ্ট কৰি দিছে। কোঠাৰি আয়োগৰ মতে, বিশ্ববিদ্যালয়ৰ লক্ষ্য হল,— সামগ্ৰিকভাবে জগতৰ বিষয়ে, লগতে নিজৰ মন আৰু দেহ সম্বন্ধীয় জ্ঞান আহৰণ কৰা, আৰু সমাজৰ জৰিয়তে সেই জ্ঞান মানৱোন্নয়নত প্ৰয়োগ কৰা। এই দৃষ্টিকোণৰ পৰা পৰীক্ষা কৰি চালে আমি উদীয়মান কলেজ সমূহত প্ৰতিভাশালী শিক্ষক আৰু তেওঁলোকৰ বৌদ্ধিক অনুশীলন দেখা নাপাওঁ। নগৰৰ কলেজ সমূহত কৃতকাৰ্য্য হব নোৱাৰা বা নিম্ন তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা মুষ্টিমেয় ছাত্ৰৰ দ্বাৰা এনে কলেজ অতি কষ্টেৰে পৰিচালিত কৰিব লগা হয়। ইয়াত অৰ্থৰ অভাৱত উপযুক্ত শিক্ষক নিযুক্তি দিব নোৱাৰি। আনহাতে, বিশ্ববিদ্যালয় অনুদান আয়োগৰ মানদণ্ড ৰক্ষা কৰিব নোৱাৰা কিছুমান শিক্ষক নিয়োগ কৰিব লগাও হয়। ইয়াৰ পৰিনাম সুদূৰপ্ৰসাৰী। তদুপৰি, নগৰ-চহৰ,— সকলোতে এক শ্ৰেণীৰ উদভ্ৰান্ত, অধ্যয়ন বিমুখ ছাত্ৰৰে ভৰি পৰিছে। এনে ছাত্ৰৰ কোনো পাৰি-বাৰিক বা সামাজিক দায়বদ্ধতা দেখা নাযায়। এওঁলোকক অৱক্ষয়ী মূল্যবোধ আৰু অপসংস্কৃতিৰ ধাৰক বুলি কব পাৰি। যধে-মধে গঠন কৰা কলেজ-বোৰত এনে শ্ৰেণীৰ ছাত্ৰই সুযোগ লোৱাতো আজি কিছু বছৰৰ পৰা পৰিলক্ষিত হৈছে। ১৯৮৬ চনৰ নতুন শিক্ষানীতি অনুসৰি উচ্চশিক্ষাৰ সঙ্কোচনৰ কথা দোহৰা চৰকাৰেই দলীয় স্বাৰ্থত বা সস্তীয়া জনপ্ৰিয়তা লাভৰ আশাত এনে কলেজত কিছু আৰ্থিক সাহায্য দি অপশিক্ষা আৰু অপসংস্কৃতি সৃষ্টি কৰাত সহায়ক হৈছে। ৰাধাকৃষ্ণন আয়োগৰ

উদ্দেশ্য বা কোঠাৰি কমিচনৰ সদিচ্ছা সম্পূৰ্ণ অপপ্ৰয়োগ অসমতে হোৱা দেখা গৈছে।

কাৰিকৰী আৰু কৃষি ক্ষেত্ৰতো যোৰহাট পাছ পৰি থকা নাই। অৱশ্য 'বিজ্ঞান কলেজ' আৰু কাৰিকৰী কলেজ দুটা চৰকাৰৰ নিজা উদ্যোগত স্থাপন কৰা হৈছে। অসমৰ প্ৰথম কৃষি কলেজ আৰু বিশ্ববিদ্যালয়খনো যোৰহাটতে স্থাপন কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত আঞ্চলিক গৱেষণাগাৰটোৱেও বিজ্ঞান বিষয়ত গৱেষণা আৰু শিক্ষালাভৰ ক্ষেত্ৰত প্ৰভূত অৰিহনা যোগাই আহিছে। ইয়াত পোনপতীয়াকৈ পৰীক্ষা-লোৱা বা উপাধি দিয়া নহয় যদিও, গৱেষণাৰ সুযোগ আগবঢ়োৱা দেখা গৈছে। ১৯৪৮ চনত যোৰহাটত অসম কৃষি কলেজ স্থাপন কৰা হয়। একেসময়তে নগাঁৱতো পশু চিকিৎসা কলেজ (Veterinary College) এখন আৰম্ভ কৰা হয়। পাছলৈ নগাঁৱৰ কলেজ খনকে গুৱাহাটীৰ খানাপাৰালৈ স্থানান্তৰ কৰা হয়। ১৯৬৮ চনত অসম কৃষি বিশ্ববিদ্যালয় আইন গ্ৰহণ কৰা হ'লত, এই কলেজ সমূহলৈ, ১৯৬৯ চনত যোৰহাট অসম কৃষি বিশ্ববিদ্যালয় খনৰ শুভাৰম্ভ কৰা হ'ল। এই বিশ্ববিদ্যালয়ে শিক্ষা দান, গৱেষণা, আৰু প্ৰযুক্তি বিদ্যাৰ সম্প্ৰসাৰণৰ কাম হাতত লৈছে। কৃষি বিজ্ঞান, পশু চিকিৎসা বিজ্ঞান, মীন পালন আদি চৰ্চাৰ ওপৰত বিশ্ববিদ্যালয়খনে গুৰুত্ব দি আহিছে। এই বিশ্ববিদ্যালয়ৰ অধীনত ৬ টা কৃষি গৱেষণা কেন্দ্ৰ, ২ টা কৃষি পাম গৱেষণা আৰু এটা কুঁহিয়াৰ গৱেষণা কেন্দ্ৰ আছে। ইয়াৰ বাহিৰেও পশুধন আৰু ভূমি (Soil) গৱেষণাৰ কামো হাতত লোৱা হৈছে। ১৯৭৩ চনত এই বিশ্ববিদ্যালয়ৰ অধীনত গৃহ বিজ্ঞান (Home Science) কলেজ এখনো স্থাপন কৰা হয়। প্ৰথম অৱস্থাত ইয়াত ২৫ গৰাকী ছাত্ৰী আছিল যদিও, বৰ্ত্তমান এই সংখ্যা দুগুণৰো বেছি হৈছে।

১৯৬০ চনত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় খন ৬০ জন ছাত্ৰৰে চৰকাৰে আৰম্ভ কৰে। বৰ্ত্তমান ছাত্ৰ সংখ্যা ২০০ জনৰো অধিক হৈছে। ইয়াত চিভিল, ইলেকট্ৰিকেল মেকানিকেল আদি বিষয়ত শিক্ষা দিয়া হৈছে। ৰসায়ন, পদাৰ্থ বিজ্ঞান, গণিত আদিৰ দৰে সহায়ক বিষয়ো ৰখা হৈছে।

১৯৭২ চনৰ পাছত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ইংৰাজীৰ পৰিবৰ্ত্তে কলেজ সমূহত অসমীয়া মাধ্যম প্ৰৱৰ্ত্তন কৰে। ইয়াৰ দ্বাৰা শিক্ষাৰ ক্ষেত্ৰত গুণগত উন্নয়ন হ'ব বুলি ধৰা হৈছিল। যোৰহাটৰ কলেজ বিলাকত এই ব্যৱস্থাই অনিষ্ট কৰাহে পৰিলক্ষিত হৈছে। নতুন চাম ছাত্ৰই ইংৰাজীৰ কথাই নাই, মাতৃভাষাতো উত্তৰ লিখিব নজনা হৈ পৰিছে। তেওঁবিলাকৰ বৃহৎ সংখ্যকে অসমীয়া বা বঙালী লিখিলে প্ৰায়ে দুৰ্বোধ্য হৈহে পৰে। আনহাতে, জ্ঞানৰ পুথি শতকৰা ৯০ ভাগেই ইংৰাজী ভাষাত লিখা। এই সকলো পুথি অসমীয়ালৈ অনুবাদ কৰা সম্ভৱ নহয়। পুথিভঁৰালত থকা গভীৰ জ্ঞানৰ ইংৰাজী পুথি বোৰ নতুন চামৰ বাবে অস্পৃশ্য হৈছে। বস্তুত শিক্ষকেও আজিকালি পুথি পঢ়া অভ্যাস এৰি দিয়া দেখা গৈছে। ই বৰ পৰিতাপৰ বিষয়। দুই চাৰিজন মেধা ছাত্ৰ-ছাত্ৰীৰ বাহিৰে বেছি ভাগ অধ্যয়ন বিমুখ হৈ পৰিছে। আনহাতে বিশ্ববিদ্যালয়ৰ অনুমোদিত কিতাপ বেছিভাগ ইংৰাজী ভাষাত

লিখা। এই পাণ্ডিত্যপূৰ্ণ মূল গ্ৰন্থবিলাক বজাৰত নাই, পালেও ছাত্ৰই পঢ়িবলৈ সাহ কৰিব নোৱাৰে। এনে সমস্যা ভাৰতৰ অন্যান্য ৰাজ্যতো উদ্ভৱ হোৱা বুলি জনা গৈছে। উচ্চ শিক্ষাৰ পথত এই সমস্যা এক অন্তৰায় হৈ পৰিছে।

বিশ্ববিদ্যালয় সমূহৰ মাজত সমন্বয়হীনতা মন কৰিব লগা বিষয়। আজিকালি যাতায়াতৰ সুবিধা হোৱা দিনত শিক্ষকসকলৰ মাজত বুজাবুজি বা বদলাবদলি হোৱাৰ প্ৰয়োজন আছিল। ভাৰতৰ হেজাৰ বিজাৰ কলেজত বা বিশ্ববিদ্যালয়ত শিক্ষকৰ বদলি ব্যৱস্থা (Transfer) নাই। সেয়েহে উচ্চ শিক্ষাত কোনো জাতীয় ভিত্তি নাই (National base) শিক্ষকৰ বদলি ব্যৱস্থা নহলে এনে ভিত্তি ৰচনা কৰিব নোৱাৰি। আন এটা কথাও এই প্ৰসঙ্গত দৃষ্টিগোচৰ হৈছে। ভাৰতৰ সকলো ঠাইতে পাঠ্যক্ৰম আৰু মূল্যায়নৰ ব্যৱস্থা একে নহয়। ছাত্ৰৰ কাৰণে ই এটা গভীৰ সমস্যা হৈ পৰিছে। উদাহৰণ স্বৰূপে এজন বঙালী ছাত্ৰই কলিকতাৰ পৰা আহি অসমত আচহুৱা পাঠ্যক্ৰম আৰু মূল্যায়ন নীতিৰ সন্মুখীন হব। কলিকতা বিশ্ববিদ্যালয়ত এম, এ পৰীক্ষাত ৪০ শতাংশ নম্বৰ পালে দ্বিতীয় শ্ৰেণী পায়, কিন্তু অসমত ৪৫ শতাংশ নম্বৰ হলেহে দ্বিতীয় শ্ৰেণীৰ উপযুক্ত হয়। আহমেদাবাদৰ Indian Institute of Management নামৰ অনুষ্ঠানটোৰ এম, বি, এ পাঠ্যক্ৰম, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ লগত মিল নাই। অসমতো, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান অৰ্থনীতিৰ পাঠ্যক্ৰম বহুতো বেলেগ। এনে সমন্বয়হীনতা জাতীয় ভিত্তিৰ অবৰ্ত্তমানতে হোৱা বুলি কব লাগিব।

শিক্ষাৰ ক্ষেত্ৰত স্বাধীনোত্তৰ যুগত, ১৯৪৮ চনত ৰাধা কৃষ্ণন আয়োগ, ১৯৫২ চনত মুদালিয়াৰ আয়োগ আৰু ১৯৬৪ চনত কোঠাৰি আয়োগ গঠন কৰা হল। এই আয়োগ সমূহৰ সুপাৰিশ বিলাক মূল্যহীন নহয় মাত্ৰ বাস্তবায়িত কৰিবলৈ চৰকাৰৰ আগ্ৰহ আৰু ধন নাই। চৰকাৰৰ হাতত স্বাৰ্থ জড়িত কামত খৰছৰ বাবে কোটি কোটি টকা আছে, শিক্ষাৰ কাৰণেহে ধনৰ অভাৱ। সঁচা কথা হল, এক শ্ৰেণীৰ স্বাৰ্থই যুগ যুগ ধৰি ভাৰতত উচ্চ শিক্ষাৰ পথত অন্তৰায় হৈ আহিছে। তাহানিৰ আওপুৰণি ব্যৱস্থাটোৰ মৌলিক পৰিবৰ্ত্তন সাধনৰ কাৰণে চৰকাৰ আগ্ৰহী নহয়। এনে আওপুৰণি ব্যৱস্থাটোৱে ইফাল সিফাল কৰি নিজৰ স্বাৰ্থ অটুট ৰাখিছে ইয়াৰ ফলত শিক্ষিতৰ সংখ্যাত ভাৰসাম্য হেৰাই গৈছে। সৰু সৰু অঞ্চলবোৰ ক্ষতিগ্ৰস্থ হৈছে আৰু দেশৰ ১৬ কোটি ডেকা-গাভৰু কৰ্মহীন ৰোগত আক্ৰান্ত হৈ পৰিছে। সেয়েহে, বহুতে বৰ্ত্তমান শিক্ষা ব্যৱস্থাক বিলাসিতা ( luxury ) আৰু সন্দেহ যুক্ত মূল্যৰ বুলি কব খোজে।

# খেল-ধেমালি
# অতীত আৰু বৰ্ত্তমান

**তৰুণ সভাপণ্ডিত,** প্ৰাক্তন খেলুৱৈ, যোৰহাট

খেল-ধেমালি যে এটা অপৰিহাৰ্য্য বিষয় তাক সকলোৱে মানি লৈছিল আৰু লৈছে। মহাভাৰত ৰামায়ণৰ যুগৰ পৰাই এই খেল-ধেমালি প্ৰতিযোগিতা চলি আহিছে। এটা সুস্থ সবল জাতি খেলা-ধুলাৰ যোগে গঠন কৰা হয়। সেই একে উদ্দেশ্যে গ্ৰীক দেশত অলিম্পিক আৰম্ভ কৰিছিল। আমি সেই সময়ৰ পৰা কিছু পিছলৈ আহি আমাৰ অসমত ৰংঘৰৰ বাকৰিত স্বৰ্গদেউ সকলৰ পৃষ্ঠপোষকতাত হাতী যুঁজ মহযুঁজ শেন যুঁজ মাল যুজ, বুল বুল চৰাইৰ যুঁজ, হুচৰি প্ৰতিযোগিতা আদিৰ প্ৰচলন আছিল। আজি ছশ বছৰৰ আগতে বৰ্ত্তমানৰ খেল চোৰা আৰু খেল পথাৰ আহোম স্বৰ্গদেউ সকলে তৈয়াৰ কৰি খেল চোৰা আৰু খেলাৰ বাট মুকলি কৰিছিল। তাৰ প্ৰমাণ ৰংপুৰত থকা ৰংঘৰ। পঞ্চপাণ্ডৱ অৰ্জ্জুনে লক্ষ্য ভেদ কৰি দ্ৰৌপদীক পাইছিল। কোনো কোনোৱে সেই সময়ত ৰাজকন্যা সহ ৰাজ্যও পাইছিল। আজি কালি সেই ৰামো নাই অযোধ্যাও নাই। তাৰ পৰিবৰ্ত্তে কাপ-চিল্ড, চাৰ্টিফিকেট প্ৰচলন হ'ল। সেই সময়ত সেইবোৰ ৰজাৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা খেল আছিল।

এইবোৰ খেলৰ পিচতে আমাৰ ইয়াৰ মানুহে খেলিবলৈ লৈছিল, গোলোকধাম, পাশা কড়ি এইবোৰ ঘৰৰ ভিতৰত খেলা খেল। বাহিৰত খেলা খেল সমূহ আছিল, নাওঁ খেল, মালযুজ, টাংগুটি, গছকুমটি, ঘিলাখেল, হুতুগুতু খেল, গেনবল, ফুটবল ভলীবল, হকী খেল পিচলৈ ক্ৰীকেট খেল। আমি যেতিয়া ১৯২৭/২৮ চনত প্ৰথম পঢ়াশালিলৈ যাওঁ তেতিয়া আমাৰ বিদ্যালয়ত (Practicing School) ফুটবল খেল, ব্যায়াম, লেজিম কছৰৎ আদি খেলাৰ নিয়ম আছিল। পুৱা বেলা আমি প্ৰায়েই টাংগুটি খেলিছিলো। শনিবাৰে বা বিদ্যালয় সোনকালে ছুটি হলে আমি বৰ্ত্তমান ষ্টেডিয়ামৰ কাষত থকা গছত গছকুমটি খেলিছিলো। ফুটবল গেনবল (হকী) আৰু ক্ৰীকেট খেলো খেলিছিলো। গেনবলটো বাহৰ মুঢ়াৰে তৈয়াৰ কৰি লোৱা হৈছিল। গেন দালো বাহৰ গুৰিৰে তৈয়াৰ কৰি খেলা মনত আছে। ক্ৰীকেট খেল আমি টেনিচ বল দি কাঠৰ বেট এখন সাজি খেলিছিলো। বল তলেদি আৰু ঘুৰাই দিও খেলা হৈছিল। কাছাৰী পথাৰ আৰু বৰ-চাহাবৰ বঙলাৰ পিচফালে থকা পথাৰত আমি খেলিছিলো। ইয়াৰ বাহিৰেও সেই সময়ত খেলাৰ পথাৰ ভালে কেইখন ইফালে সিফালে আছিল।

যোৰহাট চহৰখন বৰ সৰু আছিল। ইংৰাজ সকলে এই নগৰখন আটকধুনীয়াকৈ সজাই পৰাই

লৈছিল। ৺কাশীনাথ শইকীয়া মহোদয়ে বিজুলী বাতি অনাৰ আগতে যোৰহাটত ৰাস্তাৰ মূৰে মূৰে পানীকল আৰু কেৰাচিন তেলৰ লেম্প জ্বলোৱা হৈছিল। তিনিচুকীয়া পুখুৰীৰ পৰা পানী যোগানৰ ব্যৱস্থাও আছিল। যান বাহন বাইচাইকেল আৰু দুই এখন ফৰ্ডট্ৰাৰ গাড়ী আছিল। যোৰহাটৰ পৰা গুৱাহাটীৰ ফালে যাব লগা হলে যোৰহাট প্ৰভিন্সিয়েল ৰেলত উঠি মৰিয়নিৰ পৰা ডাঙৰ ৰেলত উঠি যাব লগা হৈছিল। ৰাস্তাবোৰ শিল গুটি দিয়া আছিল। মোৰ মনত আছে আমি এবাৰ শিৱসাগৰলৈ বিয়া এখনত গৈছিলো। গাড়ীখন ফৰ্ডট্ৰাৰ। ৺তিলক বৰা ডাঙৰীয়াৰ গাড়ী। গাড়ীৰ চকাত শিকলি বন্ধা আছিল। কাকজান নে টিয়কৰ ওচৰত বৰষুণ দি থকা বাবে আমি যোৱা গাড়ীখন পুবমুৱাৰ পৰা পশ্চিমলৈ পিচলি ঘুৰি গৈছিল। শিকলি থকা বাবে খাৰৈত নপৰিল।

সেই সময়ত চাৰ্কাচ পাৰ্টি অহা দেখা পাইছিলো। ৰামমূৰ্ত্তীয়ে মাটিৰ তলত ৪৮ ঘণ্টা সোমাই আছিল। কোনোবা এজনে ৫০/৬০ ফুট ওখৰ পৰা গাত পেট্ৰল ঢালি জুই জ্বলাই তলত থকা পানীৰ চৌবাচ্চাত পৰিছিলহি। এইবোৰো একো একোটা অদ্ভুত খেল আছিল। বাগানৰ চাহাববোৰে (Assam Valley Light Horse) মাজে মাজে ঘোঁৰাত উঠি যুদ্ধৰ আখৰা কৰিছিল। যোৰহাটৰ জিমখানা ক্লাৱত ঘোঁৰা দৌৰ হৈছিল। এই ঘোৰা দৌৰ চাবলৈ মানুহৰ ভিৰ হৈছিল।

**ফুটবল খেল—**

আমাৰ ইয়াত ফুটবল খেলৰ প্ৰচলন বহুত দিনৰ আগৰে পৰাই আছিল। ফুটবল নাপালে আমি ৰবাৰ টেঙাৰে ফুটবল খেলিছিলো। দ্বিতীয় মহাসমৰৰ আগতে যোৰহাটত ভালেমান ক্লাবে ফুটবল খেলিছিল। এই ক্লাব সমূহ আছিল, কহিনুৰ ক্লাব, স্পৰ্টিং ইউনিয়ন ক্লাব লক্ষী ইউনিয়ন ক্লাব বৰিগাওঁ, চাইদিং টাউন ক্লাব, পুলিচ ক্লাব, মিচন স্কুল, টোকোলাই জেইল ৰোড ক্লাব নৰ্মাল স্কুল আদি দলবোৰে খেলিছিল। মানিক বৰা মেমৰিয়াল চিল্ড, হক মেমৰিয়াল, সৰোজ মেমৰিয়াল সোমেশ্বৰ শৰ্ম্মা মেমৰিয়াল, চন্দ্ৰ নাৰায়ণ চিল্ড আদিৰ খেলবোৰ হৈছিল। ইয়াৰ বাহিৰেও বালিগাওঁ বৰিগাওঁ সৰ্ব্বাইবন্ধা আদিতো ফুটবল প্ৰতিযোগিতা হৈছিল। বাগান বোৰতো ফুটবল খেলৰ প্ৰতিযোগিতা পাতিছিল। এই খেলবোৰ পতাত সক্ৰিয় অংশ লৈছিল ৺জেহিৰুদ্দিন আহমদ ৺টঙ্কেশ্বৰ চলিহা ৺মানিক বৰুৱা ৺ৰুদ্ৰ বৰুৱা আদিয়ে। খেলুৱৈ সকল আছিল ৺খেতেক বৰুৱা ৺কুল বৰুৱা ৺অম্বিকা ফুকন ৺সাৰদা বৰুৱা ৺বাবু ৺দেবেশ্বৰ নেওগ ৺অনঙ্গ খাউণ্ড ৺তোলন শইকীয়া ৺শশী দত্ত আদি অনেক। পিচৰ চাম খেলুৱৈ সকল ৺মানিক বৰুৱা ৺ৰাজ কুমাৰ নগেন্দ্ৰ নাৰায়ণ সিংহ ৺নবীন চাহাৰ ৺চাহ আলম ৺আটাউৰ ৰহমান ৺মতিউৰ ৰহমান ৺যজ্ঞেশ্বৰ গোহাঁই ৺টোফা ৺পৰেশ বৰুৱা শ্ৰীনাথ গোস্বামী শ্ৰীৰেবতী বৰুৱা ৺জয় দাস ৺ৰত্ন পাল দাস ডাঃ টালি মেৰাইণ আৰু ৺বেঞ্জামিন শ্ৰীলোক নাথ শইকীয়া ৺বিনোদ দত্ত ৺নন্দেশ্বৰ শইকীয়া শ্ৰীশিৱ বৰুৱা আদি অনেক কৃতী খেলুৱৈ ওলাইছিল। ১৯৪৭ চনত অসম ফুটবল সন্থা গঠন কৰাৰ পিচৰে পৰা যোৰহাট জিলা ক্ৰীড়া সন্থাই ফুটবল খেলৰ মান উন্নত কৰিবৰ কাৰণে চেষ্টা চলাই আহিছে আৰু ইতিমধ্যে বহু কৃতিমান খেলুৱৈ ওলাই অসম-দলত স্থান লবলৈ সমৰ্থ হৈছে। বিদ্যালয় সমূহৰ

টুৰ্ণামেণ্টৰ পৰা আৰম্ভ কৰি আজিলৈকে ফুটবল খেল বোৰৰ বেছি প্ৰাধান্য দিয়া দেখা গৈছে আৰু এই খেলবোৰ চোৱা দৰ্শকো বেছি হৈছে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ অধীনত এ আৰু বি ডিভিজন ফুটবল লিগ, খেল আৰু ইয়াৰ চাব এচচিয়েচন বোৰেও নিজা বৰীয়াকৈ খেল পাতি আছে। এ টি পি এ আমন্ত্ৰণ মূলক খেল খনো অতি সুচাৰু ৰূপে চলি আহি দুই চাৰিজন ভাল খেলুৱৈ ওলাইছে। আমি আশা ৰাখিছো বৰ্ত্তমান বিজ্ঞান ভিত্তিত অনুশীলনৰ ব্যৱস্থা কৰিব পাৰিলে অসমেও ফুটবলত ৺শৰৎ দত্ত শ্ৰীটালি মেৰাইণ আওৰ নিচিনা আৰু বহুতো খেলুৱৈ বাহিৰ কৰিব পাৰিব।

ক্ৰীকেট ঃ

ক্ৰীকেট খেল ১৯১০/১১ চন মানৰে পৰা ইয়াত খেলিছিল বুলি অনুমান হয়। আমাৰ সৰু কালত ১৯৩০-৩১ চনত আমি কাঠৰ বেত এচটা বনাই টেনিচ বল দি ক্ৰীকেট খেলা আৰম্ভ কৰিছিলো পিচতহে ক্ৰিকেট বল দি আমাৰ মাজত প্ৰতিযোগিতাও হৈছিল। যোৰহাট নগৰৰ মাজত আৰু জিমখানা ক্লাবত ক্ৰীকেট খেল খেলিছিল। সেই সময়ত গোটেই কেছাৰি পথাৰখন খোলা আছিল। এই পথাৰৰ উত্তৰ দিশত ক্ৰীকেট আৰু ফুটবল খেলৰ পথাৰ আছিল। পিছলৈ বৰ্ত্তমান ষ্টেডিয়ামৰ পূব ফালে তাৰৰ বেৰা দি দুখন খেলৰ পথাৰো আছিল। আমাৰ দিনত ভৰিৰ পেদ আৰু হাতৰ মোজাহে আছিল। ধুতি চাৰ্ট পিন্ধিহে ক্ৰীকেট খেলা হৈছিল। পিচলৈহে পেণ্ট চাৰ্ট পিন্ধি খেলা হৈছিল। J.P. Railway ৰ station master Mr. Both, Settlement officer C. K. Rudder টোকলাইৰ C.J. Harrison এই খেল প্ৰথমে ইয়াত আৰম্ভ কৰিছিল। জিমখানা ক্লাবত চাহাববোৰে ইয়াৰ আগৰে পৰা খেলিছিল। ইয়াৰ পিচতে ৺মাণিক চন্দ্ৰ বৰুৱা ৺জেহিৰুদ্দিন আহমদ ৺পৰশু ৰাম দত্ত ৺ জয় বৰুৱা টাউন ক্লাব গঠন কৰি জিউৰাম ক্ৰীকেট চন্দ্ৰ নাৰায়ণ চিল্ডৰ খেল আৰম্ভ কৰে। জিউৰাম চিল্ডখন বৰ্ত্তমান দহাবৰা চুকুৰ বৰা পৰিয়ালৰ পৰা দিছিল আৰু চন্দ্ৰ নাৰায়ণ চিল্ডখন ৰজাঘৰৰ পৰা দিছিল। ইয়াৰ উপৰি উজনি অসমৰ বিদ্যালয় সমূহৰ টুৰ্ণামেণ্ট প্ৰতিযোগিতাবোৰ বৰ আকৰ্ষণীয় হৈ পৰিছিল। যোৰহাট জিলা ক্ৰীড়াসন্থা স্থাপন হোৱাৰ পিচত এই খেলবোৰ নিয়মমতে পৰিচালিত হৈ পৰিচালিত হৈছিল। যোৰহাট জিলাৰ ক্ৰীড়া সন্থাৰ সভাপতি ৺জেহিৰুদ্দিন আহমদচাৰ আৰু প্ৰধান সম্পাদক ৺টঙ্কেশ্বৰ চলিহা আছিল। যোৰহাটৰ ক্ৰীকেট খেল অসমৰ ভিতৰতে অগ্ৰণী আছিল। ৺শশী বৰুৱা ৰাজকুমাৰ নগেন্দ্ৰ নাৰায়ণ সিংহ ৺বি আৰ কেৰকেৰা ৺ লক্ষীনাথ ফুকন শ্ৰীশশী বৰবৰুৱা চিত্ত দাস ৺নবিন চাহাব এখেত সকলৰ যত্নত ইয়াৰ পৰা বহুতো ভাল ক্ৰীকেট খেলুৱৈ ওলাইছিল। টুৰ্ণামেণ্টৰ পৰা বাচি বাচি অসম ভেলীৰ এটা ক্ৰীকেটদল বাচি উলিয়াই চুৰমা ভেলীৰ লগত ফুটবল ক্ৰীকেট ভলীবল আদিৰ খেল হৈছিল। এই খেলবোৰ বৰ্ত্তমান বাংলাদেশৰ চিনেটত আৰু গুৱাহাটীত হৈছিল। যোৰহাটৰ পৰা বাচনিত উঠা কোনোবাৰ ৬/৭ জনেও এই খেল খেলাৰ সুবিধা পাইছিল। এই লিখকেও খেলাৰ সুবিধা পাইছিলো। পিচলৈ ৺শশী বৰুৱাই দুজন প্ৰশিক্ষক আনি ( গিৰিধাৰী আৰু ফ্ৰেঙ্ক ) তেখেতৰ ঘৰতে এখন Pitch বনাই প্ৰশিক্ষণ দিয়াইছিল। তেখেতৰে সুযোগ্য পুত্ৰ শ্ৰীমাধুয্য

বৰুৱাই এই প্ৰশিক্ষণৰ যোগে এজন কৃতি খেলুৱৈ হিচাবে ভাৰতীয় দলত (East zone) খেলাৰ সুবিধা পাইছিল। অসম ক্ৰীকেট সন্থা ১৯৪৮ চনত গঠন হয়। এই সন্থাৰ যোগে জিলা ভিত্তিত ক্ৰীকেট খেল-বোৰ পৰিচালনা কৰি আছে। যোৰহাট জিলা ক্ৰীড়া-সন্থাও A.B. ডিভিজন খেল খেলাই আছে। আজি কালি ক্ৰীকেট খেলৰ পৰিসৰ বৃদ্ধি হৈ চহৰে নগৰে গাৱেঁ-ভূঞে চলি আছে।

**ভলীবল খেল ঃ**

১৯৩৬ চনতে বিদ্যালয় সমূহৰ টুৰ্ণামেণ্টত ৰছি টনা প্ৰতিযোগিতাৰ পৰিবৰ্ত্তে ভলিবল খেলৰ প্ৰচলন হয়। তেতিয়া ভলীবল ৯ জন খেলুৱৈয়ে খেলিছিল। ১৯৩৮ অসম অলিম্পিকত ভলীবল খেল আছিল। যোৰহাটৰ দলে ইয়াত অংশ গ্ৰহণ কৰি ডিব্ৰুগড়ত নগাওঁ জিলাক হৰুৱাই বিজেতাৰ সন্মান পাইছিল। ১৯৪১ চনত যোৰহাটত হোৱা অলি-ম্পিকত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ক্লাব দলে যোৰহাটক হৰুৱাইছিল। পুৰণা ভলীবল খেলুৱৈসকল আছিল ১৯৩৮ চনত ডিব্ৰুগড়ত অলিম্পিকত অংশ গ্ৰহণ কৰা শ্ৰীননী গোপাল বৰুৱা ৺বছৰুদ্দিন আহমেদ অপূৰ্ব ৰাজ কুমাৰ, বদন বৰুৱা দুৰ্গা দাস শৰ্ম্মা ঘনকান্ত শৰ্ম্মা গুবিন কলিতা লক্ষ্মীভূষণ বৰুৱা, ৰেব শইকীয়া। ১৯৪২ চনত অসমত এটা ভলীবলৰ দল পাঞ্জাবৰ লাহোৰত ভাৰতীয় অলিম্পিক প্ৰতি-যোগিতাত অংশ গ্ৰহণ কৰিছিল। তেতিয়া পাকি-স্তানৰ জন্ম হোৱাই নাছিল। ১৯৫৫ চনত অসম ভলীবল সন্থা গঠন হয়। ১৯৪৫ চনত প্ৰথম আন্তঃ জিলা ভলীবল প্ৰতিযোগিতা আৰম্ভ হৈছিল। প্ৰথমে এই খেল পুৰুষ সকলেহে খেলিছিল পিচতহে মহিলা সকলেও এই খেল খেলিবলৈ লয় ১৯৭১ চনৰে পৰা। আজি কালি ভলীবল খেল চহৰে-নগৰে গাৱেঁ-ভূঞে প্ৰতিযোগিতা পাতি এই খেল চলি আছে। এই ভলীবল খেল ফুটবল ক্ৰীকেটৰ দৰে নৈশ আলোকত (Flood light) ত খেলে। অসম ভলীবল সন্থাই পুৰুষ মহিলাৰ তিনি ভাগত জিলা ভিত্তিত এই খেলা প্ৰতি বছৰে খেলাই আছে। (Men, Junior, Sub Junior)। এই খেলৰ পৰিসৰ যদিও বৃদ্ধি হৈছে তথাপি সৰ্ব্বভাৰতীয় পৰ্য্যায়ত অসমৰ পৰা কোনো খেলুৱৈ ওলোৱা নাই। আমি আশা ৰাখিছো অনুশীলন ধৈৰ্য্য একাগ্ৰতা আৰু খেলৰ প্ৰতি একান্ত ভাবে লাগি থাকিলে সৰ্ব্বভাৰতীয় দলত এদিন স্থান পাব।

এই খেলবোৰৰ বাহিৰেও যোৰহাটত টেবুল টেনিচ বেডমিনটন, টেনিচ খেল, ব্ৰীজ খেল, চেচ হেণ্ডবল বাস্কেটবল আদিৰ খেল একো একোখন সন্থাৰ দ্বাৰা পৰিচালিত হৈ আছে। সংগঠনবোৰ সক্ৰিয় হৈ উঠিলে খেলুৱৈ সকলৰ মনোবল বাঢ়িলে যোৰহাটৰ পৰা বহুত ভাল খেলুৱৈ ওলাব বুলি আশা কৰা যায়।

# যোৰহাট কলেজ ঃ অতীত আৰু বৰ্ত্তমান

যোৰহাট কলেজৰ অতীত আৰম্ভ হয় ১৯৬০-৬১ চনত। সেই সময়ত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ নৈশ শাখাত পঢ়া এদল ছাত্ৰৰ মনত এনে এটা ধাৰণাৰ সৃষ্টি হয় যে নৈশ শাখাটো দিবা মহাবিদ্যালয়ৰ এলাগী শাখা হৈ থকাতকৈ পৃথক মহাবিদ্যালয় হ'লে এনে শাখাত পঢ়াসকলৰ আশা-আকাঙ্ক্ষা পূৰণত বেছি ফলপ্ৰসূ হ'ব। এই ক্ষেত্ৰত নৈশ শাখাৰ ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকল আৰু সেই সময়ৰ নৈশ শাখাৰ সম্পূৰ্ণ নিয়মীয়া শিক্ষক কেইজন মানৰ মাজত আলাপ-আলোচনা চলিল। শেষত স্থিৰ হ'ল যে এই বিষয়ে এখন ৰাজহুৱা সভা পাতি ৰাইজৰ মতামত লোৱা হওক। ১৯৬০ চনৰ ভাষা আন্দোলনৰ প্ৰকোপত কিছুদিনলৈ এনেবোৰ চিন্তা তলপৰি থাকিল। ১৯৬১ চনৰ মাজ ভাগত পুনৰ পৃথক নৈশ মহাবিদ্যালয় পতাৰ চিন্তা আগবাঢ়িল। সেই বছৰৰ পূজা বন্ধতে এখন ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত হ'ল।

শংকৰদেৱ চেমিনেৰীত পতা এই ৰাজহুৱা সভাত এশৰো অধিক লোক গোট খাইছিল। সভাত সভাপতিত্ব কৰিছিল অধিবক্তা ৺সুৰেন্দ্ৰ নাথ ভঁৰালী ডাঙৰীয়াই। এই সভাতে যোৰহাটত 'যোৰহাট কলেজ' নাম দি এখন পৃথক নৈশ মহাবিদ্যালয় পতাৰ সিদ্ধান্ত লোৱা হয়। এই উদ্দেশ্যে পতা তদৰ্থ সমিতিৰ যুটীয়া আহ্বায়ক পতা হয় ৺অনিল চন্দ্ৰ বৰুৱা আৰু শ্ৰীযুত সুৰেন্দ্ৰ নাথ বৰদলৈক। সদস্য আছিল ৺হৰিপ্ৰসাদ নেওঁগ, ডাঃ নীলকমল বেজবৰুৱা। শ্ৰীঅৰুণ গোস্বামী, ৺দেৱপ্ৰসাদ বৰুৱা আৰু ছাত্ৰ-সকলৰ ফালৰপৰা শ্ৰীবদন গগৈ, শ্ৰীমেঘ গগৈ, শ্ৰীৰামেশ্বৰ শইকীয়া, শ্ৰীমুৰুলী শইকীয়া, ৺দূৰ্গা শইকীয়া, শ্ৰীমহেশ্বৰ গগৈ, শ্ৰীনকুল বৰুৱা আদি। উল্লেখযোগ্য যে সেই সময়ৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ নৈশ শাখাৰ শিক্ষক ৺হৰিপ্ৰসাদ নেওঁগ, ৺অনিল চন্দ্ৰ বৰুৱা, শ্ৰীসুৰেন্দ্ৰ নাথ বৰদলৈ আৰু শ্ৰীনিত্য ভট্টাচাৰ্য আছিল উদ্যোক্তা ছাত্ৰ সকলৰ প্ৰধান আশ্ৰয়।

প্ৰস্তুতি সমিতিয়ে চেগাচোৰোকাকৈ অৰ্থ সংগ্ৰহৰ চেষ্টা আৰু অন্যান্য কাম চলাই থকা অৱস্থাতে আহি পৰিল ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচন। ৰাজনীতিৰ আঁহফলা চৰিত্ৰই যোৰহাট কলেজৰ উদ্যোক্তা সকলকো দুটা শিবিৰত বিভক্ত কৰিলে। ইয়াৰে এটাৰ নেতৃত্ব ল'লে ডাঃ নীলকমল বেজবৰুৱাই আৰু আনটোৰ নেতৃত্ব ল'লে শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই। উল্লেখযোগ্য যে ১৯৬২ চনৰ উক্ত নিৰ্বাচনত দুয়োজনেই প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী আছিল আৰু শ্ৰীদুলাল চন্দ্ৰ বৰুৱা বিজয়ী হৈ প্ৰথম বিধান সভাত প্ৰৱেশ কৰিছিল। ড° নীলকমল বেজবৰুৱাৰ দলে Jorhat Education Society নামৰ সংস্থা প্ৰতিষ্ঠা কৰি নিউ যোৰহাট কলেজ নাম

দি সুৰেন্দ্ৰ ভৱনত এখন দিবা কলেজ আৰম্ভ কৰিলে। এই কলেজ পৰিচালনা সমিতিৰ প্ৰথম সভাপতি পতা হ'ল ডাঃ জীৱকান্ত শইকীয়াক। 'যোৰহাট কলেজ' নৈশ শাখাৰূপেই আৰম্ভ হ'ল ভকেচনেল কলেজিয়েট স্কুলত। এই কলেজ পৰিচালনা সমিতিৰ প্ৰথম সভাপতি হ'ল শিক্ষাব্ৰতী জেহিৰুদ্দিন আহমদ ডাঙৰীয়া। যোৰহাট কলেজৰ অধ্যক্ষ তথা সম্পাদক হ'ল ৺বিদ্যাকান্ত বৰুৱা আৰু নিউ যোৰহাটৰ ৺মাধৱ চন্দ্ৰ চক্ৰৱৰ্ত্তী। নিউ যোৰহাট কলেজত কলা আৰু বাণিজ্য দুয়োটা শাখাকে খুলিছিল যদিও পাছত বাণিজ্য শাখা পৃথক কৰি চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয় পতা হ'ল। এই বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ হ'ল ৺চক্ৰৱৰ্ত্তী ডাঙৰীয়া আৰু নিউ যোৰহাটৰ অধ্যক্ষা হ'ল শ্ৰীসাৰদা বেজবৰুৱা। এবছৰৰ পাছত নিউ যোৰহাট কলেজতো সান্ধ্য শাখা খোলা হ'ল।

যোৰহাট কলেজত আৰম্ভণীত যোগ দিয়া শিক্ষক সকল হ'ল ৺সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰ, নৰেন্দ্ৰ নাথ কাকতি, হেমকান্ত নেওঁগ, অৰুণ চন্দ্ৰ পূজাৰী, হেমন্ত কুমাৰ দত্ত বিপিন চন্দ্ৰ বৰদলৈ, সুৰেন্দ্ৰ নাথ বৰদলৈ, ৰাম শংকৰ ত্ৰিয়াৰ. চি. কে. নটৰাজন, ৺দেবেন্দ্ৰ নাথ দত্ত, চন্দ্ৰ প্ৰভা বৰদলৈ, দেবীপ্ৰসাদ নেওঁগ। আনহাতে নিউ যোৰহাট কলেজত আৰম্ভণীৰে পৰা শিক্ষাদান কৰা শিক্ষকসকল হ'ল ৺তৰুণ মোহন গোস্বামী, ৺সুৰেন্দ্ৰ নাথ গোস্বামী, মহেশ চন্দ্ৰ দত্ত, দিলীপ চক্ৰৱৰ্ত্তী, আৰু শিৱনাথ শৰ্মা। দ্বিতীয় পৰ্যায়ত যোৰহাট কলেজত নিযুক্তি লাভ কৰা শিক্ষকসকল হ'ল ৰেণু দত্ত, মহেশ চন্দ্ৰ ভট্টাচাৰ্য, ইউ. কে. ৰহমান, চৈয়দ বাদি-ইউজ-জামান, অমল ৰাজখোৱা, প্ৰভাত চন্দ্ৰ সভাপণ্ডিত, আৰু প্ৰবীৰ কুমাৰ বৰা। ইয়াৰ উপৰিও অস্থায়ী ভাৱে শিক্ষাদান কৰা ব্যক্তিসকল হ'ল কে. পি. সিন্‌হা, এচ. কে. ত্ৰিপাঠী, তৰুণ চন্দ্ৰ বৰুৱা, ৺কুমুদ চন্দ্ৰ গল্ডস্মিথ, ইলা বৰঠাকুৰ, মঃ মচলেমুদ্দিন আহমদ, বুবুল চন্দ্ৰ বৰদলৈ, হৰ গগৈ, ৰোহিতেশ্বৰ শইকীয়া, ডিম্বেশ্বৰ দয়াল শৰ্মা, দীপক চন্দ্ৰ দত্ত, দিলীপ গোহাঁই আদি। দ্বিতীয় পৰ্যায়ত নিউ যোৰহাট কলেজত নিযুক্তি পোৱা শিক্ষকসকল হ'ল চপলা মিৰি, কমল পাল, নগেন শইকীয়া, নিৰুপমা বৰগোহাঁই, দিলিপ ৰঞ্জন গুপ্ত, শ্যামা কান্ত দে, অমূল্য চন্দ্ৰ শৰ্মা, বামেশ্বৰ শইকীয়া, ঘনশ্যাম নেওঁগ; প্ৰকাশ গোস্বামী, ঈশান বৰুৱা আদি। অস্থায়ী শিক্ষক সকল হল অশোক গোস্বামী, গনেশমল বাজাজ, আনন্দ গোস্বামী, মৃদুপৱন গোস্বামী, ডিম্বেশ্বৰ দয়াল শৰ্মা, হৰেশ্বৰ গোস্বামী, ইন্দ্ৰেশ্বৰ পেগু, কানাই সেন আদি।

১৯৬৩ চনত দুয়োখন কলেজে বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰে। যোৰহাটৰ বিশিষ্ট চা[illegible] যেতিয়ক শশীপ্ৰসাদ বৰুৱাই এটি আধাসজা ঘৰ সহ ১৩ বিঘা মাটি যোৰহাট কলেজক দান কৰে। এই দানৰ বিপৰীতে তেখেতৰ বৰপুত্ৰ ৺ৰথীন্দ্ৰ প্ৰসাদ বৰুৱাৰ নামত কলেজখনৰ নামকৰণ কৰাত চৰ্ত্ত আছিল। কিন্তু এই মাটি আৰু ঘৰ নগৰৰপৰা আঁতৰত হোৱাৰ লগতে দাতাপক্ষৰ সকলো চৰ্ত্ত মানি লোৱাত অসুবিধা হোৱাত আৰু নগৰৰ ভিতৰতে এডোখৰ উপযুক্ত মাটি পোৱা কাৰণে এই দান কৰ্তৃপক্ষই গ্ৰহণ কৰিব নোৱাৰি দাতাক ঘূৰাই দিলে।

১৯৬৪ চনত যোৰহাট কলেজ ভকেচনেল স্কুলৰপৰা বেজবৰুৱা স্কুললৈ নিব লগা হয়। ১৯৬৬

চনত সেই সময়ৰ ৰাজ্যিক ৰাজহ মন্ত্ৰী ৰাধিকাৰাম দাসৰ ওচৰলৈ যোৰহাট কলেজৰ এটি সজাতী দল যায় আৰু কলেজখনৰ কাৰণে এডোখৰ মাটিৰ আবেদন জনায়। তদনুসাৰেই ১৯৬৭ চনত যোৰহাট পানী-কল ফিল্ডত চৰকাৰে ৬ বিঘা মাটি আবণ্টন দিয়ে। এই মাটিতে কলেজৰ স্থায়ী ঘৰ নিৰ্ম্মাণৰ কাৰণে ৺সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰ আৰু শ্ৰীঅৰুণ পূজাৰীক যুটীয়া আহ্বায়কৰূপে লৈ এখন গৃহনিৰ্মাণ কমিটি গঠন কৰি দিয়া হয়। এই কমিটিৰ তত্বাৱধানতে বৰ্ত্তমান কলেজৰ মূল ঘৰটোৰ সৰহখিনি কাম কৰা হয়। উল্লেখযোগ্য যে এই নিৰ্মাণৰ সৰহখিনি দায়িত্ব ৺ ৰাজকুমাৰে অকলেই বহন কৰিছিল।

সময় বাগৰাৰ লগে লগে যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজৰ শিক্ষকসকল নিজৰ ভবিষ্যতক লৈ চিন্তিত হ'ব লগা হয়। কাৰণ নাম মাত্ৰ চৰকাৰী অনুদান আৰু ছাত্ৰ-ছাত্ৰীৰ মাহেকীয়া মাচুলেৰে শিক্ষক সকলৰ প্ৰাপ্য জোৰা নমৰাত পৰিল। এসময়ত নিউ যোৰহাট কলেজ কৰ্তৃপক্ষই কলেজখন বন্ধ কৰি দিয়াৰো জাননী দিলে আৰু আনহাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৰহাট কলেজৰ অৱস্থাও শোচনীয়ৰ ফালে ঢাল খালে। ১৯৬৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলেজ পৰিদৰ্শক ড০ প্ৰসন্ন গোস্বামীয়ে দুয়োখন কলেজ পৰিদৰ্শন কৰি মন্তব্য দিয়ে যে নিউ যোৰহাট কলেজৰ অৰ্থনৈতিক অৱস্থা আগতকৈ বেয়া হৈছে আৰু যোৰহাট কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমিছে। গতিকে দুয়োখন কলেজ একত্ৰিত কৰি এখন পূৰ্ণাংগ কলেজ কৰা উচিত। এই মৰ্মে তেখেতে চৰকাৰলৈকো পৰামৰ্শ আগবঢ়ায়।

বিবদমান দুই বা ততোধিক স্কুল বা কলেজক একত্ৰিত কৰাত অতি সুদক্ষ ভূমিকা লৈছিল সেই সময়ৰ শিক্ষাধিকাৰ শ্ৰীগোপাল চন্দ্ৰ শৰ্মাবৰুৱাই। ইতিমধ্যে পৰিস্থিতি বুজি উপযুক্ত সময়ত দুয়োখন কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে উমৈহতীয়া ভাৱে মত প্ৰকাশ কৰিলে যে ড০ প্ৰসন্ন গোস্বামীৰ পৰামৰ্শই সমস্যা সমাধানৰ একমাত্ৰ উপায়। গতিকে শিক্ষক সকলৰ ফালৰ পৰাও একত্ৰীকৰণৰ প্ৰস্তাব আগবঢ়োৱা হ'ল। এই কাৰ্য্যত সেই সময়ৰ শিক্ষা-মন্ত্ৰী ৺জয়ভদ্ৰ হাগজেৰ আৰু শিক্ষাধিকাৰ শ্ৰীশৰ্মা-বৰুৱাই সমৰ্থন তথা সহায় আগবঢ়ালে। ১৯৭০ চনত দুয়োখন কলেজ একত্ৰিত হয় আৰু যোৰহাট কলেজৰ মূল ঘৰটোৰ অসম্পূৰ্ণ কাম খিনি নিউ যোৰহাট কলেজৰ সঞ্চিত টকাৰে সম্পূৰ্ণ কৰা হয়। এই একত্ৰিত কলেজ খনৰ প্ৰথম অধ্যক্ষ হয় ৺বিদ্যা-কান্ত বৰুৱা আৰু উপাধ্যক্ষা হয় শ্ৰীমতী সাৰদা বেজবৰুৱা। কেইমাহ মানৰ পাছতে অধ্যক্ষই অৱসৰ ল'ব লগা হোৱাত তেখেতৰ ঠাইত শ্ৰীমতী বেজ-বৰুৱা অধ্যক্ষা হয় আৰু উপাধ্যক্ষ হয় ৺তৰুণ মোহন গোস্বামী। ১৯৭২ চনত কলেজ খন ঘাটি মঞ্জুৰী প্ৰণালীত অন্তৰ্ভুক্ত হয় আৰু কিছু দিনৰ পাছতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থায়ী affiliation লাভ কৰে। ১৯৮২ চনৰ ২১ জানুৱাৰীত উপাধ্যক্ষ তৰুণ-মোহন গোস্বামীৰ আকস্মিক বিয়োগ ঘটাত শ্ৰীমহেশ চন্দ্ৰ দত্ত সেই পদত নিয়োজিত হয়। ১৯৮৫ চনৰ ৩১ অক্টোবৰত শ্ৰীমতী বেজবৰুৱাই অৱসৰ গ্ৰহণ কৰে আৰু উপাধ্যক্ষ শ্ৰীমহেশ চন্দ্ৰ দত্তই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাৰ্যনিৰ্ব্বাহ কৰে।

চৰকাৰে নিজেই বান্ধি দিয়া নিয়ম নিজেই পালন নকৰাৰ ফলত যোৰহাট কলেজৰ অধ্যক্ষ পদক কেন্দ্ৰ কৰি আদালতৰ কাষ চপা অৱস্থা এটাৰ সৃষ্টি হয়। ফলস্বৰূপে ৰাজ্যিক বাছনি কমিটিৰ

দ্বাৰা নিৰ্বাচিত আৰু কলেজ পৰিচালনা সমিতিৰ-দ্বাৰা নিয়োজিত ৺সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰে উচ্চ-ন্যায়ালয়ত গোচৰ তৰে। উক্ত ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মেই ১৯৮৯ চনৰ ১৯ জুন তাৰিখে প্ৰয়াত ৰাজকুমাৰে অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৺ৰাজকুমাৰৰ চেষ্টাতে কলেজখনৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ কাৰণে ৰাজহুৱা সভা পতা হয় আৰু সেই সভাতে ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিখনো গঠন কৰা হয়। তেখেতৰ পৃষ্ঠপোষকতাতে ৰূপালী জয়ন্তী উপলক্ষে এখন উপহাৰ কুপন খেলৰ ব্যৱস্থা কৰা হয় আৰু সেই খেলখনৰ উপাৰ্জনেৰে কলেজৰ সন্মুখৰ দ পথাৰখনত মাটি পেলোৱা পূৰফালে এশফুট বেৰ দিয়া। আৰু কলেজৰ বাৰান্দাখন পকী কৰা হয়। দুখৰ বিষয় যে প্ৰায় সাতমাহ কাল অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰাৰ পাছত ১৯৯০ চনৰ ৩১ জানুৱাৰীৰ দিনা তেখেতৰ আকস্মিক বিয়োগ ঘটে। উপাধ্যক্ষ মহেশ চন্দ্ৰ দত্ত পুনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হয়। ইতিমধ্যে ৰাজ্যিক বাছনি কমিটিৰ দ্বাৰা নিৰ্বাচিত জ্যেষ্ঠ শিক্ষক ড০ অমূল্য চন্দ্ৰ শৰ্মাক কলেজ পৰিচালনা সমিতিয়ে অধ্যক্ষ হিচাবে নিয়োগ কৰে। চৰকাৰেও তাত অনুমোদন জনায়। বৰ্তমান ড° শৰ্মা কলেজখনৰ অধ্যক্ষ আৰু উপাধ্যক্ষ শ্ৰীমহেশ চন্দ্ৰ দত্ত। উল্লেখযোগ্য যে অধ্যক্ষ পদক কেন্দ্ৰ কৰি আদালতৰ কাষ চপা আৰু সেই সূত্ৰে কলেজৰ টকা খৰচ কৰা এটা দুৰ্ভগীয়া অৱস্থা এতিয়াও চলি আছে।

১৯৬২ চনতে প্ৰতিষ্ঠা হোৱা আৰু ১৯৭০ চনত একত্ৰিত হৈ নিজা ঘৰ-বাৰীত চলা কলেজখনৰ অৱস্থা একে ধৰণৰ অন্য কলেজতকৈ এতিয়াও বহুত পাছ পৰি আছে। ফলস্বৰূপে ক্ৰমবৰ্দ্ধমান ছাত্ৰ-ছাত্ৰীৰ বাবে নূন্যতম সুবিধাও নোহোৱাত পৰিছে। চমু কথাত কবলৈ গলে বৰ্তমান প্ৰয়োজনীয় শ্ৰেণীকোঠা, আচবাব, পুথিভঁৰাল আৰু শিক্ষকসকলৰ প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱত জোৰা-তাপলি মাৰি শিক্ষাদান কৰিব লগা হৈছে। ঠাইৰ অভাৱত নামভৰ্ত্তি কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ এক-তৃতীয়াংশকহে ভৰ্ত্তি কৰাব পৰা হৈছে।

বৰ্তমান যোৰহাট কলেজত নটা বিষয়ত পাঠদান কৰা হয়। তাৰে পাঁচটা বিষয়তহে সন্মান পাঠ্যক্ৰম আছে। শ্ৰেণী কোঠাৰ অভাৱত অধিক বিষয়ত সন্মান পাঠ্যক্ৰম খুলিব পৰা হোৱা নাই। যোৰহাট চহৰৰ ভিতৰত একমাত্ৰ কলা মহাবিদ্যালয় হিচাবে যোৰহাট কলেজক আৰু আগবঢ়োৱাৰ সুবিধা আছে। লাগে মাথো যোৰহটীয়া ৰাইজৰ ইচ্ছা।

একত্ৰিত যোৰহাট কলেজ জনসাধাৰণ, শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ত্যাগ আৰু বৰঙণিৰে প্ৰতিষ্ঠিত। এসময়ত যোৰহাট কলেজৰ শিক্ষক আৰু ছাত্ৰ সকলে এমহীয়াকৈ হুচৰি গাই কলেজৰ কাৰণে অৰ্থ সংগ্ৰহ কৰিছিল। ইয়াত বিশেষ ভাৱে অংশ গ্ৰহণ কৰা শ্ৰীগোলাপ কাকতি, শ্ৰীমাখন দত্ত, শ্ৰীৰাজেন দত্ত, শ্ৰীসোনাধৰ দাস, শ্ৰীহেম নেওঁগ, শ্ৰীসুনীল সাহা, শ্ৰীসুনীল দে আদি ছাত্ৰসকলৰ নাম নলৈ নোৱাৰি। ১৯৬৮ চনত কলেজৰ শিক্ষক আৰু পৰিচালনা সমিতিয়ে সুৰদেৱী থিয়েটাৰ আনি অৰ্থ সংগ্ৰহৰ চেষ্টা চলায় যদিও বিশেষ লাভবান হ'ব নোৱাৰিলে। ১৯৮২ চনত শিক্ষক-শিক্ষয়িত্ৰী সকলে কহিনুৰ থিয়েটাৰ আনি প্ৰায় ৪২০০০ (বিয়াল্লিচ হাজাৰ) টকা লাভ কৰিবলৈ সক্ষম হয়। উক্ত টকাৰেই জেহিৰুদ্দিন স্মৃতি ভৱনৰ প্ৰেক্ষাগৃহ

নির্মাণৰ কাম আৰম্ভ কৰা হয়. যিটো বৰ্তমান ডাঃ জাকিৰ আহমদৰ দানেৰে সম্পূৰ্ণ কৰা হৈছে। যোৰহাট কলেজ প্ৰসঙ্গত দাতা সদস্য ডাঃ নীল-কমল বেজবৰুৱা আৰু ৺মাধব চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ দানৰ কথা সদায় সুঁৱৰিব লাগিব। বিশেষকৈ সুঁৱৰিব লাগিব শিক্ষাবিদ জেহিৰুদ্দিন আহমদ ডাঙৰীয়াক। বুঢ়া বয়সতো দিনে-ৰাতিয়ে খাটি কলেজ খনলৈ তেখেতে যি বৰঙণি দি গ'ল তাক ভাষাৰে প্ৰকাশ কৰা অসম্ভৱ। একে ধৰণেই এই কলেজৰ কাৰণে এসময়ত মন-প্ৰাণ দি খাটিছিল সেই সময়ৰ যোৰহাটৰ স্থানীয় বিধায়ক শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই। দুয়োখন কলেজ একত্ৰিত কৰিবৰ সময়তো তেখেতে প্ৰশং-সনীয় ভূমিকা গ্ৰহণ কৰিছিল।

মহাবিদ্যালয়ৰ প্ৰধান চালিকা শক্তি কৰ্মচাৰী সকল। এই সকলৰ ভিতৰত তিনিজনে উপযুক্ত সেৱা আগবঢ়াই অৱসৰ লোৱাৰ পাছত সংসাৰৰ পৰাও বিদায় ল'লে। তেখেত সকল হ'ল ৺যজ্ঞেশ্বৰ গোহাঁই, ৺দেবেশ্বৰ কটকী আৰু ৺গঙ্গাধৰ বৰা। অৱসৰ প্ৰাপ্ত কৰ্মচাৰী শ্ৰীকৃষ্ণাৰাম ভট্টাচাৰ্যই সুস্থ শৰীৰেৰে এতিয়াও কলেজৰ খবৰ লয় আৰু শ্ৰীবসন্ত দত্ত বাৰ্দ্ধক্যত জৰ্জৰিত। অতীতৰ যোৰহাট কলেজতে আৰম্ভ কৰি একত্ৰিত কলেজতো ছবছৰ সেৱা আগবঢ়োৱা আব্দুল মজিদে প্ৰয়োজনৰ তাড়নাত কলেজৰ চাকৰি ইস্তফা দিয়ে। তেখেত এতিয়া বকতা মৌজাৰ মৌজাদাৰ। নিউ যোৰহাট কলেজতে চাকৰি আৰম্ভ কৰা শ্ৰীৰমেশ ভূঞা আৰু শ্ৰীবীৰেণ গন্ধিয়াই এতিয়াও সেৱা আগবঢ়াই আছে। অতীতৰ যোৰহাট কলেজৰ পৰা সেৱা আগবঢ়াই অহা শ্ৰীভোগেশ্বৰ বৰাই বাৰ্দ্ধক্যৰ হেঁচাত চাকৰি এৰিব লগা অৱস্থা।

বৰ্তমান কলেজখনত ১৫৩০ জন ছাত্ৰ-ছাত্ৰীয়ে দিবা আৰু নৈশ শাখাত শিক্ষাগ্ৰহণ কৰি আছে। এই কলেজৰপৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে স্নাতক উপাধি লাভ কৰি নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে। যোৰহাট কলেজত শাৰীৰিক ভাৱে অক্ষম ছাত্ৰ-ছাত্ৰী সকলৰ বিশেষ যত্ন লোৱা হয়। এনে যত্নৰ ফলস্বৰূপেই শ্ৰীপ্ৰসন্ন কুমাৰ পিঞ্চাই এই মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰাক-স্নাতক আৰু স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট দৃষ্টি-হীন বিদ্যালয়ৰ অধ্যক্ষ পদ শুৱনি কৰিছে। উক্ত বিদ্যালয়ৰ আন দুজন শিক্ষক শ্ৰীলৰেন্স লগুণ আৰু শ্ৰীদেব কুমাৰ বৰুৱাও এই মহাবিদ্যালয়ৰে ছাত্ৰ। এগৰাকী অন্ধ ছাত্ৰী শ্ৰীমতী পূৰ্ণিমা বৰাই বৰ্তমানে শিক্ষা গ্ৰহণ কৰি আছে।

ৰাজহুৱা অনুষ্ঠান এটা গঢ়ি তোলাত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সেৱা আগবঢ়োৱা সকলোৰে নাম উল্লেখ কৰা সম্ভৱ নহয়। আমাৰ অক্ষমতাৰ কাৰণে যদি তেনে কোনোজনৰ নাম বাদ পৰি গৈছে সেইসকলৰ ওচৰত ক্ষমা বিচৰা হ'ল।

# "সুৰদেৱীৰ পৰা জেহিৰুদ্দিন আহমদ স্মৃতি ভৱনলৈ ঃ ইতিহাসৰ এখিলা পাত"

*অৰুণ চন্দ্ৰ পূজাৰী*

১৯৬২ চন। বিভিন্ন গ্ৰহৰ সন্নিবেশ হেতু মহাপ্ৰলয়ৰ আশংকাত সকলো ত্ৰস্ত্যমান। সেইসময়তে জন্ম হয় যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজৰ। সেয়েহে হয়তো যোৰহাট কলেজৰ পৰা অশুভ গ্ৰহৰ ছায়া এতিয়াও আঁতৰি যোৱা নাই।

যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজ— এই যমজ শিক্ষানুষ্ঠানৰ পিতৃ-মাতৃ একেই। কিবা পাক চক্ৰতহে একেটা অনুষ্ঠানেই দুটা হ'ল। দুয়োখন কলেজেই সুদীৰ্ঘ আঠোটা বছৰ ভিন্ন ঠাইত, ভিন্ন পৰিবেশত প্ৰতিপালিত হ'ল। যোৰহাট কলেজক ধাই মাকৰ দৰে জেহিৰৎ হেড্ মাষ্টৰে আৰু নিউ যোৰহাট কলেজক প্ৰাচুৰ্য্যৰ মাজত প্ৰতিপালিত কৰিলে চিকিৎসক জীৱকান্ত শইকীয়াৰ নেতৃত্বত যোৰহাট এডুকেশন চছাইটিয়ে। ১৯৭০ চনত যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজ অসম চৰকাৰৰ শিক্ষা বিভাগৰ চেষ্টাত একত্ৰিতকৰণ কৰা হ'ল। ফলস্বৰূপে সৃষ্টি হ'ল কলা বিভাগৰ এখন স্বতন্ত্ৰৰীয়া উচ্চ শিক্ষাৰ অনুষ্ঠান— যোৰহাট কলেজ (একত্ৰিত)।

এইখিনিতে যোৰহাট কলেজৰ ধাই মাক জেহিৰৎ হেডমাষ্টৰৰ বিষয়ে দু-আষাৰ নক'লে ইতিহাস অসম্পূৰ্ণ হৈ ৰ'ব। '৬২ চনৰ পৰাই জেহিৰুদ্দিন আহমেদ যোৰহাট কলেজৰ পৰিচালনা সমিতিৰ সভাপতি। এই কলেজখন আৰম্ভণিতে নৈশ শাখাৰ কলেজহে আছিল। সভাপতি জেহিৰুদ্দিন চাৰে কৈছিল যে যোৰহাটত বহুতো বয়সীয়াল মহিলা আছে যি সকলে ইচ্ছা থকা স্বত্ত্বেও গৃহস্থি হোৱা বাবে দিনত পঢ়িব নোৱাৰে। আনহাতে জগন্নাথ বৰুৱা মহাবিদ্যালয়তো তেতিয়া নৈশ শাখাত মহিলাক পঢ়াৰ সুবিধা দিয়া হোৱা নাছিল। তেখেতৰ চেষ্টাতে যোৰহাটৰ বহুতো বয়সস্থা মহিলাই নিশা কলেজত পঢ়াৰ সুবিধা গ্ৰহণ কৰি নিজকে সমাজত প্ৰতিষ্ঠা কৰিব পাৰিলে। এই সকল মহিলাৰ ভিতৰত ইন্দুপ্ৰভা বৰপূজাৰী, ছায়া দেৱী, ৰঞ্জনী বৰুৱা— প্ৰথম গৰাকী আদৰ্শ মাতৃ হোৱাৰ উপৰিও স্নাতক উপাধি লাভ কৰাৰ পাছত চোলাধৰা প্ৰগতি মহিলা সমাজৰ যোগেদি সমাজ সেৱাত ব্ৰতী হয় আৰু আন দুগৰাকীয়ে দুখন আগশাৰীৰ বালিকা বিদ্যালয়ত শিক্ষকতা কৰি নিজকে প্ৰতিষ্ঠা কৰিব পাৰিলে। এনে উদাহৰণ আৰু বহুতো আছে।

১৯৬৮ চনত যোৰহাট কলেজে আৰ্থিক অনাটনত ভোগে। উপায়ন্তৰ হৈ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ সহযোগত পৰিচালনা সমিতিয়ে ভ্ৰাম্যমান নাট্যদল 'সুৰদেৱী থিয়েটাৰ' আনিলে। ফেব্ৰুৱাৰী মাহৰ প্ৰথম ভাগতে যোৰহাট কাছাৰী ময়দানত যোৰহাট

কলেজৰ সাহায্যাৰ্থে সুৰদেৱী থিয়েটাৰ অনুষ্ঠিত হ'ল। জেহিৰৎ হেডমাষ্টৰৰ জিৰণি নাই। অধ্যক্ষ অল্প ভাষী, সদানুগামী বিদ্যাকান্ত বৰুৱাৰ লগত দিনে নিশাই থিয়েটাৰৰ যা-যোগাৰ কৰিছে। প্ৰথম দুদিন নাট্যানুষ্ঠান হোৱাৰ পাছত দেখা গ'ল— লাভৰ পৰিবৰ্তে লোকচান। "হাউচ ফুল" কিন্তু ধন উঠা নাই। ইমান ভালধৰণে শিক্ষক ছাত্ৰই প্ৰবেশ দ্বাৰ ৰখোতেও কিয় এনে হ'ল? জেহিৰৎ হেডমাষ্টৰে যোৰহাটৰ দুজন সিংহ পুৰুষ— নবীন চাহাব ( নবীন চন্দ্ৰ বৰুৱা ) আৰু ডাঃ মুনীন বৰুৱাক মাতি আনি আলোচনা কৰিলে। ঠিৰাং হ'ল প্ৰবেশ দ্বাৰত জেহিৰৎ হেডমাষ্টৰৰ লগত নবীন চাহাব থাকিব আৰু "কেচ বক্স" লৈ টিকট বেচাত থাকিব অধ্যক্ষ বিদ্যাকান্ত বৰুৱা আৰু লগত ডাঃ মুনীন বৰুৱা শিক্ষক সকলে অস্থায়ী তম্বুৰ চাৰিও ফালে পহৰা দিব যাতে টিকট নোলোৱাকৈ কোনেও প্ৰবেশ কৰিব নোৱাৰে। যেনে কথা তেনে কাম। ফলস্বৰূপে পাছৰ তিনি দিনত কলেজে যথেষ্ট লাভ কৰি বৰ্ত্তমান পূৰা-পশ্চিমাকৈ থকা ঘৰটোৰ ভেটি স্থাপন কৰিলে। এই ভৱনটো কাৰ্য্যালয় আৰু অন্যান্য প্ৰশাসনীয় কামৰ বাবেহে সাজিছিল। বৰ্ত্তমান চাইকেল ষ্টেণ্ড থকা ঠাইত নবীন চাহাবে এটা দুমহলীয়া ভৱনৰ "ব্লু-প্ৰিণ্ট" কৰি শ্ৰেণী কক্ষ আৰু গ্ৰন্থাগাৰ কৰাৰ যোজনা কৰিছিল। এই ব্লু-প্ৰিণ্ট আজি কেই বছৰ মান আগলৈকে কলেজৰ আলমাৰীৰ ওপৰত পৰি থকা দেখা গৈছিল।

১৯৭০ চনত একত্ৰিতকৰণ হ'ল। ১৯৭২ চনত কলেজ খনে Deficit Grant In Aid System ত সোমোৱাৰ সুবিধা পালে আৰু বহু ত্যাগ আৰু কষ্ট স্বীকাৰ কৰা শিক্ষক-শিক্ষয়িত্ৰী সকলে U. G. C* ৰ নিৰিখত মাহিলি বেতন লাভ কৰিলে। দিবা আৰু নৈশ দুয়োটা শাখাই স্বীকৃতি পালে। কলেজৰ ঘৰ আৰু ছাত্ৰ-ছাত্ৰীৰ অভাৱ একে দৰেই থাকিল। বৰং লাহে লাহে অভাৱৰ মাত্ৰা বাঢ়িলহে— ছাত্ৰ-ছাত্ৰীৰ আৱশ্যকীয় সুবিধাৰ অভাৱ, শ্ৰেণী কক্ষৰ নাটনি। আনহাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈয়ে আছে। চৰকাৰ আৰু U. G. C ৰ ওচৰত নানা আবেদন কৰিও একো লাভ নহ'লত ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ সহ্য কৰিব নোৱাৰি পৰিশ্ৰমী শিক্ষক-শিক্ষয়িত্ৰী সকলে আকৌ এবাৰ আৰ্থিক অভাৱ গুচাবৰ বাবে আশ্ৰয় ল'লে ভ্ৰাম্যমান নাট্যদল "কহিনুৰ থিয়েটাৰ"ৰ। এইয়া হ'ল ১৯৮২ চনৰ জানুৱাৰী মাহৰ কাহিনী। কলেজৰ সাহায্যাৰ্থে যোৰহাট কাছাৰী ময়দানত "কহিনুৰ থিয়েটাৰ।" সেই সময়ত "কহিনুৰ" নাট্য-দলে সমগ্ৰ অসমতে সমাদৃত হৈ পৰিছিল। ২০ জানুৱাৰীৰ সন্ধ্যা ৫ বজাৰ পৰা নাট্যানুষ্ঠান আৰম্ভ হ'ব। এই অনুষ্ঠানৰ প্ৰধান উদ্যোক্তা আছিল উপা-ধ্যক্ষ ৺তৰুণ মোহন গোস্বামী। মৃদুভাষী গোস্বামী-দেৱে সকলো তদাৰক কৰিছে। টিকত বেচিবৰ বাবে শিক্ষক সকলক বিভিন্ন এলেকাত ভাগ কৰি নিজেও লাগি গৈছে। এনেতে থিয়েটাৰলৈ কিছু-দিন বাকী থাকোতেই গোস্বামীদেৱ পেটৰ বিষত শয্যাশায়ী হ'ল। ডিব্ৰুগড় মেডিকেল কলেজত অস্ত্ৰোপচাৰ হ'ল। আমি সকলো খবৰ লৈ আছো। ভাবিছোঁ ২০ জানুৱাৰীৰ সন্ধ্যা আহি পালেই হ'ল। নাট্যানুৰাগী শিল্পী গোস্বামীদেৱে সম্পাদক হিচাপে দু-আষাৰ ক'ব পাৰিব। কিন্তু নিয়তিৰ চৰম পৰি-

* University Grant Commission : বিশ্ববিদ্যালয় অনুদান আয়োগ।

হাস— যোৰহাট কলেজৰ সকলোকে কন্দুৱাই এই গৰাকী মহান শিল্পী শিক্ষকে অকালতে ২১ জানুৱাৰীৰ সূৰ্য্যোদয়ৰ আগে আগে আমাক এৰি অনন্তলোকলৈ গতি কৰিলে। পুৱা ৭ বজাৰ ভিতৰত হিয়া ভাগি যোৱা বাতৰিটো সকলোৱে পালে। কিংকৰ্তব্য বিমূঢ় হৈ সকলো কাছাৰী ময়দানৰ অস্থায়ী কলেজ কাৰ্য্যালয়ত গোট খালে। অধ্যক্ষা সাৰদা বেজবৰুৱাও আছিল। কাৰো মুখত মাত নাই। পৃথিবীখন যেন ভৰিৰ পৰা আঁতৰি গৈছে। সকলোৰে অন্তৰ বোৰ মৃত্যুৰ শীতলতাত যেন গোট মাৰি গৈছে। ৰ'দ উঠি অহাৰ লগে লগে সকলো ৺গোস্বামীৰ চোলাধৰাত থকা নিজা বাস গৃহলৈ গ'ল। ১১ বজাত শুদ্ধ বগা কাপোৰেৰে ঢকা মৃতদেহ যোৰহাট পালেহি। এঘণ্টা মান পাছতে জন্মস্থান ধিঙলৈ সংকাৰৰ বাবে যাত্ৰা কৰিব। আমাৰ কলেজৰ ৪/৫ জন মান শিক্ষক কৰ্মচাৰীও লগত গ'ল।

পাছবেলা সকলোৱে আলোচনা কৰি থিক কৰিলে যে সন্ধ্যা নাট্যানুষ্ঠানৰ আৰম্ভণিতে মৃতকৰ প্ৰতি শ্ৰদ্ধা জনাই শোক সভা হ'ব আৰু তাৰ পাছতে নাট্যানুষ্ঠান আৰম্ভ হ'ব। শিক্ষকসকলে যথাযথ ভাৱে ভাৱাক্ৰান্ত হৃদয়েৰে কলেজৰ কিবা এটা উন্নতি হক বুলিয়েই কামবোৰ কৰি গ'ল। ৫ দিন নাট্যানুষ্ঠানত দৰ্শকৰ ভিৰ ভাবিব নোৱাৰা। নাট্যদলক বিদায় দি হিচাপ পত্ৰ চাই দেখা গ'ল সকলো খৰচ বাদ দিও প্ৰায় বিয়াল্লিচ হাজাৰ টকা লাভ হ'ল। এই টকাৰে ৬ হাজাৰ মান পুঁজিৰে "Teachers' Welfare Fund" খোলা হ'ল। বাকী ৩৬/৩৭ হাজাৰ টকাৰে বৰ্ত্তমানৰ "জেহিৰুদ্দিন আহমদ স্মৃতিভৱন'ৰ প্ৰেক্ষাগৃহটোৰ কাম আৰম্ভ কৰা হ'ল। চৰকাৰেও কাম আধৰুৱা দেখি কিছু টকা অনুদান হিচাপে দিলে। তথাপিও ঘৰটো মাত্ৰ মানুহ সোমাব পৰা হে হ'ল। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি হোৱাত ইয়াতো দুটা ডাঙৰ শ্ৰেণী বহে।

শিক্ষকসকলৰ চিন্তা হ'ল কেতিয়া, কেনেকৈ এই ভৱনটো ৰঙ্গমঞ্চৰে সৈতে এটা সৰ্ব্বাঙ্গ সুন্দৰ অডিট'ৰিয়াম ৰূপত ছাত্ৰ-ছাত্ৰী সকলক দিব পৰা যায়! কেইজন মান জ্যেষ্ঠ শিক্ষকে জেহিৰুদ্দিন আহমদৰ ভতিজাক ডাঃ জাকিৰ আহমেদৰ লগত কথা পাতিলে ক'লে যে "ছাবৰ" নামত কিবা এটা ভৱন যোৰহাট কলেজত হ'ব লাগে। ভতিজাকো ডেকা চিকিৎসক। আৰ্থিক বিষয়ত বৰ স্বচ্ছলতা এতিয়াও হোৱা নাই। কিন্তু মনটো হ'লে বৰ উদাৰ আৰু বৰদেউতাকৰ নামত কিবা এটা কৰাটো যেন তেওঁৰ অন্যতম কৰ্ত্তব্য! আমি মাজে মাজে খবৰ-খাতি ৰাখি থাকোঁ। কলেজৰ পৰিচালনা সমিতিত অভিভাৱকৰ প্ৰতিনিধি হিচাপে তেওঁ নিৰ্ব্বাচিত হ'ল। গতিকে কলেজ পৰিচালনাৰ দায়িত্বৰ লগত ডাঃ জাকিৰ আহমেদ জড়িত হৈ পৰিল। ফলস্বৰূপে ১৯৮৯ চনৰ চেপ্তেম্বৰ মাহত অনুষ্ঠিত জেহিৰুদ্দিন আহমেদ স্মৃতি দিৱসৰ ৰাজহুৱা সভাত ডাঃ জাকিৰ আহমেদে ৰঙ্গমঞ্চটো নিৰ্মাণ কৰি হল ঘৰ'টোৰ কিছু উন্নয়ন সধাৰ ইচ্ছা প্ৰকাশ কৰিলে। প্ৰবীন শিক্ষক, যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ নিষ্ঠাবান অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ ঠাকুৰ সেই সময়ত কলেজ পৰিচালনা সমিতিৰ সভাপতি। পৰিচালনা সমিতিৰ অন্যান্য শিক্ষা প্ৰেমী সদস্যসকলে ডাঃ জাকিৰ আহমেদৰ মহৎ দান কৃতজ্ঞতাৰে গ্ৰহণ কৰি উক্ত ভৱনটো "জেহিৰুদ্দিন আহমেদ স্মৃতি ভৱন" হিচাপে নামাকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

কলেজৰ আজি এটা নিজা অডিট'ৰিয়াম হ'ল। সকলোৰে মনত অসীম আনন্দ আৰু গৌৰৱত

বুকু ওফন্দিছে। কিন্তু এই কামৰ বাবে যি জন ব্যক্তিয়ে সকলোতকৈ বেছি আনন্দ পালেহেঁতেন সেইজন ব্যক্তি আজি আমাৰ মাজত নাই। ১৯৯০ চনৰ ৩১ জানুৱাৰী দিনা সেইজন ব্যক্তি অধ্যক্ষ সুৰেন্দ্ৰনাৰায়ণ ৰাজকুমাৰে অকালতে, কলেজৰ সকলোকে কন্দুৱাই, হঠাৎ লোকান্তৰ হ'ল। ৰাজকুমাৰৰ অশৰীৰি আত্মাই নিশ্চয় আজি গহীন গহীন খোজ দি কলেজৰ বাৰান্দাত মিচিকীয়া হাঁহি মাৰি ইফাল সিফাল কৰিছে। তেখেতৰ আত্মাই আজি চিৰশান্তি লভিছে।

ডাঃ জাকিৰ আহমেদৰ এই দান কলেজৰ বাবেই নহয়, সমগ্ৰ যোৰহাট তথা অসমবাসীৰ বাবে এক গৌৰব কৰিবলগীয়া কথা। যিজন শিক্ষক জীৱন কালত এক অনুষ্ঠানত পৰিণত হৈছিল, যোৰহাটৰ শিক্ষা জগতত এটা নতুন গতি আনি দিছিল, যিজন স্বনাম ধন্য পুৰুষে কাছাৰী ময়দানত ডিঙিত সেউজীয়া কমাল মাৰি উজনি অসম স্কুল টুৰ্ণামেণ্টৰ ঘাই বঠা বহু বছৰ ধৰি গ'ল সেইজনা প্ৰাতঃস্মৰণীয় ব্যক্তিৰ স্মৃতিত আজি যোৰহাট কলেজে এটা ৰঙ্গমঞ্চ যুক্ত ভৱনৰ অধিকাৰী হোৱাৰ গৌৰৱ লাভ কৰিলে।

নানা আহুকাল, বিপদ বিঘিনিৰ মাজেদি যোৰহাট কলেজ পাৰ হৈ আহিছে। কিন্তু সকলোৰে সদ্ইচ্ছালৈ নেৱানেপেৰাকৈ লাগি থাকিলে কিবা এটা ভাল বস্তুৰ সৃষ্টি হ'বই। ৰূপালী জয়ন্তী উৎসৱত কলেজৰ শিক্ষক কৰ্ম্মচাৰী সকলে যোৰহটীয়া ৰাইজলৈ এইৰূপ আদৰ্শকে বিনম্ৰভাৱে আগবঢ়াইছে। আমাৰ আশাশুধীয়া চেষ্টা যেন যোৰহাট কলেজৰ সঞ্জীৱনী মন্ত্ৰ হয়।



# স্ত্ৰী শিক্ষা বিস্তাৰত যোৰহাট কলেজৰ ভূমিকা

ৰামেশ্বৰ শইকীয়া

অসমত উচ্চ শিক্ষা বিস্তাৰৰ এটি নিজস্ব ইতিহাস আছে। এই ক্ষেত্ৰত চৰকাৰতকৈ ৰাইজৰ ভূমিকাহে বিশেষ ভাৱে উল্লেখযোগ্য। চৰকাৰৰ পৃষ্ঠপোষকতাত কটন কলেজ প্ৰতিষ্ঠা হোৱাৰ পাছত ৰাইজৰ প্ৰচেষ্টাত প্ৰথম স্থাপন হয় যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ। স্বাধীনোত্তৰ কালত এই আদৰ্শকে লৈ জিলাৰ সদৰ, তাৰ পাছত মহকুমাৰ সদৰ বিলাকত ৰাইজৰ প্ৰচেষ্টাত কলেজ সমূহ প্ৰতিষ্ঠিত হ'ল। এনেদৰে প্ৰতিষ্ঠা হোৱা কলেজ সমূহৰ দ্বাৰা নিয়মীয়া ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ল যদিও যি সকলে এনে সুবিধাৰ অভাৱত সৰু সুৱা চাকৰি বা অন্য জীৱিকাত আৱদ্ধ হৈ থাকিল নাইবা যি সকল নিয়মীয়া ছাত্ৰ আৰ্থিক অসুবিধাৰ কাৰণে কলেজত ভৰ্ত্তি হ'ব নোৱাৰে তেওঁলোকে উচ্চ শিক্ষা গ্ৰহণৰ ইচ্ছা হুমুনিয়াহ কাঢ়িয়েই শেষ কৰিব লগা হৈছিল। এনেদৰে বঞ্চিত সকলৰ কাৰণে প্ৰথমে আশাৰ বাতৰি কঢ়িয়াই আনে গুৱাহাটীৰ ভোলা বৰুৱা কলেজে। সান্ধ্য শাখাত আৰম্ভ হোৱা এই মহাবিদ্যালয়ে সৃষ্টি কৰিলে এক নতুন আলোড়ণ আৰু আন্দোলন। বিভিন্ন কাৰণত মেট্ৰিকৰ দেওনা পাৰ হৈ বৈ থকা সকলে বয়সলৈ আওকান কৰি বা অন্য অসুবিধা কাটি কৰি থৈ উচ্চ শিক্ষাৰ সোৱাদ ল'লে। সান্ধ্য শাখাৰ এই আকৰ্ষণে ক্ৰমাত অসমৰ প্ৰায়বিলাক নগৰলৈ বিস্তৃতি লাভ কৰিলে। উজনি অসমত প্ৰথমে এই ব্যৱস্থা আৰম্ভ হ'ল যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ বাণিজ্য শাখাৰে, তাৰ পাছত কলা শাখা আৰু অতি পলমকৈ বিজ্ঞান শাখাৰে। চাকৰিৰ পৰা অৱসৰ পোৱা, অৱসৰ পাবলৈ দুই এবছৰ থকা সকলেও সন্ধিয়া তিনি চাৰি ঘন্টা সময় একান্ত বাধ্য ছাত্ৰ হৈ জ্ঞান আহৰণৰ কাৰণে চলোৱা চেষ্টাই অসমৰ শিক্ষাজগতত এক নতুন অধ্যায়ৰ সূচনা কৰিলে। ইমান থিনি হোৱাৰ পাছতো বঞ্চিতৰ বাঞ্ছা পূৰণৰ এই ব্যৱস্থা কেৱল পুৰুষৰ কাৰণেহে সীমাবদ্ধ হৈ আছিল।

১৯৬১ চনতে যোৰহাটত এখন পৃথক নৈশ মহাবিদ্যালয় পতাৰ প্ৰচেষ্টা আৰম্ভ হৈ ১৯৬২ চনত তাক বাস্তৱত ৰূপায়িত কৰাৰ চেষ্টা চলিল। কিন্তু উদ্যোক্তা সকলৰ মাজত হোৱা মতবিৰোধে প্ৰস্তাৱিত যোৰহাট কলেজৰ মাজৰ পৰাই সৃষ্টি কৰিলে — নিউ যোৰহাট কলেজ। যি কি নহওক যোৰহাট কলেজৰ আৰম্ভণীৰ উদ্দেশ্য-অনুসৰিয়েই সান্ধ্য শাখাও আৰম্ভ হ'ল। এই কলেজৰ উদ্যোক্তা সকলে সেই সময়ৰ কাৰণে প্ৰায় আচৰিত দুঃসাহসী সিদ্ধান্ত ললে, সিয়ে হল সান্ধ্য শাখাত মহিলা তথা যুৱতীকো পুৰুষৰ দৰেই সুবিধা দিয়া। যি খন দেশ বা সমাজত বেলি পৰাৰ পাছতে মহিলা, বিশেষকৈ যুৱতীসকল ঘৰৰ ভিতৰত সোমাই থকাই এক পৰম্পৰা, সেইখন দেশ বা সমাজত সন্ধিয়া আৰম্ভ হোৱাৰ পৰা প্ৰায় দহ বজালৈ মহিলাক উচ্চ শিক্ষা আহৰণৰ কাৰণে বাহিৰত ৰাখিব খোজা চিন্তা যিদৰে অতি সাহসী ঠিক সেইদৰে এনে ব্যৱস্থাক সমৰ্থন জনাই শিক্ষা গ্ৰহণ কৰিবলৈ প্ৰথমে ওলাই

অহা সকলক দুঃসাহসী বুলিয়েই কব লাগিব। প্ৰথম অৱস্থাত কম বয়সীয়া সকলে অলপ সংকোচ কৰিছিল যদিও বয়সস্থা দুই এগৰাকী আগবাঢ়ি অহাৰ লগে লগে সেই সংকোচ আতৰি গ'ল। বিশেষকৈ নৱ প্ৰতিষ্ঠিত এই মহাবিদ্যালয়ত শিক্ষক, ছাত্ৰ আৰু উদ্যোক্তাসকলৰ সহযোগত এনে এটা পৰিবেশ সৃষ্টি হল যে কোনো মহিলা বা যুৱতীৰ মনত নাইবা তেওঁলোকৰ অভিভাৱক সকলৰ মনত এনেভাৱে ৰাতি কলেজলৈ অহা-যোৱা কৰাত কোনো দ্বিধাবোধৰ থল নাথাকিল। সবাতোকৈ উল্লেখযোগ্য কথা হল এয়ে যে প্ৰয়োজন সাপেক্ষে ছাত্ৰ সকলৰ দুই চাৰিজন লগ লাগি কোনো গৰাকী ছাত্ৰীক ঘৰত আগবঢ়াই থৈ অহাৰ দায়িত্বও ললে।

এনেদৰে দুই এবছৰ চলাৰ পাছত যোৰহাটত মহিলা বা যুৱতী সন্ধিয়া কলেজত পঢ়িবলৈ যোৱা কথাটো অতি সাধাৰণ হৈ পৰিল। ফলস্বৰূপে প্ৰথমে যি সকলে সন্দেহ বা সংকোচত মনৰ ইচ্ছা দমাই ৰাখিব লগা হৈছিল সেই সকলো ক্ৰমাৎ আগবাঢ়ি আহিল। বৰ্ত্তমান যোৰহাট নগৰত চাকৰিৰ পৰা অৱসৰ লোৱা এনে মহিলাও যথেষ্ট আছে যিসকলে যোৰহাট কলেজৰ ছাত্ৰী হৈ চাকৰিৰ শেষৰ আঠ দহ বছৰ স্নাতক হিচাবে নিজৰ স্থিতি সুদৃঢ় কৰিছিল।

এসময়ত দুভাগ হোৱা যোৰহাট কলেজ আৰু নিউ যোৰহাট কলেজ পুনৰ একত্ৰিত হ'ল আৰু বৰ্ত্তমানৰ ঠাইলৈ আহিল। কলেজখনৰ স্থিতি সুদৃঢ় হোৱাৰ লগে লগে নৈশ শাখাত ছাত্ৰীৰ সংখ্যাও অধিক বৃদ্ধি পালে। কেৱল যোৰহাট নগৰতে আবদ্ধ নাথাকি নগৰৰ উপকণ্ঠ অঞ্চলৰ তিনি চাৰি মাইল দূৰৰ ছাত্ৰীয়েও বাইচাইকেলেৰে আহি সন্ধ্যা ৫-২০ ৰ পৰা ৯-২০ লৈকে পাঠ গ্ৰহণ কৰি নিৰ্ভয় মনেৰে ঘৰলৈ ঘূৰি যোৱাৰ দৃশ্য এই মহাবিদ্যালয়ৰ শিক্ষকসকলৰ মনত সেউজীয়া হৈ ৰব। এসময়ত যোৰহাট মিচন হস্পিতেল আৰু যোৰহাট অসামৰিক চিকিৎসালয়ৰ পৰিচাৰিকাসকল জাকি মাৰি এই মহাবিদ্যালয়ৰ সান্ধ্য শাখাৰ ছাত্ৰী হৈছিল। সন্ধ্যাবেলা কৰ্ত্তব্য থকা দিনবিলাকত শ্ৰেণীলৈ আহিব নোৱাৰাসকলে পিছদিনা আহি শিক্ষকক এনেভাৱে জনাইছিলহি যে শিক্ষকসকলেও মুগ্ধ হৈ তেওঁলোকক সহায় কৰিব লগা হৈছিল। এনেভাৱে অহা এই ছাত্ৰীসকলৰ প্ৰায় সকলোৱেই সময়ত স্নাতক হৈ মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে নিজৰো উন্নতি কৰিছিল।

১৯৬২ চনৰ পৰা এতিয়ালৈকে যোৰহাট মহাবিদ্যালয়ৰ নৈশ শাখাত ছাত্ৰীয়ে ছাত্ৰৰ দৰেই শিক্ষা গ্ৰহণ কৰি আহিছে। সৌভাগ্যৰ বিষয় যে এই সময় ছোৱাত কলেজ চৌহদত নাইবা কলেজলৈ অহা যোৱা কৰা অৱস্থাত কোনো ছাত্ৰী কিবা অসুবিধাৰ সন্মুখীন হোৱাৰ বাতৰি যোৰহাটৰ বাইজে পোৱা নাই। সময় বাগৰাৰ লগে লগে অসমৰ গাঁৱে-ভূঁঞে মহাবিদ্যালয় স্থাপন হোৱাৰ ফলত আগৰ দৰে ছাত্ৰ বা ছাত্ৰী উচ্চশিক্ষাৰ পৰা বঞ্চিত হব লগা অৱস্থা এতিয়া নাই। ফলস্বৰূপে নৈশ শাখাত আগৰ দৰে বয়সীয়া ছাত্ৰ-ছাত্ৰী নোহোৱাত পৰিছে। বিশেষকৈ যোৱা দুই তিনিবছৰতে নৈশ শাখাত ছাত্ৰীৰ সংখ্যা ক্ৰমাৎ কমি যোৱা দেখা গৈছে। সেয়ে হলেও নৈশ শাখাত ছাত্ৰীয়েও পঢ়াৰ সুবিধা দি যোৰহাট কলেজে যি অভাৱ পূৰণ কৰিলে তাৰ তুলনা নাই। অসমৰ স্ত্ৰী শিক্ষা বিস্তাৰৰ ইতিহাসত ই হৈ ৰব এটি সাহসী পদক্ষেপ। ●

# অধ্যক্ষ °সুৰেন্দ্র নাৰায়ণ ৰাজকুমাৰৰ সোঁৱৰণত

– প্ৰবীৰ কুমাৰ বৰা

সুন্দৰকৈ বগা ধুতি আৰু পঞ্জাৱী চোলা পিন্ধি গাম্ভীৰ্য্যপূৰ্ণ খোজেৰে কেইখনমান কিতাপ হাতত লৈ এজন ব্যক্তিৰ লগত একেলগে কলেজলৈ যাবলৈ ( সেই সময়ত ধুতি পিন্ধিছিল আৰু বেজ-বৰুৱা স্কুলত নৈশ শাখা হৈছিল ) আবেলি প্ৰায় ৪ৼ মান বজাত দাস কোম্পানীৰ ওচৰত ৰৈ থকা আজিও মোৰ স্পষ্টৰূপে মনত পৰে, যদিওবা এইটো আছিল ১৯৬৯/৭০ চনৰ কথা। সেই গাম্ভীৰ্য্যপূৰ্ণ চেহেৰাৰ ; খোজৰ ; কথাৰ মাৰ্জিত ব্যক্তিজনেই আছিল আমাৰ মাজত "ৰাজকুমাৰ" ছাত্ৰৰ মাজত "ৰাজকুমাৰ চাৰ" আৰু পৰিয়ালৰ মাজত আছিল "সুৰেণ ককাইদেউ "।

স্বৰ্গীয় ৰাজকুমাৰৰ লগত যদিওবা মোৰ সৰুৰে পৰা চিনাকি আছিল, প্ৰকৃততে তেখেতৰ ওচৰৰ পৰা জানিবলৈ সুবিধা পাইছিলো ১৯৬৯ চনত যোৰহাট কলেজত চাকৰিত যোগদান কৰি কৰ্ম্ম জীৱনৰ পাতনি মেলাৰ পাচত। "কৰ্ম্মই আছিল ধৰ্ম্ম" তেখেতৰ বাবে। যদিওবা সেই সময়ত যোৰহাট কলেজৰ নৈশ শাখা আৰম্ভ হৈছিল ৫-২০ ৰ পৰা, নিৰ্দিষ্ট সময়ৰ বহুত আগতে তেখেতে কলেজলৈ গৈ নতুন কলেজখনৰ উন্নতিৰ বাবে সেই সময়ৰ অধ্যক্ষ °বিদ্যাকান্ত বৰুৱা চাৰৰ লগত আৰু সেই সময়ৰ মুখ্য কাৰ্য্যালয় সহায়ক মঃ মজিবুৰ ৰহমানৰ লগত অফিচত, গ্ৰন্থাগাৰ আদিত সহায় কৰিছিল আৰু কলেজৰ শ্ৰেণীবিলাক শেষ হোৱাৰ পাচতো বহুত দেৰিকৈ তেখেত ঘৰলৈ উভতি আহিছিল। সেই-কাৰণে মই প্ৰায়েই ৰাজকুমাৰলৈ ৰৈ ৰৈ আমনি লাগি অকলে উভতি আহিছিঁলো। মোৰ আজিও ফটফটীয়াকৈ মনত পৰে ১৯৭৬/৭৭ চনৰ এদিন গধূলি ৬।৭ টামান বজাত নৈশ শাখা চলি আছে ; আমি কেইজনমান শিক্ষকে পাঠদান কৰি আছো। হঠাৎ বিজুলীবাতি নাইকিয়া হল। অন্য শিক্ষকৰ লগতে মইও শ্ৰেণী এৰি ওলাই আহোতে দেখিলো এজন শিক্ষকে "টৰ্চলাইটৰ" পোহৰত পাঠদান কৰি আছে। ভালকৈ চাই দেখিলো সেইজনেই হৈছে আমাৰ মাজৰ ৰাজকুমাৰ। পাচত যেতিয়া শিক্ষকৰ জিৰণি কোঠাত লগ পাই সুধিলো তেওঁ কলে বিষয় ( topic ) এটা পঢ়াই ইমান ভাল লাগিছিল যে এৰি আহিবৰ ইচ্ছা নগলে ।

স্বৰ্গীয় ৰাজকুমাৰৰ কৰ্ম্মনিষ্ঠাৰ প্ৰতি আমাৰ মাজত আলোচনা হয়। সকলো কাম তেখেতে গুৰুত্ব সহকাৰে কৰিছিল। এসময়ত আমি বিভাগীয় মুৰব্বী ( Head of the Dept. ) সকলে আভ্যন্তৰীণ মূল্যাংকণ ( Internal assesment ) দিব লগা হৈছিল। ৰাজকুমাৰ আছিল এই বিষয়ত অতি সাব-ধা। তেখেতে সকলো লৰা-ছোৱালীক তন্ন তন্ন কৰি

চাইহে আভ্যন্তৰীণ নম্বৰ দিছিলে। পৰীক্ষাৰ সময়ত আমি শিক্ষকৰ জিৰণি কোঠাত আভ্যন্তৰীণ মূল্যাং-কনৰ কাম কিমান আগবাঢ়িছে এই বিষয়ে আলোচনা কৰোতে ইজনে সিজনক কওঁ দুই এদিনতে দিম আৰু কিন্তু ৰাজকুমাৰৰ নিচনাকৈ দিবলৈ হলে কমেও আৰু এমাহমান লাগিব। স্বৰ্গীয় ৰাজকুমাৰে আমাৰ মাজত আৰু এটা শিক্ষা এৰি থৈ গল, সেইটো হৈছে তেখেতৰ উচ্চ মনোভাব। প্ৰায় ২/৩ বছৰ অধ্যক্ষ পদটোৰ বাবে তেখেতে এটা গোচৰ তৰি কাছাৰীলৈ অহা-যোৱা কৰিছিল। সেই সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ আছিল শ্ৰীমহেশ চন্দ্ৰ দত্ত। কিন্তু আমি কেতিয়াও দুয়োৰ মাজত বন্ধুত্বৰ সম্বন্ধত চেকাপৰা দেখা নাছিলো। দুয়োৰে মাজত গভীৰ বন্ধুত্বই শিকাই গল— পদবীয়ে কেতিয়াও কোনো ক্ষেত্ৰতেই বন্ধুত্ব হানি কৰিব নোৱাৰে।

তেখেত শিক্ষকৰ উপৰিও এজন ভাল বৈদ্যও আছিল হয়তো এইকথা আনহে নেলাগে আমাৰ কলেজৰ বহুতেই নাজানে। তেখেতে সাপে খোটা কেইবাজনো ব্যক্তিক তেখেতৰ বেজালিৰ জোৰত জীৱন ৰক্ষা কৰিছে। সেই ফালৰ পৰা এজন শিক্ষক হিচাবে নহয় সমাজে এজন অতি প্ৰয়োজনীয় ব্যক্তি হেৰুৱালে। যোৰহাটৰ বৰপুখুৰীৰ পাৰত অৱস্থিত "জয়া ভৱন" আজি এই পৰ্য্যায় পোৱাত তেখেতৰ লেখত লবলগীয়া বৰঙণি আছে। জয়া ভৱনৰ লগত ওতঃ প্ৰোত ভাবে জড়িত বহুতো ব্যক্তিয়ে আজিও এই কথা সোঁৱৰা মই কেইবা ঠাইতো নিজ কাণেৰে শুনি সহকৰ্মী হিচাবে গৌৰব অনুভৱ কৰি আহিছো।

সেই গাম্ভীৰ্য্যপূৰ্ণ মানুহজনৰ গাম্ভীৰ্য্য আৰু বুদ্ধি পালে ১৯৮৯ চনত তেখেতে অধ্যক্ষ পদত যোগদান কৰাৰ পাচত। মাত্ৰ ৭ মাহহে তেখেতে কলেজৰ অধ্যক্ষ ৰূপে থাকিবলৈ পায়। অকালতে তেখেতক কালে হৰি নিয়ে। তেখেতে কলেজখনৰ উন্নতিৰ হকে বহুতো আঁচনি লৈছিল। ৰূপালী জয়ন্তী উৎসৱো তাৰ ভিতৰৰে এটা।

১৯৮৯ চনৰ ৩১ জানুৱাৰীৰ দিনা কলেজৰ প্ৰাণ স্বৰূপ ৰাজকুমাৰৰ দেহাবসান ঘটে।



# জেহিৰুদ্দিন আহমদ স্মৃতি ৰঙ্গমঞ্চ

জেহিৰুদ্দিন আহমদ বা জেহিৰুদ হেডমাষ্টৰ অসমৰ শিক্ষা জগতৰ এটি বিশিষ্ট নাম। নিজে সংসাৰী মায়াত আৱদ্ধ নহৈ বিদ্যালয়কে সেৱাৰ থলী আৰু ছাত্ৰসকলকে নিজৰ বংশধৰ ৰূপে গ্ৰহণ কৰি জেহিৰুদ্দিন আহমদ ডাঙৰীয়াই নিজৰ সমুদায় জীৱন কৰ্ম অৰ্পণ কৰিলে। তেখেতৰ সু-শিক্ষা আৰু নিয়মানুৱৰ্ত্তী আদৰ্শ ই সৃষ্টি কৰিলে এদল সফল নাগৰিক। অসমৰ তথা ভাৰতৰ সমাজ আৰু ৰাজনীতিত বিশিষ্ট স্থান অধিকাৰ কৰা এই লোকসকলে তেখেতসকলৰ একালৰ শিক্ষক জেহিৰুদ্দিন আহমদৰ নাম ওলালেই গুনানুকীৰ্ত্তন আৰম্ভ কৰে। এনে এজন কৃতি তথা নমস্য শিক্ষকৰ স্মৃতি ৰক্ষাৰ জল্পনা-কল্পনা সময়ে সময়ে বিভিন্ন মহলত চলে যদিও সি আলোচনাতে সীমাবদ্ধ হৈ ৰয়। বস্তুত পলমকৈ হলেও এনে এটি চিন্তাই বাস্তৱ ৰূপ গ্ৰহণ কৰিছে যোৰহাট মহাবিদ্যালয় প্ৰাঙ্গনত।

জেহিৰুদ্দিন আহমদ ডাঙৰীয়াৰ জীৱনৰ শেষ কৃতি যোৰহাট মহাবিদ্যালয়। এই মহাবিদ্যালয় প্ৰাঙ্গনতে তেখেতে পুত্ৰযেন জ্ঞানৰা সু-চিকিৎসক আৰু উদীয়মান সমাজকৰ্মী ডাঃ জাকিৰ আহমদৰ দান আৰু তত্ত্বাবধানত লগতে যোৰহাট মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰী সকলৰ সহযোগত নিৰ্মাণ হৈ উঠিছে "জেহিৰুদ্দিন আহমদ ৰঙ্গমঞ্চ"। আশা কৰা হৈছে এই ৰঙ্গমঞ্চক কেন্দ্ৰ কৰি অসমীয়া জাতিৰ কাৰণে আত্মোৎসৰ্গ কৰা এই আদৰ্শ পুৰুষ জনাৰ স্মৃতি ৰক্ষা আৰু আদৰ্শ প্ৰচাৰ চলি থাকিব। ৰঙ্গমঞ্চৰ লগতে এটি পুথিভঁৰাল সৃষ্টি কৰিব পৰাহলে অধিক ফলপ্ৰসূ হলহেঁতেন। এনে এটি সৃষ্টিৰ কাৰণে আহমদ ডাঙৰীয়াৰ প্ৰাক্তন ছাত্ৰ সকলৰ নাইবা গুণমুগ্ধসকলৰ বিত্তশালী কোনো ব্যক্তি আগবাঢ়ি আহিবনে?

# স্মৃতি ৰোমন্থণ

ছায়াৰাণী শৰ্মা, প্ৰধান শিক্ষয়িত্ৰী, তৰাজান হাইস্কুল

অহা ২১ ফেব্ৰুৱাৰীৰ পৰা যোৰহাট মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপিত হব। এই মহাবিদ্যালয়ৰ আৰম্ভণী ভাগতে মই এটা বছৰ ইয়াত অধ্যয়ন কৰিছিলো আৰু ১৯৬৮ চনত এই মহাবিদ্যালয়ৰ পৰাই মই B. A. পাছ কৰো। মই B.A Part II এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিলো। ইয়াৰ আগৰ বছৰত প্ৰাইভেট কৈ পৰীক্ষা দি B.A. Part I পাছ কৰো। সেই সময়ত এই মহাবিদ্যালয়খন নৈশ মহাবিদ্যালয় আছিল। এনেকুৱা নৈশ মহাবিদ্যালয় চাকৰীয়াল সকলৰ বাবে প্ৰেৰণাৰ উৎস। কাৰণ মই দেখিছিলো ইয়াত অধ্যয়ন কৰা বেছি ভাগেই আছিল চাকৰীয়াল। কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰা বহুতো চাকৰীয়ালৰ মনৰ আশা এই মহাবিদ্যালয় খনিয়ে পূৰণ কৰিছিল। অন্য মহাবিদ্যালয়তো নৈশ শাখা আছিল। কিন্তু তেনে মহাবিদ্যালয়ত বয়সৰ ব্যৱধানৰ বাবে অন্য ছাত্ৰ-ছাত্ৰীৰ লগত আমাৰ দৰে বয়সীয়াল চাকৰীয়াল সকলে শিক্ষা গ্ৰহণ কৰাত নিশ্চয় অলপ অসুবিধা পাব। এই মহাবিদ্যালয়খনিয়ে আজি ২৫ বছৰ অতিক্ৰম কৰি ৰূপালী জয়ন্তী উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ত অধ্যয়নৰ সময়খিনি মোৰ বাবে বৰ প্ৰেৰণাদায়ক আছিল। প্ৰবক্তাসকলে বৰ আন্তৰিকতাৰে পাঠদান কৰিছিল।

# মৃদুভাষী, সংস্কৃতিবান সহকৰ্মী প্ৰয়াত তৰুণমোহন গোস্বামী

—অৰুণ পূজাৰী

১৯৮২ চনৰ জানুৱাৰী মাহৰ তৃতীয় সপ্তাহটো যোৰহাট কলেজৰ বুৰঞ্জীত সদায় চিৰস্মৰণীয় হৈ থাকিব। যোৰহাট কলেজৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী বৃন্দই দিনে-নিশাই অক্লান্ত আৰু অবিৰাম শ্ৰম কৰিছে কলেজৰ সাহায্যাৰ্থে অনা 'কহিনুৰ থিয়েটাৰৰ' মঞ্চাভিনয় অনুষ্ঠান সফল কৰি তুলিবৰ বাবে। কাছাৰী ময়দানৰ মঞ্চথলীত শিক্ষকসকল নানা কামত ব্যস্ত। কিন্তু এই অনুষ্ঠানৰ প্ৰধান নায়ক আৰু আমাৰ সকলোৰে অতি মৰমৰ তৰুণমোহন গোস্বামী মঞ্চথলীত নাই। তেখেত এই অনুষ্ঠানটিৰ প্ৰধান সম্পাদকৰ দায়িত্বত আছিল। দুসপ্তাহমান আগতে অসুখ দেখুৱাবৰ বাবে তেখেত ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়লৈ যায়। যাবৰ সময়ত মোৰ ওপৰতে সম্পাদকৰ দায়িত্ব দি তেখেতে দহ-বাৰ দিনৰ ভিতৰতে ঘূৰি আহিম বুলি কৈছিল। সকলো কাম যাতে নিয়াৰিকৈ সমাধা হয় তাৰ বাবে আগতিয়াকৈ বিভিন্ন শাখা সমিতি পাতি দিয়া হৈছিল। প্ৰথম দিনাৰ মঞ্চাভিনয়, ২০ জানুৱাৰীত তেখেত আহি নাপালেহি। খবৰ কৰি জনা গ'ল যে, অসুখ ভাল হৈছে আৰু আজি কালিতে পাবহি।

২১ জানুৱাৰী বৃহস্পতিবাৰে পুৱা সাত বজাত ঘৰৰপৰা কাছাৰী ময়দান উদ্দেশ্যে গৈ আছোঁ। বাটৰ কাষতে থকা আমাৰ 'চোলাধৰা প্ৰগতি সমাজ'ৰ সম্পাদকে সমাজৰ পতাকাখনি অৰ্ধনমিত কৰিছে। মোক দেখি প্ৰসংগবিহীনভাৱে ক'লে, "তৰুণমোহন গোস্বামী ঢুকাল।" মোৰ অৱস্থা বিশ্বৰ অন্যতম বুৰঞ্জীবিদ্ এইচ্ জি. ওৱেলচৰ ভাষাত "Like a man, who is told that his house is on fire" কিংকৰ্তব্য বিমূঢ় হৈ ওচৰতে থকা অধ্যক্ষাৰ বাসভৱনলৈকে বেগাই গ'লো। দেখিলো অধ্যক্ষা আৰু তেখেতৰ স্বামী ডঃ নীলকমল বেজবৰুৱা অতি বিষণ্ণ মনে সন্মুখৰ বাৰান্দাত বহি আছে। বুজিবলৈ একো বাকী নাথাকিল। পৃথিবীখন ভৰিৰ তলৰপৰা যেন আঁতৰি গৈছে।

খন্তেক পাছতে সম্বিত ঘূৰাই পোৱাত অতি বিষণ্ণ মন আৰু অলস ভৰি দুখনেৰে খোজ কাঢ়িয়েই কাছাৰী ময়দান পালোগৈ। তাত থকা মঞ্চথলীত সকলো ব্যস্ত। টিকটৰ অগ্ৰীম বিক্ৰিকেন্দ্ৰত থকা অধ্যাপক প্ৰকাশ গোস্বামীক কথাটো ক'লো। তেখেতে হাতৰ কলম পেলাই দি আশ্চৰ্য আৰু বিষাদত চিঞৰি উঠিল। সহকৰ্মী অধ্যাপক আৰু অন্যান্য কৰ্মচাৰীবৃন্দই কথাটো গমপাই শোকত ম্ৰিয়মান হ'ল। কোলাহলপূৰ্ণ মঞ্চথলী খন্তেকতে মৰিশালীত পৰিণত হ'ল।

তৰুণমোহন গোস্বামীৰ জন্ম হৈছিল নগাঁৱৰ প্ৰসিদ্ধ ধিং অঞ্চলত। ৺মাণিকচন্দ্ৰ গোস্বামীদেৱৰ কণিষ্ঠ পুত্ৰ ৺গোস্বামী সৰুৰে পৰা মেধাৱী আৰু তীক্ষ্ণবুদ্ধিসম্পন্ন আছিল। ধিং কে, বি, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰথম বিভাগত অংক আৰু বুৰঞ্জীত 'লেটাৰ' লৈ তেখেতে প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তাৰ পাছত কটন কলেজৰ পৰা সুখ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ অৰ্থনীতি বিষয়ত প্ৰথমে গুৱাহাটী বিশ্ববিদ্যালয় আৰু পাছত কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা তেখেতে স্নাতকোত্তৰ উপাধি লয়। শিক্ষা সাং কৰি তেখেতে কিছুদিন ধিং কে. বি, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। শিক্ষক হিচাপে কৃতিত্ব অৰ্জন কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলক নানা বিষয়ত আগবঢ়াই নিবলৈ তেখেত সক্ষম হৈছিল।

১৯৬২ চনৰ আগষ্ট মাহত ৺গোস্বামীদেৱে নৱ প্ৰতিষ্ঠিত নিউ যোৰহাট কলেজত অধ্যাপক পদত যোগদান কৰে। কলেজত সফলতাৰে শিক্ষাদান কৰাৰ উপৰিও নতুন কলেজখনি সু-প্ৰতিষ্ঠিত কৰিবৰ বাবে নানা গঠনমূলক কাম সফলতাৰে সমাধা কৰিছিল। সেই সময়ত চোলাধৰাত কলেজ শিক্ষকৰ এটা 'গেষ্ট হাউছ' আছিল। ৺গোস্বামী যোৰহাটৰ সংস্কৃতিৱান ব্যক্তিসকলৰ অতি প্ৰিয়পাত্ৰ হৈ পৰিছিল। নিশা বহুপৰলৈকে এই বাসগৃহত সংগীতৰ চৰ্চা আৰু অনুশীলন হৈছিল। 'বহুব্ৰীহি' নামৰ এটি সাংস্কৃতিক অনুষ্ঠান ৺গোস্বামীৰ চেষ্টাতেই গঠন হৈছিল। এই অনুষ্ঠানে যোৰহাটত কেইবাটাও আকৰ্ষণী সংগীত সন্ধিয়া সফলতাৰে পাতিছিল। ৺গোস্বামীৰ সংগলাভ ইমানেই প্ৰিয় আছিল যে, বহুত বয়সিয়াল ব্যক্তি তেখেতৰ সান্নিধ্য লাভৰ বাবে এই গৃহলৈ অহা-যোৱা কৰিছিল। যোৰহাটলৈ অহাৰ আগতে তেখেতে গুৱাহাটীৰ নতুন অসমীয়া প্ৰেছত কিছুদিন কাম কৰিছিল। সাংবাদিকতাৰ ক্ষেত্ৰতো বন্ধুমহলত ৺গোস্বামীদেৱে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

১৯৭০ চনত একে সময়তে প্ৰতিষ্ঠা হোৱা 'যোৰহাট কলেজ' আৰু 'নিউ যোৰহাট কলেজ' দুখন একত্ৰিত কৰি এখন পূৰ্ণাংগ কলেজ প্ৰতিষ্ঠা কৰা হয়। এই নতুন কলেজখনৰ নাম ৰখা হয় 'যোৰহাট কলেজ ( এমেলগেমেটেড )।' ৺গোস্বামীয়ে এই কলেজত অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অধ্যাপনা কৰিছিল। যোৰহাট কলেজৰ উপৰিও তেখেতে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ বাণিজ্য শাখাতো অংশকালীন অধ্যাপক হিচাপে শিক্ষাদান কৰিছিল। শিক্ষক হিচাপে তেখেতে নিষ্ঠা আৰু পাৰদৰ্শিতাৰে ছাত্ৰ-ছাত্ৰীৰ মন জয় কৰিব পাৰিছিল। তেখেতৰ বিয়োগত যোৰহাটৰ কলেজীয়া শিক্ষাত বাৰুকৈয়ে আঘাত পৰিছিল। ১৯৭২ চনত কলেজে ঘাটি-মঞ্জুৰী পোৱাত তেখেতে চোলাধৰাৰ তৰাজানৰ পাৰতে নিগাজীকৈ ঘৰ সাজে। ইতিমধ্যে ৺গোস্বামীয়ে ৰেণু গোস্বামীক বিয়া কৰায়। শ্ৰীযুতা গোস্বামী বৰ্তমান কাকজান কলেজৰ শিক্ষা বিভাগৰ অধ্যাপিকা। ৺গোস্বামীৰ পৰিয়ালত পৰিবাৰৰ উপৰিও দুটি কন্যা সন্তান আৰু একমাত্ৰ পুত্ৰ সন্তান শ্ৰীমান শিবু এতিয়া চেমনীয়া অৱস্থাত। ফুলকুমলীয়া শিশুকেইটিৰ ভগৱান সহায় হওক! এইয়ে আমাৰ একমাত্ৰ কামনা।

১৯৭৩ চনৰ মাজভাগত ৺গোস্বামীয়ে গভীৰ উদ্বেগ আৰু অনিচ্ছাৰে কৰ্তৃপক্ষৰ এবাৰ নোৱাৰা হেঁচাত উপাধ্যক্ষৰ পদ ল'বলগীয়া হয়। এই পদত

অধিষ্ঠিত হৈ তেখেত সমূলি সুখী হোৱা নাছিল। তেখেতে উপাধ্যক্ষৰ আচবাব কাহানিও ব্যৱহাৰ কৰা নাছিল আৰু সহকৰ্মীসকলকো সেই পদমৰ্য্যাদাৰে চোৱা নাছিল। বৰং তেখেতে সকলো সময়তে শিক্ষকৰ জিৰণি কোঠাত থাকি সহকৰ্মী অধ্যাপকসকলৰ দিহা-পৰামৰ্শৰেহে কাম কৰিছিল। তেখেতৰ আশা-শুধীয়া ব্যৱহাৰে সকলোৰে শ্ৰদ্ধা আদায় কৰিব পাৰিছিল।

যোৰহাট কলেজলৈ ৺গোস্বামীদেৱৰ যথেষ্ট অৱদান আছে। শিক্ষাদানৰ উপৰিও কলেজৰ প্ৰশাসনীয় কামত তেখেতৰ গঠনমূলক আৰু কাৰ্য্যকৰী পৰামৰ্শই নতুন কলেজখনক দৃঢ় ভেটিত প্ৰতিষ্ঠা কৰাত যথেষ্ট সহায় কৰিছিল। বৰ্তমান কলেজৰ যিটি অডিটৰিয়াম সম্পূৰ্ণ হৈ উঠিল তাৰ প্ৰধান উদ্যোক্তা ৺গোস্বামীদেৱেই। কিন্তু দুখৰ বিষয় এই নতুন ভৱন সম্পূৰ্ণ হোৱা তেখেতে নেদেখিলে। কলেজৰ চৌহদত স্থায়ী বেৰা দিবৰ বাবে তেখেতে প্ৰায় সকলো সামগ্ৰীয়েই সংগ্ৰহ কৰি থৈ গৈছে। কিন্তু আজি পৰ্যিমত এই কাম হৈ উঠা নাই। তেখেতৰ আত্মাৰ সন্তুষ্টিৰ বাবে এই কাম অতি শীঘ্ৰে হাতত লোৱাতো সকলোৰে কৰ্তব্য বুলি ভবা হৈছে।

১৯৭৬ চনৰ অক্টোবৰ মাহত যোৰহাট কলেজৰ এটা সাংস্কৃতিক দলে অৰুণাচল প্ৰদেশৰ টিৰাপ সীমান্তত সাংস্কৃতিক বিনিময়ৰ উদ্দেশ্যে ভ্ৰমণ কৰিছিল। দলটোত ছাত্ৰ-ছাত্ৰীৰ উপৰিও সাতজন কলেজ শিক্ষকে অংশ গ্ৰহণ কৰিছিল। ৺গোস্বামী দলটিৰ প্ৰাণ স্বৰূপ আছিল। তেখেতৰ সংগীতত থকা অসাধাৰণ ব্যুৎপত্তিয়ে দলটোৰ ভ্ৰমণ সফল কৰাত বিস্তৰ অৰিহণা যোগাইছিল। টিৰাপৰ শিখৰে শিখৰে থকা গাওঁবোৰত তেখেতে মুকলি মঞ্চৰ বাকৰিত গাইছিল আৰু নাচিছিল। আমিও তেখেতৰ লগত জনজাতীয় ভাইহঁতৰ মাজত নাচি নাচি আপোন পাহৰা হৈছিলোঁ। টিৰাপৰ প্ৰাণ কেন্দ্ৰ খুনচা নগৰীৰ বাজহুৱা প্ৰেক্ষাগৃহত তেখেতে জনজাতীয় ৰাইজক আদৰণি জনোৱাৰ উপৰিও উদাত্ত কণ্ঠেৰে— "চাৰে জাহাসে আচ্ছা" আৰু "উই আৰ ইন ডি চেম বোট এণ্ড ব্ৰাদাছ..." গীত দুটি পৰিবেশন কৰি দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। খুনচাৰ স্মৃতি আমাৰ মনত চিৰ যুগমীয়া হৈ ৰ'ব।

৺তৰুণমোহন গোস্বামী 'চোলাধৰা প্ৰগতি সমাজৰ' উপসভাপতি আছিল। এই অনুষ্ঠানটি প্ৰতিষ্ঠা কৰাত তেখেতৰ দান উল্লেখযোগ্য। চোলাধৰা 'প্ৰগতিকামী মইনা পাৰিজাতৰ' অনুষ্ঠানসমূহতো তেখেতে সক্ৰিয় সহযোগ আগবঢ়াইছিল। নৃত্য গীত সাহিত্য, অভিনয় আদি বিষয়ত তেখেতৰ যথেষ্ট জ্ঞান আছিল। প্ৰখ্যাত সুৰ-শিল্পী ড° ভূপেন হাজৰিকাক তেখেতে বৰ ভাল পাইছিল। এই শিল্পীগৰাকীয়ে দুবাৰো ধিঙত গীত পৰিবেশন কৰিছিল আৰু ৺গোস্বামীয়ে প্ৰখ্যাত সুৰ-শিল্পীগৰাকীৰ লগত সমস্বৰে গীত গাইছিল। ধিঙৰ ৰাসোৎসৱত ৺গোস্বামীয়ে শ্ৰীকৃষ্ণৰ চৰিত্ৰ অভিনয় কৰি দৰ্শকৰ প্ৰশংসা লাভ কৰিছিল। নিজে দুই এখন নাটকো ৰচনা কৰিছিল। তেখেতে কেইবাটাও গধুৰ প্ৰবন্ধ, গীত গল্প আৰু কবিতা ৰচনা কৰিথৈ গৈছে। অৱশ্যে এই নীৰৱ সাধকগৰাকীয়ে সেইবিলাকৰ প্ৰকাশৰ বাবে কোনো চেষ্টাই কৰা নাছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুখন পাঠ্যপুথি তেখেতে ৰচনা কৰিছিল। অসম সাহিত্য সভাৰ ধিং অধিবেশনত তেখেতে দেহেকেহে খাতি অধিবেশনখন সাফল্যমণ্ডিত কৰি তোলাত সহায় কৰিছিল। ধিং পাব্লিক লাইব্ৰেৰী তেখেতৰ চেষ্টাতেই এটি

সমগ্ৰ অঞ্চলৰ লেখত ল'বলগীয়া অনুষ্ঠানত পৰিণত হৈছিল। কিতাপ পঢ়াতো তেখেতৰ জীৱনৰ অংগ স্বৰূপ আছিল। ধিং নাট্যমন্দিৰৰ অগ্ৰগতিতো তেখেতৰ অৱদান যুগমীয়া হৈ থাকিব। যোৰহাটৰ টিচাৰ্চ ক্লাব, কলেজ শিক্ষক সমন্বয়ৰক্ষী সমিতি, অসম কলেজ শিক্ষক সন্থা সকলো কাৰ্য্যসূচীত তেখেতে সক্ৰিয় সহযোগ আগবঢ়াইছিল। যোৰহাটত এটা চিনে ক্লাব প্ৰতিষ্ঠা কৰিবৰ বাবে তেখেতে প্ৰচেষ্টা কৰিছিল। কিন্তু কালৰ গৰাহত তেখেতৰ কাম অসম্পূৰ্ণ হৈ ৰ'ল।

৺গোস্বামীৰ শিষ্টাচাৰ অতি মধুৰ আছিল। তেখেত ইমান মাৰ্জিত, সংস্কৃতিৱান আৰু ভদ্ৰ আছিল যে তেখেতৰ আচৰণে স্বভাৱতে কঠুৱা আৰু অসংযত লোককো সংযত হ'বলৈ বাধ্য কৰিছিল। ৺গোস্বামীৰ পবিত্ৰ ব্যক্তিত্বৰ স্মৃতি তেখেতৰ বন্ধুবৰ্গৰ মাজত চিৰযুগমীয়া হৈ ৰ'ব। মৃত্যুৰ কেইমাহমান আগৰেপৰা তেখেতে 'গেষ্ট্ৰিক আলচাৰ' ৰোগত ভুগিছিল। সৰু সংসাৰখনৰ অকৃত্ৰিম মোহ আৰু ৰোগৰ যন্ত্ৰণাত তেখেতে কেতিয়াবা মাজনিশা উচুপি উচুপি কান্দিছিল।

ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত তেখেতৰ অষ্ট্ৰোপচাৰ হৈছিল। কেইদিনমান ভালে থকাৰ পাছত নানা অস্বাভাৱিক উপসৰ্গই দেখাদি অৱস্থা সংকটাপন্ন কৰে। অৱশেষত ২১ জানুৱাৰী বৃহস্পতিবাৰে পুৱা সকলোকে কন্দুৱাই ৪—২০ মিনিটত সকলো চেষ্টা বিফল কৰি তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। ৺গোস্বামীৰ শৱদেহ ডিব্ৰুগড়ৰপৰা জন্মস্থান ধিঙলৈ নিয়াৰ পথত যোৰহাটৰ নিজা বাসভৱনত খন্তেকৰ বাবে ৰখা হয়। তেখেতৰ বন্ধুবৰ্গ, যোৰহাটৰ সমূহ কলেজ শিক্ষক, যোৰহাট কলেজৰ ছাত্ৰ একতা সভাৰ হৈ শৱদেহত মাল্যপ্ৰদান কৰা হয়। কলেজৰ শিক্ষক-ছাত্ৰৰ এটা দল শৱদেহৰ লগত ধিঙলৈ যায় আৰু তাতে পৰিয়ালবৰ্গ আৰু বন্ধু-বান্ধৱৰ মাজত শেষকৃত্য সম্পন্ন কৰা হয়।

# স্মৃতিৰ এলবামত যোৰহাট কলেজ ০ ০ ০

—অশোক কুমাৰ বৰুৱা

যোৰহাট কলেজত কটোৱা কেইবাটাও বছৰৰ অজস্র সজীব স্মৃতি মনৰ এলবামত চেলুলয়ডৰ দৰে গাঠি থোৱা আছে। কিন্তু স্মৃতিগ্রন্থৰ বাবে কিবা এটা লিখিবলৈ হাতত কলম তুলি বাৰে বাৰে থমকি ৰৈছো। ক'ৰ পৰা আৰম্ভ কৰো ক'ত কৰো শেষ !! যিমানেই চেষ্টা কৰিছো স্মৃতিৰ সেই অফুৰন্ত উৎসই মনৰ সন্মুখত অগা-দেৱা কৰিছে। আমনি কৰিছে ড° ভূপেন হাজৰীকাৰ সেই বিখ্যাত গীতৰ কলিটোৱে "কত দিন একেলগে বজালোযে ৰীণ, সোণ সৰিপৰা ক'ত সেই সোণালী সুদিন"'।

১৯৮৩ চন। কৈশোৰ অতিক্রম কৰি যৌৱনৰ দুৱাৰ দলি গৰকিছো তেতিয়া। কলেজত নাম ভৰ্ত্তি কৰি এটা দুৰু দুৰু ভাব লৈ ক্লাছ কৰিবলৈ আৰম্ভ কৰিছো। পি. পি. জি ছাৰৰ ইংৰাজী ৰেপিড ৰিডাৰ, প্রকাশ গোস্বামী চাৰৰ অন্তৰ পৰশি যোৱা অসমীয়া কবিতাৰ ব্যাখ্যা, চিগাৰেটত টান দি ধীৰে ধীৰে বুজুৱা এইছ. কে. ডি চাৰৰ ইকনমিক্সৰ থিয়ৰী ক্রমহ্রাসমান উপযোগিতা বিধি Law of Diminishing Utility............। ক্রমে উপলব্ধি কৰিলো বহু ক্ষেত্রত যেন যোৰহাট কলেজখন কিছু ব্যতিক্রম। ছাত্র-ছাত্রী বোৰ অত্যধিক সহজ সৰল! চৌখিনতা আৰু বাহ্যিকতা বৰ্জিত পৰিবেশে কলেজ খনৰ প্রতি থকা দুৰ্বলতাক অধিক জীপাল কৰি তুলিলে। কোনো অহমিকা প্রকাশ নকৰাকৈ অগ্রজ ছাত্র-ছাত্রীসকলে আমাৰ লগত গঢ়ি তুলিলে ঘনিষ্ঠতা। ইতিমধ্যে ক্লাচ ৰুমৰ ভিতৰতো চিনাকিৰ সংখ্যা বাঢ়িছিল, উদয়, পলাশ, মণি মেৰিণ ...... । দিন আগবঢ়াৰ লগে লগে যোৰহাট কলেজৰ স্পন্দনশীল গতিটোৰ লগত আমাৰ সম্পৰ্ক অধিক নিবিড়তৰ হৈছিল। সেয়েই আৰম্ভণি ...... ।

তাৰ পাছত আৰু থমকি ৰোৱা নাই। একান্ত অন্তৰংগতাৰে যোৰহাট কলেজৰ ঘাই সুঁতিটোৰ লগত এক হৈ গৈছিলো। বহুজনৰ ত্যাগ আৰু শ্ৰমেৰে গঢ়লৈ উঠা যোৰহাট কলেজ খনৰ অভাৱ-অভিযোগৰ তালিকা এখন তেতিয়াও আছিল। কিন্তু ক্ষুণ্ণ হোৱা নাছিলো। বৰঞ্চ পুৰণা ছাত্র-ছাত্রী সকলৰ মৰম আৰু সহযোগিতাই মনলৈ কঢ়িয়াই আনিছিল দুৰ্বাৰ উৎসাহ। প্রতিজন শিক্ষক-শিক্ষয়িত্রীৰ আন্তৰিকতাপূৰ্ণ সহযোগিতাই মনত অন্য এক উপ-

লব্ধিৰ জন্ম দিছিল। বোধ কৰো অন্য শিক্ষানুষ্ঠানত, ছাত্ৰ আৰু শিক্ষকৰ মাজত এনে মধুৰ সম্ভাৱ নাই। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি প্ৰতিজন কৰ্ম-চাৰী, চৌকিদাৰ জনলৈকে আছিল সেই আন্তৰি-কতাৰ গভীৰতা। সেয়েহে হয়তো আজিও বিভিন্ন সময়ত বিভিন্ন স্থানত লগ পাওঁতে পুৰণা ছাত্ৰ-ছাত্ৰী সকলে য'তেই নেদেখক এক মুহূৰ্ত্তৰ বাবেও আগবাঢ়ি আহি যেতিয়া কুশল বাৰ্ত্তা সোধে, সচাই এক অনাবিল প্ৰশান্তিত ভৰি পৰে মন। যিদৰে সিদিনা ৰূপালী জয়ন্তীৰ খবৰ কৰিবলৈ কলেজলৈ যাওঁতে উৎসাহেৰে আহি চৌকিদাৰ জয়ৰাম কাইয়ে সুধিছিল "কি খবৰ ভালে আছা, অশোক"! কি সেই নিৰ্ভেজাল আন্তৰিকতা!

কলেজ উইক, সৰস্বতী পূজা, নাইবা লুইতৰ বালিচন্দা জিলিকা বালিত খোৱা বনভোজ অথবা কহঁৰাৰ নৈসৰ্গিক বিচিত্ৰতাৰ মাজত সমনীয়াৰ সৈতে নিজকে বিলাই দিয়াৰ সেই অনুপম স্মৃতিয়ে আজিও মন ভৰাই ৰাখিছে। কেতিয়াবা কোনো একাঙ্ক নাট প্ৰতিযোগিতাত যোগদান কৰি হাতত বিজয়ৰ বঁটা লৈ বিনিদ্ৰ ৰজনী কটোৱাৰ কথা জানো কোনোবাই পাহ-ৰিব পাৰে। হয়তো কেতিয়াবা কলেজ উইকৰ গেট সাজি, কেতিয়াবা নবাগত আদৰণি সভাৰ নৈশ সাং-স্কৃতিক কাৰ্যসূচী সম্পূৰ্ণ কৰি ওৰে নিশা লগৰ ল'ৰাৰ সৈতে ইউনিয়ন হলত ম'হৰ কামোৰ খাই শুই থকাৰ কথা জানো পাহৰিব পাৰিম? সৰস্বতী পূজাৰ কাম শেষ কৰি খাবলৈ একো নথকাত আমি কেইবাটায়ো এবাৰ হোটেলে হোটেলে খোৱা বস্তু বিচাৰি নিশা পলমকৈ ঘৰলৈ উলটিছো খালি পেটেৰে, অথচ কোনো বিৰক্তি নাই। আনহাতে অফ পিৰিয়দত ব্লাইন্দ স্কুলৰ কাষৰ শুকুলা কহুৱাৰ তলত বহি খোৱা চিগাৰেট নাইবা ইন্দ্ৰপুৰীৰ একাপ গৰম চাহৰ তৃপ্তি আৰু স্মৃতি মনত সদায় অনন্য হৈ ৰ'ব। অনন্য হৈ ৰ'ব, বন্ধু বান্ধবীৰ লগত বাৰান্দা নাইবা গছ কেইজোপাৰ তলত বহি ঘণ্টাৰ পিছত ঘণ্টাকৈ মৰা দিঘলীয়া ৰসাল আড্ডাৰ সেই অনুপম স্মৃতি।

কলেজীয়া সহপাঠী বহুবোৰেই এতিয়া বিভিন্ন স্থানত, উদয় বেঙ্কৰ চাকৰীয়াল, দীপঙ্কৰ বাতৰি কাকতৰ প্ৰতিনিধি বিপিন গোস্বামী এইখন কলেজৰে প্ৰবক্তা, ৰুণুমী নাইবা অন্যবহুতেই এতিয়া কাৰোবাৰ ঘৰৰ সু-গৃহিনী। কিন্তু ৰূপালী জয়ন্তীৰ মুহূৰ্ত্তত কলেজখনৰ কথা কোনেও পাহৰা নাই। মৰমৰ কলেজখনৰ চৌহদত পুনৰ এবাৰ এক লগ হ'ম, এই প্ৰতিশ্ৰুতি সকলোৱেই দিছে। কাৰোবাক হয়তো লগ পাইছো কাৰোবাক পোৱা নাই অথচ সেই আপোনজনৰ স্মৃতিৰে প্ৰত্যেকৰে মন সজীৱ, চিৰ-সেউজ। যিদৰে চিৰসেউজ হৈ থাকে কাহানিও পাত সৰি লঠঙা নোহোৱা কলেজৰ সন্মুখৰ সেই একেছিয়া গছ কেইজোপা!

# যোৰহাট মহাবিদ্যালয় নির্ম্মাতা
# খান বাহাদুৰ জেহিৰুদ্দিন আহমদ

—হেমকান্ত নেওগ

যোৰহাট আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা যোৰহাট চৰকাৰী হাইস্কুলত পঢ়িবলৈ অহা ছাত্ৰ সকলৰ মাজত শিক্ষা বিস্তাৰ কৰি খানবাহাদুৰ জেহিৰুদ্দিন আহমদ চাৰে যি সুখ্যাতি অৰ্জন কৰি গ'ল সেইখিনি পুনৰ কৈ আমি পাঠক সকলক আমনি দিব খোজা নাই। কাৰণ যোৰহাট চৰকাৰী হাইস্কুলৰ ইতিহাসে যুগ যুগ ধৰি এই গৰাকী কৃতি শিক্ষকৰ কীৰ্তিত্ব প্ৰকাশ কৰি আহিছে। আমি এই ক্ষুদ্ৰ প্ৰবন্ধৰ জৰিয়তে আহমদ চাৰৰ যোৰহাট মহাবিদ্যালয়ৰ লগত সমন্ধৰ কথাহে পাঠক সকলৰ আগত দাঙি ধৰিব খুজিছো।

দেশ সেৱা বা সমাজ সেৱা কৰিবলৈ মানুহক শাৰীৰিক শক্তিতকৈ মানসিক শক্তিৰহে বেছি প্ৰয়োজন বুলি ভাবো। যি সময়ত আহমদ চাৰ যোৰহাট মহাবিদ্যালয়ৰ পৰিচালনা কমিটিৰ সভাপতিৰ ভাৰ গ্ৰহণ কৰিছিল সেই সময়ত তেখেতৰ বয়স চাৰি-কুৰিৰো ওপৰত আছিল। বাৰ্ধক্যই তেখেতক মহাবিদ্যালয়খনৰ সেৱাৰ কাৰ্য্যত অকণো বাধা দিয়া নাছিল। বৰং হাইস্কুলত থকা কালছোৱাৰ উদ্যমেৰে মহাবিদ্যালয়খনৰ সেৱাত ব্ৰতী হৈছিল। যোৰহাট মহাবিদ্যালয়খন আৰম্ভ কৰাৰ লগে লগেই তেখেতে পৰিচালনা কমিটিৰ সভাপতিৰ ভাৰ লয় আৰু তেখেতেই এড্‌ভোকেত বিদ্যা কান্ত বৰুৱা দেৱক মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব দিয়ে। মহাবিদ্যালয়খনৰ শ্ৰেণী সমূহ প্ৰথমে ভকেচনেল হাইস্কুল ঘৰত আৰু পিছলৈ যোৰহাট বেজবৰুৱা হাইস্কুল ঘৰত চলোৱা হৈছিল। প্ৰতিদিনে আহ-মদ চাৰে সন্ধ্যাৰ আগে আগে সুন্দৰ আৰু পৰিপাটি পোচাক পিন্ধি মহাবিদ্যালয়লৈ আহি অধ্যক্ষ আৰু শিক্ষকসকলৰ লগত মহাবিদ্যালয়খনৰ নিজা মাটি আৰু ঘৰদুৱাৰ সম্পৰ্কে আলোচনা কৰিছিল। ইংৰাজী বিভাগৰ শিক্ষকসকলক ইংৰাজী ব্যাকৰণ বিশেষকৈ tense ৰ ওপৰত জোৰ দিবৰ বাবে পৰামৰ্শ দিয়াৰ কথা আজিও মনত পৰে।

মহাবিদ্যালয়খন আৰু ইয়াৰ শিক্ষক সকলক তেখেতে ইমান ভাল পাইছিল যে আমি কথাৰে প্ৰকাশ কৰিব নোৱাৰো। কোনোবা এজন শিক্ষকক যদি তেখেতে এক সপ্তাহ মান নেদেখে তেতিয়া তেখেতে সেইজন শিক্ষকৰ বিচাৰ লৈছিল। এবাৰ প্ৰবক্তা চৈয়দ বদিউজ জামানৰ ঘৰত জীয়েকৰ বিয়া হৈছিল। বিয়ালৈ সকলোবোৰ শিক্ষক-শিক্ষয়িত্ৰী গৈছিল। আহমদ চাৰে আমাৰ অভ্যৰ্থনাৰ ভাৰ

নিজেই লৈছিল। বিবাহ মণ্ডপত আমি বহি থাকোতে দুই এজন লোকে আহমদ চাৰক কৈছিল যে তেখেতৰ কলেজৰ শিক্ষক সকল আটাইবোৰেই ডেকা গাভৰু। তেতিয়া চাৰে খুব গৰ্ব্বেৰে কৈছিল, "মই এওঁলোকক পঢ়ুৱাবলৈ পোৱা নাছিলো নহয়। এওঁলোকৰ দেউতাকহঁতকহে পঢ়াইছিলো।"

মহাবিদ্যালয় খনৰ বাবে কেনেদৰে কেইবিঘা মান মাটি ল'ব পৰা হয় সেই বিষয়ে আহমদ চাৰ আৰু পৰিচালনা কমিটিৰ সদস্য সকলে অনৰ্গল চিন্তা কৰিছিল। এই সময়তে পোন প্ৰথমে চাহ খেতিয়ক শশী প্ৰসাদ বৰুৱাৰ পৰা ন আলিৰ দাতিত ৭ বিঘা মাটি আৰু এটা অৰ্দ্ধ নিৰ্মিত ঘৰ কলেজৰ নামত দান লোৱা হৈছিল। এই দান বৰুৱাদেৱে তেখেতৰ মৃত বৰ পুত্ৰৰ নামত ৰেজিষ্টাৰী কৰি দিছিল। কিন্তু পিছলৈ কলেজ কৰ্তৃপক্ষই সেইদান ঘূৰাই দিয়াত বৰুৱাৰ পৰিয়ালে ৰেজিষ্ট্ৰেচন বাতিল কৰিলে। ইতিমধ্যে বৰ্ত্তমান মহাবিদ্যালয়খন থকা মাটি খিনি এনেয়ে চন পৰি থকাৰ কথা গম পাই আমি কেইবাজনো লোকে আহমদ চাৰক লগত লৈ অসমৰ সেই সময়ৰ মুখ্য মন্ত্ৰী বিমলা চলিহাক যোৰহাট চাৰ্কিট হাউচত লগ ধৰিলো। মুখ্য মন্ত্ৰীয়ে চাৰক দেখি অতি সন্তোষ পাই আমাৰ মাটিৰ আবেদন গ্ৰহণ কৰি আমি কলেজৰ বাবে মাটি পোৱাতো একৰকম নিশ্চিত কৰি দিলে। সচাকৈয়ে কিছু দিনৰ পিছত আমি এই মাটিখিনি লাভ কৰিলো আৰু সেই মাটিতে বৰ্ত্তমান পূবা-পশ্চিমাকৈ থকা ঘৰটোৰ কাম আৰম্ভ কৰিলো। ঘৰটোৰ নিৰ্মাণৰ বাবে আৱশ্যকীয় টকা আমি শিক্ষক আৰু ছাত্ৰ সকলে বহাগৰ বিহুত হুচৰি গাই আৰু অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ পৰা দান বৰঙণি সংগ্ৰহ কৰিছিলো। পৰিচালনা কমিটিৰ সদস্য সকলেও আহমদ চাৰক লগত লৈ অনেক ব্যক্তি আৰু অনেক ঠাইৰ পৰা টকা সংগ্ৰহ কৰিছিল। এই ঘৰ নিৰ্মাণ কাৰ্য্যত নবীন চন্দ্ৰ বৰুৱা দেৱৰ দিহা পৰামৰ্শৰ কথা পাহৰাতো অসম্ভৱ। বিশেষকৈ পাহৰিব নোৱাৰি আহমদ চাৰে গৰম ঠাণ্ডা, ৰ'দ বৰষুণ একো নামানি মূৰত ছাতিটো লৈ অনৰ্গল নিৰ্মাণ কাৰ্য্য চাই থকা দৃশ্যটো। মহাবিদ্যালয়খনৰ একাডেমিক দিশৰ বাদে বাকীবোৰ দিশত যেনে ছাত্ৰ-ছাত্ৰীৰ খেলাধূলা, সঙ্গীত প্ৰতিযোগিতা, কলেজ সপ্তাহ আদি সকলোতে তেখেত উপস্থিত আছিল। অধ্যক্ষ বিদ্যাকান্ত বৰুৱাদেৱে প্ৰশাসনৰ ক্ষেত্ৰত সদায়েই আহমদ চাৰৰ সম্পূৰ্ণ দিহা-পৰামৰ্শ লাভ কৰিছিল।

অৱশেষে কলেজ দুখনৰ একত্ৰিকৰণৰ ক্ষেত্ৰত আহমদ চাৰে প্ৰথমে কিছু প্ৰতিবাদ নকৰা নহয়। কিন্তু দুয়োখন কলেজৰ শিক্ষক সকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি আৰু বিশেষকৈ শ্ৰীদুলাল চন্দ্ৰ বৰুৱা আৰু সেই সময়ৰ অসমৰ শিক্ষাধিকাৰ শ্ৰীগোপাল চন্দ্ৰ শৰ্মা বৰুৱাদেৱৰ অনুৰোধ ৰক্ষা কৰিয়েই আহমদ চাৰে কলেজ দুখন একত্ৰিকৰণ কৰাত সম্মতি প্ৰকাশ কৰিলে। একত্ৰিত কলেজ খনৰ পৰিচালনা কমিটিৰো তেখেতেই প্ৰথম সভাপতি হয়। যোৰহাট মহাবিদ্যালয়ৰ ইতিহাসে এইজনা কৃতি শিক্ষকক আৰু তেখেতৰ কলেজৰ প্ৰতি নিস্বাৰ্থ সেৱাৰ কথা সদায়েই সুঁৱৰি থাকিব।

# আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃজনীশীল কৰ্ম

সাধাৰণতে ভৱা হয় যে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ পঢ়া, পঢ়ুউৱা আৰু লিখা এই তিনিটাই প্ৰধান কাম। সেই সূত্ৰেই এইসকলৰপৰা সাহিত্য ৰাজনীতি, অৰ্থনীতি, বিজ্ঞান দৰ্শন আদি বিভিন্ন ক্ষেত্ৰত নতুন নতুন লিখনীৰ মাজেদি নতুনত্বৰ প্ৰয়োগ হোৱাটো সমাজে বিচাৰে। অৱশ্যে সমসাময়িক আৰ্থ সামাজিক ব্যৱস্থাই এনে কৰ্মৰ প্ৰতি আগ্ৰহীসকলকো বাধা-গ্ৰস্ত কৰিছে। লগতে এই কথাও উল্লেখযোগ্য যে শিক্ষক মানেই লিখক বুলি ভৱাটোও শুদ্ধ নহয়। এজন ভাল শিক্ষক লিখক নহ'বও পাৰে। সেইদৰেই এজন ভাল লিখক ভাল শিক্ষকো নহ'ব পাৰে। সি যিকি নহওক যোৰহাট কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজৰপৰা এনে এটা চেষ্টা চলাই থকা হৈছে যিটো আন ক'তো হোৱা চকুত পৰা নাই। এই কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে নিজৰ মাজতে এটি মাহেকীয়া বৰঙণি স্থিৰ কৰি সংগৃহীত টকাৰে এখন গৱেষণামূলক আলোচনী প্ৰকাশৰ সিদ্ধান্ত লয়। এই চিন্তাই পোন প্ৰথম সাৰ্থক ৰূপ পায় ১৯৮৭ চনত। 'অন্বীক্ষা' নাম দি আঠটা প্ৰবন্ধৰ প্ৰথম সংকলনটো শ্ৰীপ্ৰকাশ গোস্বামীৰ সম্পাদনাত প্ৰকাশিত হয়। অসম কলেজ শিক্ষকসন্থাৰ নাৰায়ণ-পুৰ অধিবেশনত উন্মোচিত হোৱা এই প্ৰবন্ধ সংক-লনটোৰ প্ৰতি বিদ্বত সমাজৰ বিশেষ সমাদৰ পোৱা গৈছিল। অসমৰ কেউখন প্ৰধান কাকতত ইয়াৰ সমালোচনাও প্ৰকাশ পাইছিল।

১৯৮৯ চনত শিক্ষক আলোচনীখনৰ দ্বিতীয় সংখ্যা প্ৰকাশ পায়। বিশ্ববিদ্যালয় অনুদান আয়োগকে ধৰি অসমৰ বাহিৰৰ বিদ্বত সমাজৰ মাজত প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি এই সংখ্যাৰ নামকৰণ ইংৰাজীতে 'The quest' কৰা হয় লগতে ইয়াৰ প্ৰবন্ধ-বিলাকৰ সৰহখিনি ইংৰাজী ভাষাত প্ৰকাশ কৰা হয়। শ্ৰীপবিত্ৰ প্ৰাণ গোস্বামীৰ সম্পাদনাত প্ৰকাশ পোৱা এই সংকলনত ইংৰাজীৰ এঘাৰটা আৰু অসমীয়াত তিনটা মুঠ চৌধ্যটা প্ৰবন্ধ প্ৰকাশিত হয়। এই সংখ্যাটিৰ প্ৰতিও বিভিন্নজনৰপৰা উৎসাহ জনক সঁহাৰি পোৱা হয়। বিভিন্ন বাতৰি কাকত আৰু আলোচনীত এই সংখ্যাটি সম্পৰ্কে প্ৰথম সংখ্যাৰ দৰেই উৎসাহজনক সমালোচনাও প্ৰকাশ পাইছিল। আমাৰ এই বিৱৰণ প্ৰকাশিত হৈ ওলোৱাৰ সময়তে প্ৰবন্ধালোচনীখনৰ তৃতীয় সংখ্যা প্ৰকাশৰ চেষ্টা চলি আছে।

আমাৰ মহাবিদ্যালয়ত বৰ্ত্তমানলৈকে নিয়মীয়া শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা ত্ৰিশগৰাকী। সেইফালৰ পৰা প্ৰবন্ধ সংকলনৰ ত্ৰিশটা প্ৰবন্ধকে প্ৰকাশ কৰিব পৰাহলেহে যথাৰ্থ হৈছে বুলি কব পৰা হ'লহেঁতেন কিন্তু সংগৃহীত সীমিত অৰ্থেৰে তেনে কৰা সম্ভৱ নহয়। তাৰ উপৰিও আমাৰ সকলো সহকৰ্মী একে উদ্যমেৰে আগবাঢ়িৰ নোখোজাটোও আন এটা কাৰণ। সামূহিক চেষ্টাৰ উপৰিও একাংশ শিক্ষকে ব্যক্তিগত ভাৱেও যথাশক্তি অৰিহণা যোগোৱাৰ চেষ্টা চলাই আছে। 卐

# আধুনিক যুগত বিদ্যালয়ৰ অনুশাসন

—ঈশান বৰুৱা

আমাৰ পৰিয়াল, সমাজ আৰু বিদ্যালয়ে কিছুমান নিয়মানুৱলীৰ সহায়ত ল'ৰা-ছোৱালীৰ বাহ্যিক আচৰণ নিয়ন্ত্ৰণ কৰে ; কিন্তু আইন-কানুনৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ বাহ্যিক আচৰণ নিয়ন্ত্ৰণ কৰি ৰাখিলেই প্ৰকৃত অনুশাসন হ'ব নোৱাৰে, শিক্ষাৰ্থীৰ মনৰ চিন্তা সৎ পথেদি পৰিচালিত কৰিব পাৰিব লাগিব। প্ৰকৃতপক্ষে ছাত্ৰ-ছাত্ৰীয়ে স্ব-ইচ্ছাৰে বিদ্যালয়ৰ নিয়মাৱলী, বাধা-নিষেধ আদি মানি চলাতোহে প্ৰকৃত অনুশাসন বুলি ক'ব পাৰি।

পুৰণি শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত বাহ্যিক আচৰণ নিয়ন্ত্ৰণ কৰি ৰখাৰ ক্ষেত্ৰত শাস্তি দিয়াৰ প্ৰথা আছিল। শাৰীৰিক শাস্তি নিদিয়া মানে ল'ৰা-ছোৱালী নষ্ট কৰা কথাষাৰ প্ৰয়োগ কৰা হৈছিল। ( Spare the rod and spoil the child ) ইয়াৰ ফলস্বৰূপে তেতিয়াৰ ল'ৰা-ছোৱালীৰ মনত ভয়ৰ সঞ্চাৰ হৈছিল। আনকি, কোনো ল'ৰা-ছোৱালীয়ে বিদ্যালয় চিৰদিনৰ কাৰণে ত্যাগ কৰিছিল।

আধুনিক শিক্ষা পদ্ধতি, মনোবিজ্ঞানৰ সূত্ৰ আৰু তথ্য-পাতিৰ ওপৰত প্ৰতিষ্ঠিত। আজি কালি শিশুক দৈহিক-শাস্তি দিয়াৰ নীতি সম্পূৰ্ণৰূপে পৰিহাৰ কৰা হৈছে। মনোবৈজ্ঞানিক সকলৰ মতে কোনো ধৰণৰ শাৰীৰিক শাস্তিয়ে শিশুৰ মস্তিষ্কৰ পৰিমাণ বৃদ্ধি কৰিব নোৱাৰে। আধুনিক শিক্ষা-ব্যৱস্থাত শিশুৰ ব্যক্তিত্বক স্বীকৃতি দিয়া হয়। বৰ্ত্তমান সময়ত ল'ৰা-ছোৱালীৰ বিভিন্ন সমস্যা সহানুভূতিশীলতাৰে বিবেচনা কৰি চাব লাগিব। প্ৰতিজন শিশুৰে মানসিক দক্ষতা আৰু অভিৰুচি বেলেগ ধৰণৰ। শিক্ষক সকলেও ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধু আৰু পথ-প্ৰদৰ্শনৰ দৰেহে কৰ্ত্তব্য পালন কৰিব লগা হয়।

আধুনিক শিক্ষা জগতত অনুশাসনৰ অৰ্থও সলনি হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সজ আচৰণ আৰু সৎ চৰিত্ৰ গঠনেই প্ৰকৃত অনুশাসন বুলি ক'ব পাৰি। বিদ্যালয়ত শিক্ষাৰ্থীসকলে নিজে নিজক নিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগিব। তেওঁলোকৰ বিভিন্ন প্ৰতিভা বিকাশৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ ফালৰ পৰা উন্নত আৰু সুস্থ পৰিবেশ দিবলৈ যত্ন কৰিব লাগিব। প্ৰতিজন শিশুৰেই নিজৰ ব্যক্তিত্ব ফুটাই তোলাৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা পাব লাগিব। প্ৰকৃত অৰ্থত স্বাধীনতাই কোনো ব্যক্তিৰ সকলো প্ৰকাৰৰ নিয়মানুৱলীৰ বান্ধোনৰ পৰা মুক্ত অৱস্থাটোক নুবুজায়। ৰুচো, মণ্টেশ্বৰী আদি শিক্ষাবিদ সকলে শিক্ষা গ্ৰহণ কৰা কালছোৱাত শিশুক স্বাধীনতা দিয়া উচিত বুলিয়েই মত পোষণ কৰিছে। ল'ৰা-ছোৱালীৰ মাজত অসদ্ মনোভাৱ গা-কৰি উঠিব নোৱাৰে সেই কথাৰ প্ৰতি শিক্ষক আৰু অভিভাৱকে সততে দৃষ্টি ৰাখিব লাগিব।

এটা জাতিৰ বিকাশৰ প্ৰথম স্তৰেই হৈছে অনুশাসন। অনুশাসনৰ প্ৰশিক্ষণ ক্ষেত্ৰ বিদ্যালয়, কৰ্তৃপক্ষৰ ফালৰ পৰা জাৰি কৰা আদেশ নিৰ্দ্দেশ আৰু নিয়মানুৱলী সমূহে শিক্ষাৰ্থীৰ জীৱনলৈ প্ৰকৃত অনুশাসন আনিব নোৱাৰে। কৰ্তৃপক্ষৰ ফালৰ পৰা শিক্ষাৰ্থীৰ আভ্যন্তৰীণ আচৰণ সংযত কৰি ৰখাৰ ওপৰতহে অধিক গুৰুত্ব দিব লাগে। ছাত্ৰ-ছাত্ৰীৰ মনৰ চিন্তা, ভাব, কল্পনা আদি গঠন মূলক কামত জড়িত কৰিবৰ কাৰণে সুযোগ দিয়া উচিত। সেয়েহে বিদ্যালয়ৰ পৰিবেশত শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ক্ৰীড়া আদি কাৰ্য্য-সূচীৰ সংগঠন বহুল ভিত্তিত হোৱা উচিত। ইয়াৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰী সকলে নিজৰ প্ৰতিভা আৰু অভিৰুচিৰ ওপৰত ভিত্তি কৰি সুস্থ ব্যক্তিত্ব বিকাশৰ সুযোগ পাব।

# অতীতক যোৱা নাই পাহৰি

—বুদ্ধীন্দ্ৰ নাথ বৰঠাকুৰ, ( প্ৰাক্তন ছাত্ৰ )

সেইয়া আছিল ইং ১৯৬৪ চনৰ আগষ্ট মাহৰ কথা! আমাৰ দিনতে অসম মাধ্যমিক শিক্ষা পৰিষদৰ ( SEBA ) পৰিচালনাত প্ৰথম বাৰৰ বাবে আৰম্ভ হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষা ( চমুৱাই H. S. L. C. Examination) উত্তীৰ্ণ হৈ ( ইয়াৰ আগলৈকে মেট্ৰিক পৰীক্ষা বুলি কোৱা হৈছিল ) কলেজীয়া শিক্ষাৰ কাৰণে সেই সময়লৈকে ভকেচনেল ট্ৰেইনিং ইনষ্টিটিউটত আৰু কমাৰ্চিয়েল ইনষ্টিটিউত, যোৰহাটত চলি থকা আৰু ১৯৬২ চনত যোৰহাটৰ ভালে সংখ্যক শিক্ষা প্ৰেমী ব্যক্তিৰ চেষ্টাত প্ৰতিষ্ঠিত হোৱা যোৰহাট কলেজত নাম লগোৱাৰ উদ্দেশ্যে উক্ত কলেজৰ পৰা নাম ভৰ্ত্তি ফৰ্ম এখন আনিলো।

ইতিমধ্যে কলেজ খনিৰ যাৱতীয় কাম-কাজৰ কাৰণে যোৰহাট বেজবৰুৱা হাইস্কুললৈ স্থানান্তৰ হোৱাত আমাৰ নাম ভৰ্ত্তি কৰণ কৰা হ'ল। নতুন স্থান অৰ্থাৎ বেজবৰুৱা হাইস্কুলতহে।

আৰম্ভণিৰ পৰা কেৱল নৈশ শাখাত চলি থকা যোৰহাট কলেজৰ সকলো কাৰ্য্য কেইবা বছৰলৈকো উক্ত বেজবৰুৱা হাইস্কুলতহে চলিছিল।

আমাৰ সময়ত কলেজৰ শিক্ষাৰ মাধ্যম আছিল কেৱল ইংৰাজী। প্ৰথম বছৰ এবছৰীয়া প্ৰিইউনিভাৰ্চিটি কৰ্চৰ ফাইনেল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰী সকলে ডিগ্ৰীৰ 'পাৰ্ট ওৱান' আৰু 'টু' ( ২+১=৩ বছৰীয়া কৰ্চ ) ফাইনেল পৰীক্ষা দিব লগা হৈছিল আৰু দুয়োটা পৰীক্ষাত উত্তীৰ্ণ হলেহে স্নাতক ডিগ্ৰীৰ অধিকাৰী হৈছিল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ইং ১৯৬৪-৬৫ বৰ্ষৰ প্ৰি-ইউনিভাৰ্চিটি পৰীক্ষাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিচালনাত উজনি অসমৰ কলেজ সমূহৰ শেষ পৰীক্ষা আছিল। ইং ১৯৬৮ চনত স্নাতক ডিগ্ৰী লাভ কৰা আমাৰ বছৰৰ বিদ্যাৰ্থী সকলেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তত্বাৱধানত পৰীক্ষা দিয়া প্ৰথম বেট্‌চৰ স্নাতক পৰীক্ষাৰ্থী আছিল। সেই সময়ত যোৰহাট কলেজত অধ্যয়নৰ সকলো বিষয় নাছিল। অনাৰ্চ কথাটো আমাৰ কাৰণে এক প্ৰকাৰৰ আচহুৱা যেন আছিল। তদুপৰি সেই সময়ত শিক্ষাৰ্থী সকলে 'অনাৰ্চ' লোৱাতো গুৰুত্ব বৰকৈ উপলব্ধি কৰা নাছিল। কলেজত নাম ভৰ্ত্তিৰ সময়ত সৰ্বমুঠ আঁশী টকা দিব লগা হৈছিল আৰু মাসিক ফিজ হিচাবে মাহে দহ টকাকৈ দিব লগা হৈছিল।

নতুন অনুষ্ঠানৰ কাৰণে তেতিয়া আমাৰ কলেজৰ পুথি ভঁৰাল তেনেই নিশকটীয়া আছিল আৰু অন্যান্য Co-Curricular activity বোৰ সীমিত পৰিসৰৰ আছিল। কলেজত নবাগত আদৰণি সভা, সৰস্বতী পূজা, স্বাধীনতা দিৱস আদি কাৰ্য্য-

ক্ৰমবোৰ পৰিপাটিকৈ উদযাপন কৰা হৈছিল। 'ৰেগিং' বোলা বস্তুটো এক প্ৰকাৰৰ অপৰিচিত আছিল। তদুপৰি সেই সময়ত এতিয়াৰ দৰে হোৱাই-নোহোৱাই আহ্বান জনোৱা অমুক বন্ধ, তমুক বন্ধ, হৰতাল, আন্দোলন আদি কাৰ্য্যবোৰ একেবাৰে সীমিত থকাত ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যয়নৰ পৰিবেশ স্বতঃস্ফূত আছিল। এতিয়াৰ দৰে অসমত পুলিচ আৰু সামৰিক বাহিনীৰ অন্যায় অবিচাৰবোৰ সজ্ঘটিত নোহোৱাত ছাত্ৰ-ছাত্ৰী সকলে বিনা দ্বিধাই ৰাতিৰ কলেজলৈ অহা-যোৱা কৰিব পাৰিছিল আৰু যোৰহাট নগৰতো দিনে-ৰাতিয়ে সম্পূৰ্ণ শান্তিৰ পৰিবেশ বিৰাজ কৰিছিল।

আমি পঢ়োঁতে ক্লাচ বিলাক বিয়লি ৪-৩০ বজাত আৰম্ভ হৈ ৰাতি ৯-৩০ মিনিট পৰ্য্যন্ত চলিছিল। এতিয়াৰ দৰে তেতিয়াও বিজুলি বাতিৰ সঘন বিজুতি হোৱাত কলেজৰ পাঠদান ব্যাহত হৈছিল যদিও মাজে-সময়ে কলেজৰ চৌকিদাৰে অধ্যাপকৰ টেবুলত দিয়া মেণ্টোল লাইট বা মম বাতিৰ কথা এতিয়াও আমাৰ মনত ভুমুকি মাৰে।

আমাৰ সময়ত যোৰহাট কলেজত স্থানীয় ছাত্ৰ-ছাত্ৰীৰ উপৰিও (ছাত্ৰীৰ সংখ্যা অতি কম আছিল) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কৰ্মচাৰী, স্কুলৰ শিক্ষক, দিবা ভাগত অন্যান্য কৰ্মৰত ছাত্ৰ আদিয়ে কলেজত অধ্যয়ন কৰিছিল। বহিঃ অসমৰ ছাত্ৰ সকল প্ৰায়েই ৰবৈয়াৰ পৰা আহিছিল। তেওঁলোকৰ লগত ইংৰাজীত কথোপকথন হব লগা হোৱাত আমাৰ উক্ত ভাষাত কিছু দখল প্ৰতিষ্ঠা হৈছিল। ভাষা শিকাৰ প্ৰতি আমাৰো আগ্ৰহ থকাত এই সকল ছাত্ৰৰ পৰা আমি ব্যক্তিগত ভাৱে মালয়ালম, কানাড়ী উৰীয়া, মৈথিলী, হিন্দী, বঙ্গালী, গুজৰাটী আদি ভাষাৰ বিষয়ে কিছু কিছু কথা আয়ত্ত কৰিবলৈ সক্ষম হৈছিলো।

আমাৰ সময়ত ছাত্ৰ-ছাত্ৰী সকল সাধাৰণতেই নম্ৰ আৰু সহজ সৰল স্বভাৱৰ আছিল। বিলাসীতা কি বস্তু গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বুজিয়েই পোৱা নাছিল। কলেজলৈ অহা ভালেমান ছাত্ৰৰ হাতত নাছিল ঘড়ী, ভৰিত আছিল জোতাৰ পৰিবৰ্ত্তে হাৱাই আদি চেণ্ডেল। ভালেমান ছাত্ৰই শীত কালিও ধুতি-কুৰুতা, এড়ী চাদৰ পৰিধান কৰিছিল। নগৰৰ ওচৰ-পাজৰৰ জনদিয়েক ছাত্ৰই খোজ কাঢ়িয়েই কলেজলৈ আহিছিল। বাকী সকলৰ অহাযোৱাৰ বাহন আছিল কেৱল চাইকেল, ভালেকেইগৰাকী অধ্যাপক-অধ্যাপিকাৰে অনাড়ম্বৰ বেশভূষা, চলন-ফুৰণ, জ্ঞান আৰু গাম্ভীৰ্য্যতা ছাত্ৰছাত্ৰী সকলৰ পাথেয় স্বৰূপে আছিল।

আমি পঢ়া সময়ত বজাৰৰ Notes ৰ বৰ পয়োভৰ নাছিল। শ্ৰদ্ধেয় অধ্যাপক মণ্ডলীয়ে দিয়া টোকাবোৰ (Notes) ছাত্ৰ-ছাত্ৰী সকলে মন দি পঢ়িছিল। সেই সময়ত কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে কচিং ক্লাচ লোৱাটো সপোনৰো অগোচৰ আছিল। পৰীক্ষাত objective type question নাছিল বুলিয়েই কব পাৰি। দীঘল প্ৰশ্ন বোৰৰ উত্তৰবোৰ লেখিও ছাত্ৰ-ছাত্ৰী সকলৰ বুজন পৰিমাণে পৰীক্ষাত কৃতকাৰ্য্য হৈছিল। সেই সময়ত ছাত্ৰ-ছাত্ৰী সকল শিক্ষক-শিক্ষয়িত্ৰী সকলৰ প্ৰতি অধিক শ্ৰদ্ধাযুক্ত আছিল।

আমি কলেজত পঢ়ি থাকোতে টকাত ২ দিস্তামান কাগজ পোৱা হৈছিল আৰু ভাল চিয়াঁহী দোৱাত এটা ডেৰ টকাৰ ভিতৰত আৰু পেইন এটা দুটকাৰ ভিতৰত পোৱা হৈছিল। কলেজৰ

সন্মুখৰ হোটেল খনত চাহ খাওঁতে চাহ আৰু মিঠাই ধৰি ৭০ পইচাৰ পৰা এটকা দিব লগা হৈছিল।

আমি লগ পোৱা ( অধ্যাপক-অধ্যাপিকা সকলৰ ভিতৰত ) সৰ্বশ্ৰীযুত বিদ্যাকান্ত বৰুৱা ( অধ্যক্ষ ) আৰু অৰুণ পূজাৰী, হেমকান্ত নেওঁগ, সুৰেন্দ্ৰ নাথ বৰদলৈ, দেবেন্দ্ৰ নাথ দত্ত, ডিম্বেশ্বৰ দয়াল শৰ্ম্মা, সুৰেন্দ্ৰ নাথ ৰাজকুমাৰ, নৰেণ কাকতি, ৰেণু দত্ত, আৰু এচ্, ট্ৰায়াৰ, ৰিড়ন গল্ডস্মিথ আদি শ্ৰদ্ধাভাজন অধ্যাপক-অধ্যাপিকা সকলৰ কথা মনলৈ আহে। অধ্যাপক মণ্ডলী ছাত্ৰ-ছাত্ৰীৰ প্ৰতি স্নেহযুক্ত আছিল আৰু আৱশ্যকীয় দিহা পৰামৰ্শৰে তেখেত সকলে শিক্ষাৰ্থী সকলক কৃতকাৰ্য্য হোৱাত অনুপ্ৰেৰণা দিছিল।

সময়ৰ লগত খোজ মিলাই আমাৰ অতি মৰমৰ কলেজ খনিয়ে ইং ১৯৭০ চনত নিউ যোৰহাট কলেজৰ সৈতে একত্ৰিত হৈ স্থায়ী স্থানত, স্থায়ী ঘৰ দুৱাৰে তথা সুদক্ষ অধ্যাপক-অধ্যাপিকা সকলৰ একনিষ্ঠ সেৱাৰ ফলেৰে পৰীক্ষা আদিত সুফলৰ ভাগী হৈ আগুৱান হৈছে। পৰমব্ৰহ্মৰ ওচৰত আন্তৰিক প্ৰাৰ্থনা জনাওঁ উত্তৰ কালত আমাৰ শিক্ষা জীৱনৰ স্মৃতি বিৰজিত যোৰহাট কলেজ খনি যেন সকলো প্ৰকাৰ অভাৱ মুক্ত হৈ শিক্ষনীয় সকলোৰে বিষয়েৰে পৰিপূৰ্ণ হওঁক আৰু বিভিন্ন স্থানৰ ছাত্ৰ-ছাত্ৰী আকৰ্ষণেৰে অসমৰ ভিতৰতে এটি অভিলেখ স্থাপন কৰিব পৰা অনুষ্ঠানত পৰিণত হওঁক।

# স্মৃতি ৰোমন্থন

—ইন্দু প্ৰভা বৰপূজাৰী
প্ৰাক্তন ছাত্ৰী

যোৰহাট কলেজৰ মই এগৰাকী প্ৰাক্তন ছাত্ৰী। ১৯৪৫ চনত মই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম বিভাগত Matric পাচ কৰো। সুদীৰ্ঘ ২০ বছৰৰ পাছত মই ১৯৬৫ চনত P.U (Dibrugarh University) প্ৰাইভেটকৈ পাচ কৰো। তাৰ পিছত মই যোৰহাট কলেজত T.D.C ত নাম লগাই লওঁ। তেতিয়া যোৰহাট College খন বেজবৰুৱা হাইস্কুলত গধূলি চলিছিল। এই কলেজখন হোৱাৰ পৰা চাকৰি কৰা বহুতো পুৰুষ, মহিলা আৰু চাকৰি নকৰা কিন্তু পঢ়িবলৈ ইচ্ছা থকা বহুতৰে সুবিধা হ'ল। মইও তাৰে এগৰাকী। মই দিনটোৰ ঘৰৰ কাম বন কৰি গধূলিৰ ৰন্ধা-বঢ়া কৰি ল'ৰা-ছোৱালীক পঢ়িবলৈ লগাই দি কলেজলৈ গৈছিলো।

৺জেহিৰুল আহমেদৰ প্ৰচেষ্টাত এই যোৰহাট কলেজখন বেজবৰুৱা হাইস্কুলতে আৰম্ভ হয়। Professor সকলেও যথেষ্ট কষ্ট কৰিছিল। তাৰে দুজনমানলৈ মনত পৰে। তাৰে ভিতৰত ৺সুৰেন্দ্ৰ ৰাজকুমাৰ Political Science ৰ, Education ৰ ৰেণু দত্ত, অসমীয়া সুৰেণ বৰদলৈ, মহেশ ভট্ট আদি। তাৰোপৰি D.C.B ৰ বহুতো Professor এ Part time কৰি College খন সম্পূৰ্ণ আৰু সুচাৰুৰূপে চলাত সহায় কৰিছিল। বৰ্ত্তমান এই-খন এখন পূৰ্ণাংগ কলেজ।

সহপাঠী সকলৰ কথা মনত পেলাওঁতে ইলা, সুশীলা নামৰ দুগৰাকী ছাত্ৰী, তেওঁলোকে দিনত Office ত কাম কৰে আৰু গধূলি College ত পঢ়িবলৈ খোজ কাঢ়ি যায়। সৰ্ব্বাই বন্ধাৰ পাৰুল শৰ্ম্মা নামৰ ছোৱালী এজনীও পঢ়িছিলে, ৰজনী বৰুৱা, ছায়া ৰাণী শৰ্ম্মা আদিয়েও পঢ়িছিল।

এই College ৰ পৰা মই ১৯৬৮ চনত T.D.C পাচ কৰো। মই যদিও চাকৰি আদি নকৰিলো তথাপি মই নিজৰ ৪ টা ল'ৰা-ছোৱালী যে ভাল কৰিব পাৰিলো তাতেই সন্তুষ্ট।

# ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদকীয় প্ৰতিবেদন

**প্ৰস্তাৱনা ঃ**

যোৰহাট কলেজ ১৯৬২ চনৰ চেপ্তেম্বৰ মাহত প্ৰতিষ্ঠা হ'ল। গতিকে ই ১৯৮৭ চনত ২৫ বছৰ সম্পূৰ্ণ কৰি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়ে। নানা কাৰণত সেই বছৰ একো কৰিব পৰা নহ'ল। ১৯৮৮ চনৰ ২ ফেব্ৰুৱাৰীত সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেশ চন্দ্ৰ দত্তদেৱে শিক্ষক ছাত্ৰ-ছাত্ৰী, কলেজ পৰিচালনা সমিতি, কলেজ কৰ্মচাৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এখন সভা আহ্বান কৰে। সভাই অধ্যাপক হেমকান্ত নেওঁগ আৰু অধ্যাপক প্ৰবীৰ বৰাক যুটীয়া আহ্বায়ক পাতি জয়ন্তী উদযাপনৰ প্ৰস্তুতি কৰাৰ ব্যৱস্থা কৰে। প্ৰায় দেৰবছৰ কাল এই প্ৰস্তুতি সমিতি নিষ্ক্ৰিয় হৈ থকাত ১৯৮৯ চনৰ ২৩ ছেপ্তেম্বৰত তেতিয়াৰ অধ্যক্ষ প্ৰয়াত সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰে এখন সাধাৰণ সভা আহ্বান কৰে। সভাত সভাপতিত্ব কৰে কলেজ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ঠাকুৰে। সভাত দুলাল চন্দ্ৰ বৰুৱাক সভাপতি, সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰক কাৰ্য্যকৰী সভাপতি, অধ্যাপক অৰুণ গোস্বামী, মহেশ চন্দ্ৰ দত্ত আৰু কৰ্ণেল সুৰেণ বৰুৱাক উপ-সভাপতি পতা হয়। সম্পাদকৰ দায়িত্ব দিয়া হয়, অধ্যাপক অৰুণ পূজাৰীক। সভাই যুটীয়া সহকাৰী সম্পাদক হিচাপে অধ্যাপক প্ৰবীৰ বৰা আৰু অধ্যাপক শ্ৰীপবিত্ৰ প্ৰাণ গোস্বামীক আৰু কোষাধ্যক্ষ হিচাবে ড° অমূল্য চন্দ্ৰ শৰ্মাক নিৰ্বাচিত কৰে। পাছত শ্ৰীপবিত্ৰপ্ৰাণ গোস্বামীয়ে পদত্যাগ কৰাত অধ্যাপক শ্ৰীপঞ্চানন বৰঠাকুৰক সহকাৰী যুটীয়া সম্পাদক হিচাবে কাৰ্য্যকৰী সভাই নিৰ্বাচন কৰে। সভাত দহখন উপসমিতি গঠন কৰা হয়। এইবিলাকৰ তালিকা বেলেগে দিয়া হৈছে। সভাই ১৯৯০ চনৰ নবেম্বৰ মাহত ৰূপালী জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত কৰে। জয়ন্তী উপলক্ষে কলেজ উন্নয়নৰ এখন আঁচনি গ্ৰহণ কৰি কিছুমান উন্নয়নমূলক কাম আৰম্ভ কৰা হয়। কিন্তু হঠাতে অধ্যক্ষ সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰে ১৯৯০ চনৰ ৩১ জানুৱাৰীত দেহত্যাগ কৰে। কলেজত অনিশ্চয়তাই বেৰি ধৰে। সকলোবিলাক কামত যতি পৰিল। মনবিলাক ভাৱাক্ৰান্ত হ'ল। জয়ন্তী পতাৰ উৎসাহ নাই-কিয়া হ'ল। কেইমাহমান যোৱাৰ পাছত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীমহেশ চন্দ্ৰ দত্তক কাৰ্য্যকৰী সভাপতি হিচাবে লৈ উদযাপন সমিতিখন পুনৰ গঠন কৰা হয়। উন্নয়নৰ কামত পুনৰ কিছুদূৰ আগবঢ়া হয়। কিছুদিন পাছত অধ্যক্ষ পদত স্থায়ী অধ্যক্ষ নিযুক্তি দিবৰ বাবে পৰিচালনা সমিতিয়ে চৰকাৰৰ নিৰ্দ্দেশত প্ৰস্তুতি চলায়। ১৯৯১ চনৰ আগষ্ট মাহলৈকে কলেজত পুনৰ অনিশ্চয়তাই দেখা দিয়ে। আগষ্ট মাহত ড° অমূল্য চন্দ্ৰ শৰ্মাই স্থায়ী অধ্যক্ষ পদ গ্ৰহণ কৰে। দিৰ্ঘদিনীয়া অনিশ্চয়তা দূৰ হোৱাত জয়ন্তী উদ্‌যাপন সমিতিখনত কিছু সাল-সলনি ঘটোৱাৰ আৱশ্যক হয়। অধ্যক্ষ ড° শৰ্মাক কাৰ্য্যকৰী সভা-পতি, উপাধ্যক্ষ মহেশ চন্দ্ৰ দত্ত উপ-সভাপতি আৰু অধ্যাপক হেমকান্ত নেওঁগ কোষাধ্যক্ষ নিৰ্বাচিত হয়।

ছাত্ৰ একতা সভাৰ উৎসাহৰ হেতু জয়ন্তী উদ্‌যাপন সমিতিখন যথেষ্ট সক্ৰিয় হৈ উঠে। ১৯৯১ চনৰ ডিচেম্বৰ মাহৰ ২৫ তাৰিখে এখন ৰাজহুৱা সভা পাতি ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত ৰূপালী জয়ন্তীৰ দিন স্থিৰ কৰিবৰ বাবে এখন কৰ্ণধাৰ সমিতিক ভাৰ দিয়ে। উক্ত সমিতিয়ে ৭।১২।৯১ তাৰিখৰ বৈঠকত ১৯৯২ চনৰ ২১, ২২ আৰু ২৩ ফেব্ৰুৱাৰীত ৰূপালী জয়ন্তী উদ্‌যাপনৰ স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**উন্নয়ন মূলক কাম ঃ**

ৰূপালী জয়ন্তী উৎসৱৰ লগত ৰজিতা খুৱাই, কলেজ পৰিচালনা সমিতিয়ে সভাপতি শ্ৰীপ্ৰফুল্ল ঠাকুৰৰ নেতৃত্বত কেইটামান কাম হাতত লয়। তাৰ ভিতৰত মুখ্য হ'ল "শিক্ষকৰ জিৰণি কোঠা" নিৰ্মাণ। এই কাম সম্পন্ন কৰোঁতে প্ৰায় ৯০ হেজাৰ টকা খৰচ হয়। ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেশ চন্দ্ৰ দত্তৰ তত্ত্বাৱধানত এই কোঠাটো নিৰ্মাণ কৰি উলিওৱা হয়। ইয়াৰ দ্বাৰা শিক্ষক সকলৰ বহুদিনীয়া অভাৱ এটা দূৰ হৈছে বুলি ক'ব লাগিব। ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এটা Lavatory আৰু toilet কলেজৰ পিছফালৰ সীমা বেৰাত সাজি উলিওৱাৰ কামো ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীদত্তৰ দিনতে সম্পূৰ্ণ হয়। তাৰোপৰি, পশ্চিম ফালৰ খহিপৰা পকীবেৰাৰ এচোৰা, শিক্ষক সকলৰ স্কুটাৰ, চাইকেল আদি ৰখাৰ বাবে এখন টিনৰ চালিও নিৰ্মাণ কৰা হয়। কলেজ-পৰিচালনা সমিতিয়ে কলেজৰ গৃহ-নিৰ্মাণ পুঁজিৰ পৰাই এই ব্যয়বোৰ বহন কৰে।

**ৰূপালী জয়ন্তী উপলক্ষে উপহাৰ কুপন আৰু উন্নয়ন সমিতি ঃ**

ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিয়ে এখন উপসমিতিক উপহাৰ কুপন তথা লটাৰী খেলাৰৰ বাবে ভাৰ দিয়ে। আহ্বায়ক অধ্যাপক শ্ৰী প্ৰবীৰ কুমাৰ বৰা আৰু কাৰ্য্যকৰী সভাপতি এই উপ-সমিতিৰ কাৰ্য্যকৰ্ত্তা আছিল। যদিও পাছলৈ অধ্যাপক ৰামেশ্বৰ শইকীয়াক যুটীয়া আহ্বায়ক হিচাবে মনোনীত কৰা হয়। এই সমিতিয়ে উপহাৰ কুপনৰ যোগে ৭৭,৬৮৮'০০ টকা সংগ্ৰহ কৰিবলৈ সক্ষম হয়। খৰচ, পুৰস্কাৰ আদি বাদ দি ৰাহি হোৱা টকাৰ ৫৪০০০'০০ টকা কলেজ উন্নয়নৰ নামত খৰচ কৰে। এই কামকেইটা হ'ল দক্ষিণ দিশত পকীবেৰাৰ একাংশ নিৰ্মাণ, কলেজৰ পুৰণি ঘৰৰ ৩০ ফুট বাদে সমস্ত বাৰান্দাৰ মজিয়া পকী কৰা, আগফালে শিক্ষক জিৰণি কোঠাৰ পূৱত দুটা ২০×৪০×৭ ফুট জোখৰ পানী খোৱা পুখুৰী খন্দা কাম। ইয়াৰ উপৰিও সবাতোকৈ উল্লেখনীয় কামটো হ'ল কলেজৰ খেলপথাৰত ২০০ ট্ৰাকবো বেছি মাটি পেলাই ওখ কৰা কাম। এই কামখিনিৰ বাবে কলেজ উন্নয়ন সমিতি পাতি শ্ৰীৰামেশ্বৰ শইকীয়াক দায়িত্ব দিয়া হয়। অৱশ্যে এই কামত সততে সহায় আগবঢ়োৱা ব্যক্তি সকলৰ নাম উল্লেখ কৰা বাঞ্ছনীয় হ'ব। সেই সকল অধ্যাপক/ঘনশ্যাম নেওঁগ, ঈশান বৰুৱা দেবেন বৰুৱা, পঞ্চানন বৰঠাকুৰ, প্ৰভাস বৰা, পুলক জ্যোতি শৰ্মা আৰু কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু অন্যান্য সদস্যসকল।

**জেহিৰুদ্দিন আহমদ অডিটৰিয়াম ঃ**

৺জেহিৰুদ্দিন আহমদ অসমৰ শিক্ষাজগতৰ এজন অন্যতম প্ৰবাদ পুৰুষ। যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ এসময়ৰ "জেহিৰৎ হেডমাষ্টৰ" কিংবদন্তিৰ চৰিত্ৰ হৈ পৰিল। এইজন স্বনামধন্য লোক এসময়ত যোৰহাট কলেজ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। তেখেতৰ প্ৰাণৰ উমেৰে গঢ় লোৱা যোৰহাট কলেজে আজি তেখেতৰ সুযোগ্য ভতিজা পো ডাঃ জাকিৰ আহমেদ আৰু কলেজৰ শিক্ষক গোটৰ সহযোগত জেহিৰুদ্দিন আহমদ অডিটৰিয়াম সাজি উলিয়াইছে। ইয়াত অৱশ্যে কলেজ পৰিচালনা সমিতি, চৰকাৰ আৰু কলেজৰ ছাত্ৰ-একতা সভাৰ সহযোগ নাই বুলি কোৱাটো নিতান্তই ভুল হ'ব। সকলোৰে সহযোগত এই শিক্ষাব্ৰতী গৰাকীৰ জন্মস্থান। কৰ্মস্থান যোৰহাটত আজি এটা স্থায়ী ভৱন অনুষ্টুপীয়াকৈ হ'লেও যোৰহটীয়া ৰাইজৰ ওচৰত থিয় কৰাবলৈ পাই ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি অতিশয় সুখী হৈছে। অৱশ্যে, এই অডিটৰিয়াম স্বয়ং সম্পূৰ্ণ আৰু আটকধুনীয়া কৰিবলৈ আৰু থল নোহোৱা নহয়। তেখেতৰ গুণমুগ্ধ ছাত্ৰ বা কোনো সদাশয় ব্যক্তি সহায় কৰিবলৈ আগবাঢ়ি আহিলে কলেজ কৰ্তৃপক্ষই বোধকৰো গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ নকৰিব। এই অডিটৰিয়ামৰ বৰ্ত্তমান কালি প্ৰায় ৩৭২০ বৰ্গফুট। প্ৰেক্ষাগৃহৰ পশ্চিম দিশৰ বাৰাণ্ডা অৱশ্যে নিৰ্মাণ কৰিবলৈ আছে। তাৰে সৈতে ই প্ৰায় ৪০০০ বৰ্গফুটৰ অডিটৰিযাম হ'ব। ইয়াত প্ৰায় ৫০০ দৰ্শকে আসন গ্ৰহণ কৰিব পাৰিব। ৰঙ্গমঞ্চৰ দাতা, নিৰ্মাতা আৰু প্ৰেক্ষাগৃহৰ যাবতীয় সংযোজন নিৰ্মাণৰ বাবে ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ হৈ ডাঃ জাকিৰ আহমেদ দেৱলৈ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জনালোঁ।

**মহাবিদ্যালয়ৰ সন্মুখৰ পকী বেৰা ঃ**

এই মহৎ কামৰ বাবে স্ব-ইচ্ছাই আগবাঢ়ি আহে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সদস্যসকল। ৩০ জন স্থায়ী সদস্যৰ এই শিক্ষক গোটে, পকীবেৰা নিৰ্মাণ কৰি ৰূপালী জয়ন্তী উৎসৱত কলেজ কৰ্তৃপক্ষক দান দিয়াৰ মানসেৰে দিনে নিশাই কাম কৰিছে। ইয়াতে হাত উজান দি অনা শিক্ষক কলেজ কৰ্ম্মচাৰী সংস্থাইয়ো কিছু পুঁজিৰ যোগান ধৰিছে। আমি উদ্‌যাপন সমিতিৰ কৰ্ম্মকৰ্ত্তা হিচাবে তেখেত সকল সকলোলৈকে আমাৰ হিয়াভৰা কৃতজ্ঞতা জনালো।

**শ্বহীদ বেদী ঃ**

যোৰহাট কলেজ ছাত্ৰ একতা সভাই নিজাববীয়াকৈ কলেজ প্ৰাঙ্গণত এটা শ্বহীদ বেদী নিৰ্ম্মাণ কৰি সম্পূৰ্ণ কৰিছে। সম্পূৰ্ণ ছাত্ৰ-ছাত্ৰীৰ দান বৰঙণিৰে এই বেদী নিৰ্ম্মাণ কৰি এক মহৎ আদৰ্শ দাঙি ধৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ ধন্যবাদ থাকিল। অৱশ্যে জয়ন্তী উদ্‌যাপন সমিতিয়েও সামান্য পুঁজি দি এই কামত উৎসাহ যোগাই আহিছে।

**অডিটৰিয়ামলৈ যোৱা পথ ঃ**

জেহিৰুদ্দিন আহমদ অডিটৰিয়ামলৈ অহা যোৱা কৰাৰ সুবিধাৰ বাবে পুৰণি কলেজ ভৱনৰ কাষেদি এটা সৰু পথ বৰ্ত্তমান নিৰ্ম্মাণ কৰি উলিওৱা হৈছে। এই কামৰ বাবে জয়ন্তী উদ্‌যাপন সমিতিয়ে যাৱতীয় পুঁজিৰ যোগান ধৰিছে। ইয়াৰ লগতে জয়ন্তী সমিতিয়ে কলেজৰ দুয়োটা প্ৰবেশ পথৰ যাৱতীয় উন্নতি সাধন কৰিছে।

**তৰ্ক আৰু কুইজ প্ৰতিয়োগিতা ঃ**

ৰূপালী জয়ন্তী উপলক্ষে ছাত্ৰ একতা সভাই ৺সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰ দেৱৰ স্মৃতিত তেখেতৰ মৃত্যু তিথি ৩১ জানুৱাৰীত এখনি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰয়াত অধ্যক্ষ গৰাকীৰ প্ৰতি থকা শ্ৰদ্ধা আনুষ্ঠনিক ভাৱে নিবেদন কৰাত আমাৰ ফালৰ পৰা ধন্যবাদ জনালোঁ। জয়ন্তী উৎসৱৰ প্ৰথম দিনা প্ৰয়াত উপাধ্যক্ষ তৰুণ মোহন গোস্বামী দেৱৰ স্মৃতিতো এখনি আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আশা কৰোঁ ই সাফল্যমণ্ডিত হব।

**স্মৃতি গ্ৰন্থ ঃ**

ৰূপালী জয়ন্তীৰ লগত ৰজিতা খুৱাই এখন স্মৃতি গ্ৰন্থ প্ৰকাশৰ বাবে অধ্যাপক ড॰ প্ৰভাত সভাপণ্ডিতৰ নেতৃত্বত এখন উপসমিতি গঠন কৰি দিয়া হৈছে। আশা কৰা হৈছে স্মৃতি গ্ৰন্থখনে কলেজৰ ২৫ বছৰীয়া ইতিহাসৰ লগতে যোৰহাটত উচ্চ শিক্ষাৰ এটা খতিয়ান ৰাইজৰ আগত দাঙি ধৰিবলৈ সক্ষম হব।

**'The Quest' ( Vol No. III ) — A publication by the Jorhat College Teachers Unit :**

যোৰহাট কলেজৰ শিক্ষক গোটে অধ্যাপনাত ব্ৰতী হৈ গৱেষণামূলক প্ৰবন্ধৰ দুটা সংখ্যা ইতিমধ্যে প্ৰকাশ কৰিছে। প্ৰথম সংখ্যাৰ নাম আছিল "অন্বীক্ষা"। সম্পাদক অধ্যাপক শ্ৰীপ্ৰকাশ গোস্বামী। তাৰ পাছত দ্বিতীয় সংখ্যাত নাম সলনি কৰি 'The Quest' ৰখা হ'ল। বৰ্ত্তমান তৃতীয় সংখ্যা জয়ন্তী উৎসৱৰ প্ৰথম দিনাই স্মৃতি গ্ৰন্থৰ লগতে উন্মোচন কৰিবৰ বাবে সম্পাদক অধ্যাপক শ্ৰীপবিত্ৰ প্ৰাণ গোস্বামীয়ে যুগুতাই উলিয়াইছে। ইয়াৰ সকলো খৰছ এতিয়ালৈকে শিক্ষক গোটেই বহন কৰি আহিছে। শিক্ষকসকলৰ এই সৎ প্ৰচেষ্টাই ৰাইজৰ আদৰ লাভ কৰিব বুলি আশা কৰা হ'ল।

**এৰিটাৰ সৌজন্যত চেমিনাৰ ঃ**

জয়ন্তী উৎসৱৰ দ্বিতীয় দিনা ২২।২।৯২ তাৰিখে অসম শাখা ভাৰতীয় চাহ সংস্থা যোৰহাট সংমণ্ডলৰ সৌজন্যত চাহ শিল্পৰ বিভিন্ন দিশৰ ওপৰত এখন চেমিনাৰৰ আয়োজন কৰা হৈছে।

এই অনুষ্ঠান উদ্বোধন কৰিবৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীকমলেশ্বৰ বৰাদেৱে সন্মতি প্ৰকাশ কৰিছে। সঞ্চালক হিচাবে ড° দীননাথ বৰুৱাদেৱে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কথা আছে। চেমিনাৰত উত্থাপিত ৰচনাৱলী "স্মৃতি প্ৰকাশন" ( Commemorative Publication ) হিচাবে ছাপা কৰি উলিওৱাৰ আশ্বাস আমি 'এবিটা' কৰ্তৃপক্ষৰ পৰা পাইছো। আশাকৰো এই কাম সফলকামী হ'ব। জয়ন্তী উদ্‌যাপন সমিতিৰ তৰফৰ পৰা এবিটা কৰ্তৃপক্ষৰ সচিব শ্ৰীদিব্যজ্যোতি কাকতিৰ লগতে সমূহ মাননীয় সদস্যবৃন্দক আমাৰ কৃতজ্ঞতা জনালো

আমাৰ আঁচনি ঃ

১) দুখৰ বিষয় সকলো কৰিও একো নকৰাৰ আক্ষেপ। এই ক্ষেত্ৰত নিজকে প্ৰশ্ন কৰিবৰ মন যায়— "আমি প্ৰতাৰিত হোৱা নাইতো ?" ছাত্ৰ-ছাত্ৰীৰ খোৱা পানীৰ বিজ্ঞান সন্মত ব্যৱস্থা জয়ন্তী উৎসবৰ আগতে কৰিব নোৱাৰাত আমি অতিশয় দুঃখিত। আশা ৰাখিছোঁ ১৯৯২ চনৰ ভিতৰতে এই অতিশয় আৱশ্যকীয় আঁচনি সম্পূৰ্ণ কৰি ছাত্ৰ-ছাত্ৰীৰ এটা দীৰ্ঘ দিনীয়া অভাব দূৰ কৰিব পৰা হব।

২) ছাত্ৰ-ছাত্ৰীৰ বাবে এটা সু-সাজ্জত গ্ৰন্থাগাৰ আৰু পঢ়াকোঠা কলেজীয়া শিক্ষাৰ অপৰিহাৰ্য্য অংগ বুলি গণ্য কৰা হয়। তাৰ বাবে কমেও ৬/৭ লাখ টকাৰ আঁচনি এখন কলেজ কৰ্তৃপক্ষই তৈয়াৰ কৰি উলিয়াইছে আৰু ইতিমধ্যে পুঁজি সংগ্ৰহৰ বাবে বিভিন্ন পৰ্য্যায়ত প্ৰচেষ্টা চলায় আছে। আশা কৰো সুদূৰ ভৱিষ্যতে এই মহৎ চেষ্টা ফলৱতী হব।

৩) যোৰহাট মহাবিদ্যালয় এক মাত্ৰ কলা বিভাগৰহে অনুষ্ঠান। সেয়েহে এই অনুষ্ঠানত অদূৰ ভৱিষ্যতে কলাবিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী প্ৰবৰ্ত্তন কৰি এটা কলাবিষয়ৰ পূৰ্ণাঙ্গ উচ্চশিক্ষাৰ অনুষ্ঠান গঢ় দিয়াৰ আমাৰ ইচ্ছা আছে। যি হেতু অসমৰ বিভিন্ন জিলাৰ নগৰ আৰু মহানগৰত থকা কেইখনো মহাবিদ্যালয়ত বিভিন্ন বিভাগত স্নাতকোত্তৰ শ্ৰেণী ইতিমধ্যে প্ৰবৰ্ত্তিত হৈছে। গতিকে যোৰহাটৰ নিচিনা অগ্ৰণী শিক্ষা মহানগৰীত থকা যোৰহাট মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্ত্তন কৰাটো নিতান্তই প্ৰয়োজন বুলি ভবা হৈছে। আশা ৰাখিছো সংশ্লিষ্ট বিভিন্ন মহলে আমাৰ এই আঁচনি সহৃদয়তাৰে হৃদয়ঙ্গম কৰি কাৰ্য্যকৰী ব্যৱস্থা কৰিব।

কৃতজ্ঞতা ঃ

ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ তৰফৰ পৰা কলেজ পৰিচালনা সমিতিৰ সভাপতি ড° যোগেন্দ্ৰনাথ বৰুৱা প্ৰমূখ্যে মাননীয় সদস্য সকলক আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। জিলাৰ উপায়ুক্ত বাপ্পাৰাওদেৱৰ মূল্যবান পৰামৰ্শ আৰু যাৱতীয় অনুমতি প্ৰদানে আমাক অশেষ উৎসাহ যোগালে। তেখেতলৈ আমাৰ কৃতজ্ঞতা জনালোঁ। জয়ন্তী উদ্‌যাপনৰ বাবে দান বৰঙণি দি যি সকল সদাশয় ব্যক্তি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, আৰু অনুষ্ঠান প্ৰতিষ্ঠানে আমাক সহায় সহযোগ আগ-

বঢ়ালে তেখেতসকল সকলোলৈকে আমাৰ কৃতজ্ঞতা জনালোঁ। যোৱা ১৯৮৯-৯০ আৰু '৯০-'৯১ শিক্ষাবৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়ে উদ্‌যাপন সমিতিৰ পুঁজিলৈ বুজন অঙ্কৰ ধন বৰঙণি হিচাবে আদায় কৰাত তেওঁলোকলৈ আমাৰ মৰম আৰু শুভেচ্ছা জনালোঁ। আমাৰ উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই ব্যস্ততাৰ মাজতো যি সহায় আগবঢ়ালে তাৰ বাবে আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল। যোৰহাটৰ কেইজনমান উঠি অহা আমাৰ প্ৰাক্তন ছাত্ৰ চিত্ৰ শিল্পীয়ে কলেজৰ ৰূপালী জয়ন্তীত এখন চিত্ৰ কলাৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ বাবে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি ধন্যবাদ জনালোঁ।

শেষত, অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে সকলোলৈকে ক্ষমা প্ৰাৰ্থনা কৰি বিনম্ৰ সেৱা জনালোঁ। ইতি—

অৰুণ চন্দ্ৰ পূজাৰী
সম্পাদক
ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি
যোৰহাট কলেজ, যোৰহাট।

তাং ১৪।২।৯২

---

## যোৰহাট কলেজ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি

স্বেচ্ছাসেৱক উপসমিতি ঃ

অধ্যাপক ৰামেশ্বৰ শইকীয়া ( উপদেষ্টা )
" মহেশ ভট্টাচাৰ্য্য ( " )
" প্ৰভাস কুমাৰ বৰা ( আহ্বায়ক )
শ্ৰীযোগেন শইকীয়া ( সদস্য )
" অসীম কুমাৰ বড়া ( " )
" শচীন চন্দ্ৰ হাজৰীকা ( " )
" বিতোপন চন্দ্ৰ বৰা ( " )
" উত্তম কুমাৰ বৰুৱা ( " )
" পংকজ হাতীবৰুৱা ( " )
শ্ৰীমুকুট বৰুৱা ( সদস্য )
শ্ৰীমতী চন্দ্ৰমা শইকীয়া ( সদস্যা )
" মৌচুমী দেৱ ( " )

ৰূপালী জয়ন্তী কাৰ্য্যালয় উপ-সমিতি ঃ

উপদেষ্টা ঃ অধ্যাপক মহেশ ভট্টাচাৰ্য্য
" ৰামেশ্বৰ শইকীয়া
" দেবেন বৰুৱা
সহকাৰী ঃ " মৃদুলা ঠাকুৰ গোস্বামী
" ভবানী নেওঁগ
" মঞ্জু হাজৰিকা

উদ্‌যাপন সমিতি।

অধ্যাপক ৰেণু দত্ত
শ্ৰীমুকুল কন্দলী

কাৰ্য্য-সুচী ৰূপায়ন আৰু পৰিচালনা ঃ

অধ্যাপক মহেশ ভট্টাচাৰ্য্য
" ৰামেশ্বৰ শইকীয়া
" অমল ৰাজখোৱা
" প্ৰকাশ গোস্বামী
" এন, গোবিন্দ সিংহ।

বিত্ত উপসমিতি ঃ

সভাপতি ঃ শ্ৰীদুলাল চন্দ্ৰ বৰুৱা
অধ্যক্ষ ঃ ডঃ অমূল্য শৰ্ম্মা
উপাধ্যক্ষ ঃ অধ্যাপক মহেশ চন্দ্ৰ দত্ত
সম্পাদক ঃ অধ্যাপক অৰুণ চন্দ্ৰ পূজাৰী
সহকাৰী সম্পাদক ঃ
অধ্যাপক প্ৰবীৰ কুমাৰ বৰা।
ছাত্ৰ একতা সভাৰ সম্পাদক ঃ
প্ৰশান্ত কুমাৰ শইকীয়া
অধ্যাপক ৰামেশ্বৰ শইকীয়া
" মহেশ চন্দ্ৰ ভট্টাচাৰ্য্য
" ঘনশ্যাম নেওগ
" ঈষাণ বৰুৱা
শ্ৰীসুনীল সাহা
শ্ৰীসোমনাথ ওজা
শ্ৰীসোনাধৰ দাস
অধ্যাপক পুলকজ্যোতি শৰ্ম্মা।

উপহাৰ কুপন উপসমিতি ঃ

সভাপতি ঃ উপাধ্যক্ষ মহেশ চন্দ্ৰ দত্ত
সাধাৰণ সম্পাদক ঃ অধ্যাপক প্ৰবীৰ কুমাৰ বৰা

কোষাধ্যক্ষ ঃ অধ্যাপক ৰামেশ্বৰ শইকীয়া
অধ্যাপক দেবেন বৰুৱা

সদস্য ঃ শ্ৰীভোলানাথ দাস, এ, এচ, ই, পি, ডবলিউ, ডি,
শ্ৰীসতীশ চন্দ্ৰ বৰবৰা
শ্ৰীযুতা অবলা গোহাঁই
শ্ৰীহৰেন দত্ত
শ্ৰীমাধব বৰুৱা
অধ্যাপক অৰুণ পূজাৰী
" ঘনশ্যাম নেওঁগ
" মহেশ চন্দ্ৰ ভট্টাচাৰ্য্য
" হেমেন নেওঁগ
ডঃ অমূল্য শৰ্ম্মা
শ্ৰীমুকুল কন্দলী
শ্ৰীপ্ৰশান্ত শইকীয়া
শ্ৰীশশীন হাজৰীকা
শ্ৰীখগেন বৰুৱা
শ্ৰীতপন জ্যোতি শৰ্ম্মা

খাদ্য আৰু পানী যোগান ঃ

অধ্যাপক নৰেণ কাকতি
" ঈষান বৰুৱা
" পুলকজ্যোতি শৰ্ম্মা
শ্ৰী মুকুল কন্দলী
" বিতোপন বৰা
" শশীন হাজৰিকা

কুইজ আৰু আলোচনা চক্ৰ ঃ

সভাপতি ঃ অধ্যাপক ৰণজিত কুমাৰ হাজৰিকা
" পুলক জ্যোতি শৰ্ম্মা

সদস্য ঃ শ্ৰী ধ্ৰুৱজ্যোতি মহন্ত
,, বিনয় ব্ৰত ৰাজখোৱা
,, জুৰি বৰা।

স্মৃতি গ্ৰন্থ উপসমিতি ঃ

অধ্যাপক ডঃ প্ৰভাত চন্দ্ৰ সভাপণ্ডিত (আহ্বায়ক)
,, প্ৰফুল্ল ৰাজগুৰু
,, পবিত্ৰ প্ৰাণ গোস্বামী
,, ৰামেশ্বৰ শইকীয়া
,, অৰুণ দত্ত
,, প্ৰশান্ত কুমাৰ শইকীয়া।

ৰভা উপ-সমিতি ঃ

অধ্যাপক ঘনশ্যাম নেওগ (আহ্বায়ক)
,, ৰামেশ্বৰ শইকীয়া
,, মহেশ চন্দ্ৰ ভট্টাচাৰ্য্য
,, ঈষান বৰুৱা
,, দেবেন বৰুৱা
শ্ৰী মুকুল কন্দলী
,, ৰমেশ চন্দ্ৰ ভূঞা
,, প্ৰশান্ত কুমাৰ শইকীয়া
,, উত্তম বৰুৱা
,, বুবুল দাস
,, জিতেন বৰা।

প্ৰদৰ্শনী উপ-সমিতি ঃ

অধ্যাপক মহেশ চন্দ্ৰ ভট্টাচাৰ্য্য (আহ্বায়ক)
,, এন, গোবিন্দ সিংহ
,, প্ৰকাশ গোস্বামী
শ্ৰী জুৰি বৰা
,, দ্বিজেন বৰা
,, বিনয় ব্ৰত ৰাজখোৱা

প্ৰচাৰ উপ-সমিতি ঃ

অধ্যাপক এন, গোবিন্দ সিংহ (আহ্বায়ক)
শ্ৰী জেতবন বৰুৱা
,, অশোক বৰুৱা
,, মাধৱ হাজৰিকা
,, নৱজ্যোতি হাজৰিকা
,, ৰত্নেশ্বৰ কোঁৱৰ
,, অৰ্জুন চাহু
,, শৰৎ বৰা
,, পংকজ হাতীবৰুৱা

সাংস্কৃতিক বিভাগ উপ-সমিতি ঃ

অধ্যাপক হেমকান্ত নেওঁগ (আহ্বায়ক)
,, চন্দ্ৰ চেখৰ ফুকন
,, পবিত্ৰপ্ৰাণ গোস্বামী
,, ভৱানী নেওঁগ
,, মঞ্জু হাজৰিকা
,, মৃদুলা ঠাকুৰ গোস্বামী
শ্ৰী প্ৰশান্ত শইকীয়া
,, গোবিন্দ মহন্ত
,, ধ্ৰুৱজ্যোতি মহন্ত
,, প্ৰমোদ বৰা
,, অৰূপ হাজৰিকা
,, ৰূপজ্যোতি বৰা
,, উত্তম বৰা
,, প্ৰিয়ম বৰঠাকুৰ

# JORHAT COLLEGE

**( Amalgamated )**

**JORHAT**

**Estd : 1962**

# SILVER JUBILEE

**February 21, 22 and 23**
**1992**

***EDITOR***

*Dr. Prabhat Ch. Sabhapandit*

# Shakespeare in the Class Room

*—Mrs Sarada Bezbaruah*

Teaching Shakespeare in the Class room can be either an exhilarating experience or an excruciatingly painful one-for the audience has to be not only a responsive, but also, yes, a captive one-an audience that is in thrall to the teachers' capabilities. The Teachers' performance has to be a one-even a 'many splendoured' one, where he is now Othello, now Iago and now Desdomona. Teaching of drama has to be necessarily a many sided performance where the teacher has, not only to read, but also to act ; where the emotions and the sufferings of the main characters are reflected in the facial expressions of the teacher, Which teacher, worth his salt, can remain unmoved when he exclaims with Othello, 'Oh ! Iago, the pity of it the pity of it Iago.' I am reminded of an anecdote that I once read in some English magazine-Othello was being staged and Iago can working his fell deed on the Moor, who, in his insance jealousy believed everything that the villain was feeding him with. Suddenly a dear old lady got up from amidest the audience and shouted : 'You big black fool, can't you see ? ' For the moment, the old lady forgot that she was merely watching the play being enacted-so convincing were the actors playing their respective parts, that she believed that she was actually seeing the machinations of Iago and the destruction of the Moor. This is what I mean when I referred to a 'Captive' audience. Juat as Iago had captured Othello in his neferious toils, he had also captured the old lady, for she could no longer differentiate between truth and make-believe.

There is another story about 'Othello'. It was being staged at the Globe Theatre. The man who played the part of Othello, day after day, week after week, soon reached a stage when he began to think that he was indeed Othello himself ; and during the scene when he was going to smothen Desdemona, he actually started strangling her : suddenly he noticed two men ( they were psychiatrists) watching him from the wings. He made up his mind quickly and, after his last few words— "But soft ye—a word or two before you go", and after taking the "circumcised dag by the throat" he smote himself and drove the sword into his own heart.

In "Hemlet" too, the teacher has a double role to play-that of the Hemlet of the "antic disposition" pretending to be mad, and that of the real Hemlet going through a deep traumatic experience,

mourning for his dead father and at the same time trying to "Catch the conscience" of his murderer-uncle. "The scene where he berates his mother for "Killing a king, and marrying with his brother" is full of histrienic possibilities for a good teacher. At the same time, this would be certainly a difficult scene to explain to the student. But it would have to be explained ; how else would one convey the agony of Hemlet ? If, at the end of the play, when he redeems himself from that "Particular fault", if the teacher has succeeded in enlightening the class, that should indeed be his reward.

The romantic comedies are a little easier to teach chiefly because there is no conflict in the soul of the hero or heroine. In these, tha plot is often woven round mistaken identities or women in men's disguise-and in an atmosphere of denouement and humour, the teacher's skills are not so severely taxed.

Apart from being involved, the Student of Shakespeare must also have an extensive vocabulary, which enables him not only to understand Shakespeare, but also to appreciate him-the quibbles, puns, the play upon words and words of "double entendre", all of which from the warp and weft of a Shakespearean play ; and not to understand them, would be to miss the whole beauty and artistry of the play.

If however the teacher has not been able to enthuse the students, he can take cold comfort from the fact that he tried to offer "caviare to the general"— "the rest is silence".

# Trade and Commerce in Jorhat District

*—Hemanta Kumar Dutta*
*Pulak Jyoti Sarmah*
Dept. of Economics

The district of Jorhat stands in the middle of Assam. The flowing mighty Brahmaputra nearly 7 kilometre away from the town, with her tributaries, Dissang, Dikhow, Jhanji and Bhogdoi makes the soil allurial to the tillers of the district. The district had been rural in character since time immemorial. Agriculture and allied pursuits had been the major source of livelihood of the district Prior to the British period the main feature of the economy of the district was the predominance of the self sufficient village community The division of labour was simple, based on caste and heritage. The cultivators and the village artisans had produced agricultural crops and varieties of articles for the personal consumption of their families and dependants ; if however there was a surplus it was exchanged among themselves within the village. The village artisans like carpenters ; potters, blacksmiths, goldsmiths had produced just sufficient to meet the demand of the village community. The market was thus limited due to the barter system. There had been the bottle-neck of transport and communication. The bullock-cart boat and horse were the main means of transport at that time. There had been the trade relation of the district with Nagaland during the six centuries of Ahom rule. They opened weekly border trade through Naginijan, Deberapara, Mariani, Nagabat, Amguri.

During the colonial rule, in the middle of the 19th century agricultural economy of the district transformed into the unified market economy. There had been the improvement of roadways, waterways and railways. The transportation of goods and moving of passangers had considerably been improved. The improvement of transportation coupled with the introduction of a monetary system had encouraged the agriculturists and the village artisans to produce more for the commercial purposes. In 1885, The Jorhat Provincial Railway Company Constructed railway line 30 miles in length, connecting the tea gardens of Mariani and Titabor with the Kakilamukh steamer Ghat. Cash crops like tea was marketed in huge quantities. There had been the weekly market around the district. But the cultivators found it inconvenient on account of the deplorable condition of communication. The roads of the Jorhat District were dusty, and uneven in summer and swampy during the rains.

After Independence, the production and consumption pattern of the district had changed considerably due to the appreciable improvement of infra-structure. The kharif crops and the Rabi crops have been practised largely on account of the commercialisation of agricultural crops. Now, the area of land under cultivation in the district is 77905 hectres, out of which autumn area is 16005 and winter area is 61900 hectres. Fertilizer used in 1988-89. was N 6(0 ton. In the case of undivided Jorhat district it was 863 ton The grand total was 2463 ton. In the case of kharif crops fertilizer used was $P_2 O_5$-732 ton, $K_2O_5$-484 ton In Rabi crops, it was $P_2O_5$-293, $K_2O_5$-528.

In 1988-89, the different types of vehicles plying from the Jorhat district were 400 buses 2754 public carriers, 1082 private carriers, 4547 motor cars, 630 taxicars, 24 Mini Bus, 50 autorikshows, and 1363 Tractors. In the case of inland water transport, the Neemati Ghat had been connected with the Kamalabari Ghat of Majuli subdivision by the modern steel vessels having the capacity of 65 metric tons. There were two Marboats, one single boat, one pantoon, and two relief boats having the capacity of 36, 10, 3 12 metric tons respectively.

The district is well reputed for its handicrafts, varieties of domesticated silk worms, pat or mulberry worm, the Muga or som-feeding worm, whose cocoon can be reeled and the Eri, the worm of which live on caster plant leaves yielding a silk spun by hand are produced here. The district offers bright prospects of development in the field of village industries, particularly sericulture and handloom weavings. For the cause of common facilities, the sericultural institute of Titabor had already been functionings. In 1988-89, the number of sericultural villages was 122 and the number of families engaged in Eri was 9204, Muga was 3296 and Pat was 3100. The total area under silkworm food plants ( hectere ) was Eri-56·50, Muga 132·30, Pat 38·00. The yield of Cocoons was the following. Eri 0·14 lakh, K. G. Muga 52·89 lakh K G Pat recting cocoon 0·040 thousand K. G.

**Production of silk yarn :**

Eri raw silk 180 K. G. Muga raw silk 73 K. G. pat raw silk 50 K. G The number of spinning wheels working were 78.

**Production of Cocoon Eri :**

The production of cocoon Eri was 0·44 lakh K. G. The number of reeling units was one. The number of improved basins established was three. The quantity of Cocoons reeled was 1400 thousand K. G. The quantity of raw silk produced in reeling units was 151·000 k g.

**Sericultural farms and Grainages in Jorhat district :**

Mulberry farms occupys 9 20 hectres. The area under plantation was 3·65 hectres. The Muga seed area under plantation was 38·42 hectres. The production of Cocoon Muga was 712·73 lakh. The total area under Eri was 13·70 hectre and the area under Eri plantation was 11 hectres.

**Number of weaving centres, trainees, production centres and cloth production.**

There were three weaving training centres, five weavers extention service units, one handloom production centre.

The number of trainees in weaving training centres were 55.

**Statistics of weaving, demonstration Circles in Jorhat district.**

In 1989-90, the number of circles were 8. The number of villages covered were 171. The number of weavers engaged parttime were 1216, and whole time were 95. The number of handlooms distributed to the general category, scheduled castes and scheduled tribes were 123, 195 and 171 respectively.

**The number of industrial estates :**

( 1988-1989 ) The total shades constructed were 24. The total shades functioning were 15.

The village and urban artisans produce varieties of decorative articles for commercial purposes. Cane and bamboo are available in the district. The producers utilise these to fashion useful and decorative articles. Numerous articles of every day use like mats hats, baskets, vessels rainproof hats "Japi" are made. The district possesses forest resources which can support a number of forest-based industries. There are sawmills plywood & hardboard factories, around the district, functioning for Commercial purposes.

The district possesses Agro-Industrial potentialities of some crops like tea and sugarcane. There are several teagardens around the district. The sugar mill at Dergoan had already been functioning ( undivided Jorhat district )

